GEC S5-01(M/P)
Exam Code : ECP 5A/ECM 5A

ৰাজস্ব অৰ্থবিজ্ঞান

পঞ্চম ষাণ্মাসিক

অর্থ বিজ্ঞান

খণ্ড ঃ ২



কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

বিষয় বিশেষজ্ঞ মণ্ডলী

অধ্যাপক মাধুর্য প্রসাদ বেজবৰুৱা, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
অধ্যাপক নিচাৰ আহমেদ বৰুৱা, অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° গৌতম মজুমদাৰ, অর্থনীতি বিভাগ,কটন বিশ্ববিদ্যালয়

সমন্বয়ৰক্ষীঃ উৎপল ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রস্তুতি গোটৰ সদস্য

অধ্যায়	অৱিহণা যোগাইছে	ভাষান্তৰকাৰী
৯,১৪	অধ্যাপক নিচাৰ আহমেদ বৰুৱা	ৰমেন শর্মা
	গুৱাহাটী বিশ্ববিদ্যালয়	ডিমাকুছি জুনিয়ৰ কলেজ, ডিমাকুছি
১০	অধ্যাপক নিচাৰ আহমেদ বৰুৱা	ৰমেন শর্মা
	গুৱাহাটী বিশ্ববিদ্যালয়	ডিমাকুছি জুনিয়ৰ কলেজ, ডিমাকুছি
	নিবেদিতা গোস্বামী	ডালিমা গোস্বামী
	এচ্‌চেণ্ট একাডেমী	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
১১	অধ্যাপক নিচাৰ আহমেদ বৰুৱা	ৰমেন শর্মা
	গুৱাহাটী বিশ্ববিদ্যালয়	ডিমাকুছি জুনিয়ৰ কলেজ, ডিমাকুছি
	উৎপল ডেকা	ড° গায়ত্রী মেধি (অৱসৰ প্রাপ্ত)
	কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত মহাবিদ্যালয়	বি. এইছ. বি. মহাবিদ্যালয়, সৰুপেটা
১২,১৩,১৫	ড° পৰাগ দত্ত	ড° খনীন্দ্র চন্দ্র শর্মা (অৱসৰ প্রাপ্ত)
	দিশপুৰ মহাবিদ্যালয়, গুৱাহাটী	গুৱাহাটী মহাবিদ্যালয়, গুৱাহাটী

সম্পাদনাঃ

বিষয়বস্তু সম্পাদনা ঃ অধ্যাপক খুৰচেদ আলম (অৱসৰপ্রাপ্ত), অর্থনীতি বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
ড° গৌতম মজুমদাৰ, অর্থনীতি বিভাগ, কটন বিশ্ববিদ্যালয়
ড° চন্দ্রমা গোস্বামী,অর্থনীতি বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

ভাষা সম্পাদনাঃ (মূল ইংৰাজী) ঃ অধ্যাপক ৰবীন গোস্বামী (অৱসৰপ্রাপ্ত), ইংৰাজী বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয
ড° মানৰ মেধি, ইংৰাজী বিভাগ,বড়োলেণ্ড বিশ্ববিদ্যালয়

(অসমীয়া) ঃ ড° গায়ত্রী মেধি (অৱসৰ প্রাপ্ত),অর্থনীতি বিভাগ, বি. এইছ. বি. মহাবিদ্যালয়, সৰুপেটা
ড° ভাস্কৰ শর্মা, অর্থনীতি বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
ড° মৃণাল জ্যোতি গোস্বামী, অসমীয়া বিভাগ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

গাঁথনিক সম্পাদনা ঃ উৎপল ডেকা, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

প্রথম প্রকাশ ঃ **জুন, ২০১৯**
ISBN:

This Self Learning Material (SLM) of the Krishna Kanta Handiqui State Open University is made available under a Creative Commons Attribution-NonCommercial-ShareAlike4.0 License (international): http://creativecommons.org/licenses/by-nc-sa/4.0/

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ৰ হৈ পঞ্জীয়কৰ দ্বাৰা মুদ্রিত আৰু প্রকাশিত।

এই শিক্ষণ সামগ্রী প্রস্তুতিৰ বাবে আর্থিক অনুদান আগবঢ়োৱা
দূৰ শিক্ষা ব্যুৰো, বিশ্ববিদ্যালয় অনুদান আয়োগৰ ওচৰত বিশ্ববিদ্যালয় কৃতজ্ঞ।

মুখ্য কার্যালয় ঃ পাটগাঁও, ৰাণী গেট, গুৱাহাটী -৭৮১০১৭,
উপ-মুখ্য কার্যালয় ঃ হাউচফেড কমপ্লেক্স, দিছপুৰ, গুৱাহাটী -৭৮১০০৬
Web : www.kkhsou.in

বিষয়সূচী

পৃষ্ঠা নম্বৰ

অধ্যায় ৯ ঃ চৰকাৰী ঋণ ৯৭-১০৫

চৰকাৰী ঋণৰ প্ৰাথমিক ধাৰণাসমূহ ঃ চৰকাৰী ঋণৰ অৰ্থ, চৰকাৰী ঋণ আৰু ব্যক্তিগত ঋণৰ পাৰ্থক্য, চৰকাৰী ঋণৰ উৎসসমূহ; চৰকাৰী ঋণৰ বোজা; চৰকাৰী ঋণ পৰিশোধৰ উপায়সমূহ

অধ্যায় ১০ ঃ ৰাজকোষীয় নীতি ১০৬-১১৬

ৰাজকোষীয় নীতিৰ প্ৰাথমিক ধাৰণাসমূহ ঃ ৰাজকোষীয় নীতৰ অৰ্থ, উদ্দেশ্য, বিভিন্ন আহিলা; ক্ষতিপূৰক ৰাজকোষীয় নীতি আৰু পাম্প প্ৰাইমিং; উন্নয়নশীল অৰ্থনীতিত ৰাজকোষীয় নীতি

অধ্যায় ১১ ঃ চৰকাৰী বাজেট ১১৭-১২৬

চৰকাৰী বাজেটৰ ধাৰণা; উপাদান; শ্ৰেণী বিভাজন; ক্ৰমবৰ্দ্ধিত আৰু শূন্যভিত্তিক বাজেট; ঘাটি বাজেটঃ ৰাজহ ঘাটি, ৰাজকোষীয় ঘাটি, প্ৰাথমিক ঘাটি

অধ্যায় ১২ ঃ ৰাজহুৱা উপযোগিতা ১২৭-১৩৭

ৰাজহুৱা উপযোগিতাৰ অৰ্থ; ৰাজহুৱা উপযোগিতা সেৱাৰ বৈশিষ্ট্য আৰু দৰ; ৰাজহুৱা উপযোগিতা প্ৰতিষ্ঠানৰ প্ৰকাৰ; ৰাজহুৱা উপযোগিতা সেৱাৰ ভূমিকা; ভীৰৰ সময়ৰ দৰ কৌশল

অধ্যায় ১৩ ঃ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰ ১৩৮-১৪৯

ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ অৰ্থ আৰু প্ৰকাৰ; উন্নয়নশীল অৰ্থনীতিত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ভূমিকা; ভাৰতবৰ্ষত ৰাজহুৱাখণ্ডৰ প্ৰতিষ্ঠানৰ কাৰ্য্যকাৰিতা আৰু সমস্যাসমূহ

অধ্যায় ১৪ ঃ যুক্তৰাষ্ট্ৰীয় বিত্তীয় ব্যৱস্থা ১৫০-১৫৯

যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ ধাৰণা; যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ নীতি; যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাত আনুভূমিক আৰু অভিলম্বীয় সমতা; আন্তঃ চৰকাৰী সম্পদ হস্তান্তৰৰ আহিলা

অধ্যায় ১৫ ঃ ভাৰতৰ বিত্ত আয়োগ ১৬০-১৭১

ভাৰতৰ বিত্ত আয়োগ আৰু ইয়াৰ ভূমিকা; ভাৰতৰ চলিত বিত্ত আয়োগৰ পৰামৰ্শাৱলী

খণ্ড পৰিচয়

ৰাজস্ব অৰ্থবিজ্ঞান শীৰ্ষক পাঠ্যবিষয়টিৰ এইটো হ'ল দ্বিতীয় খণ্ড। এই খণ্ডটোত সাতটা অধ্যায় সন্নিৱিষ্ট কৰা হৈছে। নৱম অধ্যায়টিয়ে চৰকাৰী ঋণ সম্পৰ্কে আপোনাক আভাস দিব। চৰকাৰী ঋণৰ প্ৰাথমিক ধাৰণাসমূহ যেনে- চৰকাৰী ঋণৰ অৰ্থ, উৎস; চৰকাৰী ঋণ আৰু ব্যক্তিগত ঋণৰ পাৰ্থক্য আৰু চৰকাৰী ঋণৰ বোজাৰ বিষয়ে অধ্যায়টিত আলোচনা কৰা হৈছে। দশম অধ্যায়টিত ৰাজকোষীয় নীতিৰ বিষয়ে আলোচনা কৰা হৈছে। ৰাজকোষীয় নীতিৰ প্ৰাথমিক ধাৰণাসমূহ যেনে- ৰাজকোষীয় নীতৰ অৰ্থ, উদ্দেশ্য, আহিলা, ক্ষতিপূৰক ৰাজকোষীয় নীতি আৰু পাম্প প্ৰাইমিং, উন্নয়নশীল অৰ্থনীতিত ৰাজকোষীয় নীতিৰ ভূমিকা সম্পৰ্কে বহলাই বৰ্ণনা কৰা হৈছে। একাদশ অধ্যায়ত চৰকাৰী বাজেটৰ ধাৰণা, উপাদান আৰু শ্ৰেণী বিভাজনৰ বিষয়ে বুজোৱাৰ প্ৰয়াস কৰা হৈছে। ঘাটি বাজেটৰ কিছুমান প্ৰকাৰ যেনে- ৰাজহ ঘাটি, ৰাজকোষীয় ঘাটি, প্ৰাথমিক ঘাটিৰ আলোচনাকো অধ্যায়টিত স্থান দিয়া হৈছে। দ্বাদশ অধ্যায়টিয়ে ৰাজহুৱা উপযোগিতা সেৱাৰ অৰ্থ, বৈশিষ্ট্য আৰু ৰাজহুৱা উপযোগিতা সেৱাৰ ভূমিকা সম্পৰ্কে আপোনাক আভাস দিব। ত্ৰয়োদশ অধ্যায়ে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ অৰ্থ, প্ৰকাৰ আৰু উন্নয়নশীল অৰ্থনীতিত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ভূমিকা সম্পৰ্কে আভাস দিব। ভাৰতবৰ্ষৰ ৰাজহুৱাখণ্ডৰ প্ৰতিষ্ঠানৰ কাৰ্য্যকাৰিতা আৰু সমস্যাসমূহৰ ওপৰতো অধ্যায়টিত আলোকপাত কৰা হৈছে। চতুৰ্দশ অধ্যায়টিত যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থা সম্পৰ্কে আলোচনা কৰা হৈছে। অধ্যায়টিৰ জৰিয়তে যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ ধাৰণা, যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ নীতিসমূহ, যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাত আন্তঃ চৰকাৰী সম্পদ হস্তান্তৰৰ আহিলাসমূহ সম্পৰ্কে অৱগত হ'ব। একেবাৰে শেহৰ অধ্যায়টিত ভাৰতৰ বিত্ত আয়োগৰ অৰ্থ আৰু ভূমিকাৰ বিষয়ে বুজোৱাৰ প্ৰয়াস কৰা হৈছে। ভাৰতৰ চলিত বিত্ত আয়োগৰ পৰামৰ্শৱলী সম্পৰ্কে অৱগত হোৱাত অধ্যায়টিয়ে সহায় কৰিব। থোৱতে ক'বলৈ গ'লে, ৰাজস্ব অৰ্থবিজ্ঞানৰ বিষয়ে প্ৰাথমিক জ্ঞান লাভ কৰাত এই অধ্যায়কেইটিয়ে আপোনাক প্ৰভূত সহায় কৰিব।

এই পাঠ্যবিষয়টি অধ্যয়ন কৰোঁতে মূল পাঠৰ লগে লগে সোঁ তথা বাওঁফালে কিছুমান আয়তাকাৰ বাকচ লক্ষ্য কৰিব পাৰে। এইবোৰে আপোনাক মূল পাঠত উল্লেখ কৰা দৰকাৰী ধাৰণাসমূহ সৰল অৰ্থত বুজি পোৱাত সহায় কৰিব। 'জনা উচিত' বাকচবোৰৰ যোগে আপুনি মূল পাঠৰ সৈতে জড়িত কিছু গুৰুত্বপূৰ্ণ তথ্যৰ বিষয়ে জ্ঞান লাভ কৰিব। 'অনুশীলনী' সমূহে আপোনাৰ অধ্যয়ন অধিক সক্ৰিয় আৰু ফলপ্ৰসূ হোৱাত সহায় কৰিব। আকৌ, প্ৰতিটো শাখাৰ অধ্যয়নৰ অন্তত 'অগ্ৰগতি নিৰীক্ষণ' যোগে আগবঢ়োৱা প্ৰশ্নাৱলীয়ে অধ্যয়নৰ অগ্ৰগতি সম্পৰ্কে আপোনাক স্ব-পৰীক্ষণৰ সুবিধা প্ৰদান কৰিব। অধ্যয়নৰ লগে লগে উক্ত প্ৰশ্নাৱলীৰ উত্তৰসমূহ লিখি অধ্যায়টিৰ শেষত দিয়া 'অগ্ৰগতিৰ খতিয়ান' ৰ উত্তৰসমূহৰ সৈতে ৰিজাই চোৱাটো অধিক লাভদায়ক হ'ব।

অধ্যায় ৯ ঃ চৰকাৰী ঋণ

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ চৰকাৰী ঋণৰ প্ৰাথমিক ধাৰণাসমূহ
৯.৩.১ চৰকাৰী ঋণৰ অৰ্থ
৯.৩.২ চৰকাৰী ঋণ আৰু ব্যক্তিগত ঋণৰ পাৰ্থক্য
৯.৩.৩ চৰকাৰী ঋণৰ উৎসসমূহ
৯.৪ চৰকাৰী ঋণৰ বোজা
৯.৫ চৰকাৰী ঋণ পৰিশোধৰ উপায়সমূহ
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৭ অধিক জানিবৰ বাবে
৯.৮ অগ্ৰগতিৰ খতিয়ান
৯.৯ আৰ্হি প্ৰশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- চৰকাৰী ঋণৰ ধাৰণা ব্যাখ্যা কৰিব পাৰিব
- চৰকাৰী ঋণ আৰু ব্যক্তিগত ঋণৰ পাৰ্থক্য নিৰূপণ কৰিব পাৰিব
- চৰকাৰী ঋণৰ উৎসবোৰৰ বিষয়ে জানিব পাৰিব
- চৰকাৰী ঋণৰ বোজা নিৰ্ণয় কৰিব পাৰিব
- চৰকাৰী ঋণ পৰিশোধৰ উপায়সমূহ উল্লেখ কৰিব পাৰিব।

৯.২ পৰিচয়

আগৰ সময়ত চৰকাৰী ঋণ অনাকাংক্ষিত বুলি বিবেচনা কৰা হৈছিল আৰু ৰাষ্ট্ৰই ইয়াৰ কাৰ্য আয় অনুযায়ী কৰিব বুলি আশা কৰা হৈছিল। কিন্তু বৰ্তমান সময়ত ৰাজহ আয়ৰ লগে লগে চৰকাৰী ঋণো ৰাষ্ট্ৰৰ বিত্তৰ এক গুৰুত্বপূৰ্ণ অংশ হৈ পৰিছে। উন্নয়নমূলক কাৰ্যত বিত্তৰ যোগান ধৰাৰ লগতে বিত্তীয় নীতিৰ সু-প্ৰশাসনৰ বাবে চৰকাৰে হাতত লোৱা চৰকাৰী ঋণ নীতিয়ে কিছু বছৰৰ পৰা চৰকাৰী ঋণৰ তাৎপৰ্য বৃদ্ধি কৰিছে।

৯.৩ চৰকাৰী ঋণৰ প্ৰাথমিক ধাৰণাসমূহ

এই অধ্যায়ত চৰকাৰী ঋণৰ লগত জড়িত প্ৰাথমিক ধাৰণাসমূহ যেনে চৰকাৰী ঋণৰ অৰ্থ, চৰকাৰী ঋণ আৰু ব্যক্তিগত ঋণৰ পাৰ্থক্য আৰু চৰকাৰী ঋণৰ উৎসসমূহ সম্পৰ্কে আলোচনা কৰা হৈছে।

৯.৩.১ চৰকাৰী ঋণৰ অৰ্থ

চৰকাৰে যেতিয়া হ্ৰস্বকালীন অথবা দীৰ্ঘকালীন ধাৰ লয়, তেতিয়া চৰকাৰী ঋণৰ সৃষ্টি হয়। এইদৰে, অধ্যাপক ফিন্দলে চিৰাচ (Findlay Shirras)ৰ মতে, *'চৰকাৰী ঋণ হ'ল এনে এক ঋণ, যি ৰাষ্ট্ৰৰ নাগৰিকলৈ নিজৰ দেশৰ পৰা বা অন্য দেশৰ নাগৰিকৰ পৰা আহে।'* ভাৰতবৰ্ষত চৰকাৰী ঋণত ৰাষ্ট্ৰই বিভিন্ন মাধ্যমৰ জৰিয়তে লোৱা ধাৰ যেনে ট্ৰেজাৰী বিল, বিশেষ ঋণ বণ্ড, বজাৰ ঋণ, বিশেষ ঋণ, আৰু ভাৰতীয় ৰিজাৰ্ভ বেংকে জাৰি কৰা চিকিউৰিটী আদি অন্তৰ্ভুক্ত। ইয়াৰ উপৰিও, চৰকাৰী ঋণত বাহ্যিক উৎসৰ পৰা অহা চৰকাৰী ধাৰো অন্তৰ্ভুক্ত হৈ থাকে।

মূলতঃ চৰকাৰী ব্যয় আৰু চৰকাৰী ৰাজহৰ ঘাটি, অৰ্থাৎ বাজেট ঘাটিৰ জোৰা মাৰিবলৈ চৰকাৰী ঋণৰ ব্যৱস্থা কৰা হয়।

৯.৩.২ চৰকাৰী ঋণ আৰু ব্যক্তিগত ঋণৰ পাৰ্থক্য

ব্যক্তিগত ঋণৰ দৰে, চৰকাৰী ঋণতো সুদ পৰিশোধ কৰিব লাগে। ইয়াৰ উপৰি দুয়োবিধ ঋণ সম্পদৰ ভোগ আৰু বিনিয়োগৰ ঘাটি পূৰাবলৈ ব্যৱহাৰ কৰা হয়। তথাপিও ব্যক্তিগত ঋণক চৰকাৰী ঋণৰ পৰা বহুকেইটা দিশত পৃথক কৰিব পাৰি।

- এজন ব্যক্তিয়ে নিজৰ পৰা ঋণ ল'ব নোৱাৰে, অৰ্থাৎ আভ্যন্তৰীণ ঋণ ল'ব নোৱাৰে। কিন্তু ৰাষ্ট্ৰই ইয়াৰ নাগৰিকৰ পৰা আৰু দেশৰ ভিতৰৰ পৰা ঋণ ল'ব পাৰে অৰ্থাৎ ই আভ্যন্তৰীণ ঋণ ল'ব পাৰে।
- চৰকাৰী ঋণৰ দ্বাৰা সংগ্ৰহ কৰা সম্পদসমূহ চৰকাৰী ব্যয় হিচাপে খৰচ কৰা হয়, যাৰ সুবিধা ধাৰ দিওঁতাকে আদি কৰি সকলো নাগৰিকেই লাভ কৰে। কিন্তু ব্যক্তিগত ঋণৰ সুবিধা কেৱল ঋণ দাতাইহে উপভোগ কৰে আৰু ইয়াত ঋণ দিওঁতাজন বাহিৰত থাকে।
- ব্যক্তিগত ঋণ পৰিশোধৰ ক্ষেত্ৰত ঋণৰ পৰিশোধৰ বোজা সম্পূৰ্ণভাৱে ধৰুৱাই বহন কৰিব লাগে। কিন্তু চৰকাৰী ঋণৰ ক্ষেত্ৰত ঋণ পৰিশোধৰ বাবে সম্পদ সংগ্ৰহ কৰিবলৈ চৰকাৰে নাগৰিকৰ ওপৰত কৰ আৰোপ কৰিব পাৰে। সেয়েহে, ইয়াত ঋণ পৰিশোধৰ বোজা সকলো নাগৰিকৰ ওপৰতে পৰে, য'ত ঋণ দিওঁতাও অন্তৰ্ভুক্ত হয়।

- ব্যক্তিগত ঋণে অর্থনীতিৰ ওপৰত কোনো প্রভাৱ নেপেলায়। আনহাতে, চৰকাৰী ঋণৰ প্রভাৱ অর্থনীতিৰ বিভিন্ন সমষ্টিগত চলক, যেনে— মূলধন গঠন, মূল্যস্তৰ, আয় আৰু নিয়োগ, অর্থনৈতিক উন্নয়ন আদিত বাৰুকৈয়ে পৰে।

৯.৩.৩ চৰকাৰী ঋণৰ উৎসসমূহ

চৰকাৰী ঋণ আভ্যন্তৰীণ আৰু বাহ্যিক দুয়োটাই হ'ব পাৰে। আভ্যন্তৰীণ ঋণত ৰাষ্ট্রই ব্যক্তি, সংগঠন, বিত্তীয় প্রতিষ্ঠানসমূহ, বাণিজ্যিক বেংক আৰু কেন্দ্রীয় বেংকৰ পৰা ঋণ সংগ্রহ কৰিব পাৰে। আনহাতে, বাহ্যিক ঋণ কোনো ব্যক্তি বিশেষ, আন্তর্জাতিক বিত্তীয় প্রতিষ্ঠান আৰু বৈদেশিক চৰকাৰৰ পৰা লোৱা হ'ব পাৰে।

- **চৰকাৰী ঋণৰ আভ্যন্তৰীণ উৎস ঃ** আভ্যন্তৰীণভাৱে ৰাষ্ট্রই ঋণ ল'ব পৰা কেইটিমান উৎস হ'ল —
  - পূর্বনির্ধাৰিত সুদৰ চৰকাৰী বণ্ড ব্যক্তি বিশেষক বিক্রীৰ দ্বাৰা চৰকাৰে সম্পদ সংগ্রহ কৰিব পাৰে। এইদৰে, যিবোৰ সম্পদ ভোগ, নাইবা আন ক'ৰবাত বিনিয়োগ নহ'লেহেঁতেন বা এনেয়ে পৰি থাকিলহেঁতেন তেনে সম্পদসমূহ ই ব্যৱহাৰযোগ্য কৰি তোলে।
  - চৰকাৰী বণ্ডত বিনিয়োগ কৰা অনা বেংক বিত্তীয় প্রতিষ্ঠান, যেনে — বীমা কোম্পানী, উমৈহতীয়া পুঁজি, বিনিয়োগ নিধি, ইত্যাদিৰ পৰা এই প্রতিষ্ঠানবোৰে ক্ষতিশংকাহীন আৰু উচ্চ তৰলতাপূর্ণ বিত্তীয় সম্পদত বিনিয়োগ কৰি তথা অব্যৱহৃত নগদ জমা হ্রাস কৰাৰ উদ্দেশ্যে চৰকাৰী বণ্ডত বিনিয়োগ কৰে।
  - বাণিজ্যিক বেংকৰ পৰাও চৰকাৰে ঋণ ল'ব পাৰে। উল্লেখযোগ্য যে, বাণিজ্যিক বেংকসমূহে ইয়াৰ নগদ সংৰক্ষণৰ এটা অংশ তৰল ৰূপত ৰাখিবলৈ দায়বদ্ধ; অর্থাৎ হয় নগদ হিচাপত নাইবা চৰকাৰী চিকিউৰিটি হিচাপে জমা ৰখা ধনৰ পৰা চৰকাৰে ঋণ ল'ব পাৰে।
  - কেন্দ্রীয় বেংকৰ পৰাও চৰকাৰে ঋণ ল'ব পাৰে। কেন্দ্রীয় বেংকে বাকীত চৰকাৰী একাউণ্টত পৰিশোধ কৰিব পৰাকৈ চৰকাৰী বণ্ড ক্রয় কৰে। ইয়াৰ বিপৰীতে চৰকাৰে ঋণ দিওঁতাক কেন্দ্রীয় বেংকত থকা একাউণ্টৰ চেকৰ দ্বাৰা ঋণ পৰিশোধ কৰে।
- **চৰকাৰী ঋণৰ বাহ্যিক উৎসসমূহ ঃ** আভ্যন্তৰীণ উৎসৰ পৰা ঋণ লোৱাৰ উপৰি চৰকাৰে ইয়াৰ মূলধনী দ্রব্য, সামৰিক আহিলা, পেট্র'ল আদি আমদানি কৰিবলৈ বাহ্যিক উৎসৰ পৰাও চৰকাৰী ঋণ সংগ্রহ কৰিব পাৰে। আকৌ, যুদ্ধ আৰু প্রাকৃতিক দুর্যোগ আদিৰ দৰে সংকটৰ সময়ত বৈদেশিক ৰাষ্ট্রৰ পৰা ঋণ লোৱাটো

হৈ পৰে এক অনাকাংক্ষিত প্ৰয়োজন।

চৰকাৰী ঋণৰ বাহ্যিক উৎসসমূহ হ'ল—

- আন্তৰ্জাতিক वित्तীয় প্ৰতিষ্ঠানসমূহ, যেনে— IMF, বিশ্ব বেংক (World Bank), IFC, IDC, ADB ইত্যাদি। প্ৰতিষ্ঠাসমূহে বিভিন্ন দেশৰ বৈদেশিক লেনদেনৰ (Balance of Payments) ভাৰসাম্যহীনতা শুধৰাবলৈ হ্ৰস্বকালীন ঋণ আগবঢ়ায়। ইয়াৰ উপৰিও এই প্ৰতিষ্ঠানবোৰে উন্নয়নমুখী প্ৰকল্পত বিত্তৰ যোগান ধৰিবলৈ দীৰ্ঘকালীন ঋণো অনুমোদন কৰে।
- বন্ধুত্বপূৰ্ণ দেশসমূহেও উন্নয়নমুখী কাৰ্যত বিত্তৰ যোগান ধৰিবলৈ ঋণ আগবঢ়ায়। প্ৰাকৃতিক আৰু মানৰ সৃষ্ট সংকটৰ জোৰা মাৰিবলৈও এনে ঋণ আগবঢ়োৱা হয়।
- চৰকাৰে আন্তৰ্জাতিক বাণিজ্যিক ঋণ (যি বিভিন্ন ৰাজহুৱা খণ্ডৰ উদ্যোগক বিত্তৰ যোগান ধৰে)ও ল'ব পাৰে। কিন্তু এনে বিত্তৰ উৎস আপেক্ষিকভাৱে কম সময়ৰ বাবে আৰু উচ্চ ব্যয়তহে উপলব্ধ হয়।

IMF :
International Monetary Fund
IFC :
International Finance Corporation
IDC :
International Development Corporation
ADB :
Asian Development Bank



জানি থোৱা ভাল

ভাৰতৰ মুঠ বাহ্যিক ঋণৰ পৰিমাণ ২০০০-০১ চনত মুঠ ঘৰুৱা উৎপাদনৰ (GDP) ৩.১%ৰ পৰা ২০০৭-০৮ চনত ২.৪১% লৈ হ্ৰাস হৈছে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) চৰকাৰী ঋণ সৃষ্টি হয় যেতিয়া ৰাষ্ট্ৰই কৰ আৰোপ কৰে। (শুদ্ধ/অশুদ্ধ)

(খ) চৰকাৰী ঋণ লোৱা হয় চৰকাৰী ব্যয় আৰু চৰকাৰী ৰাজহৰ ঘাটি পূৰাবলৈ। (শুদ্ধ/অশুদ্ধ)

(গ)চৰকাৰী আৰু ব্যক্তিগত দুয়োবিধ ঋণতেই সুদৰ দায়বদ্ধতা থাকে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ২ ঃচৰকাৰী ঋণৰ বাহ্যিক উৎসকেইটা উল্লেখ কৰক। (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৯.৪ চৰকাৰী ঋণৰ বোজা

আভ্যন্তৰীণ ঋণৰ বোজা ঃ এই কথাত দ্বিমত নাই যে আভ্যন্তৰীণ চৰকাৰী ঋণে সমাজৰ ওপৰত কোনো প্ৰত্যক্ষ মৌদ্ৰিক বোজা আৰোপ নকৰে। কাৰণ ইয়াত কেৱল সমাজৰ হাতৰ পৰা সম্পদ ৰাষ্ট্ৰলৈ হস্তান্তৰ হয়, যাক চৰকাৰী ব্যয়ৰ ৰূপত সমাজক পৰিশোধ কৰা হয়। আকৌ সুদ সহ ঋণ পৰিশোধ কৰিবলৈ সম্পদ সংগ্ৰহ কৰা হয় কৰ আৰোপৰ জৰিয়তে। ইয়াৰ অৰ্থ হ'ল যে ইয়াত সমাজৰ হাতৰ পৰা ৰাষ্ট্ৰলৈ সম্পদৰ হস্তান্তৰ (কৰৰ জৰিয়তে) ঘটে। আনহাতে, এই সুদ আৰু চৰকাৰী ঋণ পৰিশোধৰ যোগেদি পুনৰ সমাজলৈ ঘূৰাই দিয়া হ'য়। সেয়েহে, আভ্যন্তৰীণ চৰকাৰী ঋণে সমাজৰ ওপৰত কোনো ধৰণৰ প্ৰত্যক্ষ মৌদ্ৰিক বোজা আৰোপ নকৰে; যিহেতু ই হ'ল জনসাধাৰণে নিজে নিজৰ ওচৰত কৰা ধাৰ। কিন্তু যদি কৰদাতা আৰু চৰকাৰী বণ্ড ধাৰক (ৰাষ্ট্ৰলৈ ধাৰ দিওঁতা) বেলেগ বেলেগ মানুহ হয়, তেনেহ'লে চৰকাৰী ঋণৰ সৃষ্টি আৰু ইয়াৰ চূড়ান্ত পৰিশোধে বণ্ড ধাৰকসকলৰ সপক্ষে আয়ৰ পুনৰ বণ্টন কৰিব পাৰে। এইদৰে, চৰকাৰী ঋণৰ পৰিণামত হোৱা আয় আৰু সম্পদৰ পুনৰ বণ্টনে সমাজৰ ওপৰত এক প্ৰকৃত বোজা আৰোপ কৰিব।

ইয়াৰ উপৰি ঋণ পৰিশোধ আঁচনিৰ বাবে আৰোপ কৰা অতিৰিক্ত কৰে চৰকাৰী ঋণৰ পৰোক্ষ প্ৰকৃত বোজাৰ সৃষ্টি কৰিব পাৰে। ইয়াত অধিক কৰ আৰোপে কাম কৰাৰ, সঞ্চয় আৰু বিনিয়োগৰ উদ্যম হ্ৰাস কৰিব পাৰে; পৰিণামত সামগ্ৰিক (Over all) উৎপাদন আৰু কল্যাণ হ্ৰাস হ'ব পাৰে।

বাহ্যিক চৰকাৰী ঋণৰ বোজা ঃ বাহ্যিক চৰকাৰী ঋণে অৰ্থনীতিৰ ওপৰত মৌদ্ৰিক আৰু প্ৰকৃত দুয়োটা বোজা সৃষ্টি কৰে। এইদৰে সুদসহ বাহ্যিক চৰকাৰী ঋণ পৰিশোধ কৰিবলৈ দেশে ইয়াৰ বৈদেশিক মুদ্ৰাৰ সংৰক্ষণ ব্যৱহাৰ কৰিব লাগে, যিয়ে ঋণৰ মৌদ্ৰিক বোজা গঠন কৰে।

আকৌ, সেই বৈদেশিক মুদ্ৰা আহৰণ কৰিবলৈ ই আমদানিতকৈ ৰপ্তানি অধিক কৰিব লাগিব। এইদৰে, দেশৰ পৰা হোৱা দ্ৰব্য আৰু সেৱাৰ বহির্গমনে কল্যাণৰ সামগ্ৰিক স্তৰ হ্ৰাস কৰে। এয়া হ'ল বাহ্যিক চৰকাৰী ঋণৰ প্ৰকৃত বোজা। কিন্তু বাহ্যিক চৰকাৰী ঋণ সদায়েই ক্ষতিকাৰক নহ'বও পাৰে। যদি এনে ঋণৰ দ্বাৰা সংগ্ৰহ কৰা সম্পদ উৎপাদনশীল বিনিয়োগৰ বাবে ব্যৱহাৰ কৰা হয়, তেনেহ'লে উৎপাদনশীল অৰ্থনীতিয়ে আয় আৰু উৎপাদন বৃদ্ধিত অৰিহণা যোগাব। এইদৰে, আহৰণ কৰা অতিৰিক্ত আয়ৰ পৰা সুদসহ ঋণ পৰিশোধৰ বাবে বিত্ত যোগান ধৰিব পাৰি। প্ৰণিধানযোগ্য যে এই ক্ষেত্ৰত প্ৰথমে নিশ্চিত হ'ব লাগিব যে ইয়াৰ ফলত কোনো ধৰণৰ অতিৰিক্ত ঋণৰ বোজা সৃষ্টি হোৱা নাই।

বাহ্যিক চৰকাৰী ঋণৰ আকাৰ আৰু ব্যৱহাৰৰ ক্ষেত্ৰত অতি সাৱধানতাৰে সিদ্ধান্ত ল'ব লাগে। কাৰণ অসাৱধনতাৰে লোৱা বাহ্যিক ঋণে এখন দেশক অনিশ্চিত সংকটৰ মাজলৈ ঠেলি দিব পাৰে, যাক কোৱা হয় ঋণ ফান্দ (debt trap)। ঋণ ফান্দ (debt

trap) হ'ল এনে এক অৱস্থা য'ত দেশ এখনে পুৰণি ঋণৰ দায়বদ্ধতাৰ জোৰা মাৰিবৰ বাবে নতুন ঋণ সৃষ্টি কৰিব লাগে। প্ৰকৃততে ই হ'ল এক চক্ৰ, যাক যিকোনো ঋণী দেশেই এৰাই চলা উচিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) চৰকাৰে কেবল আভ্যন্তৰীণ উৎসৰ পৰাহে ঋণ ল'ব পাৰে। (শুদ্ধ/অশুদ্ধ)

(খ) চৰকাৰে বাহ্যিক ঋণ পৰিহাৰ কৰি চলিব লাগে যিহেতু এইবোৰ ক্ষতিকাৰক। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৪ ঃ চৰকাৰী ঋণৰ প্ৰকৃত বোজা মানে কি বুজায়? (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

৯.৫ চৰকাৰী ঋণ পৰিশোধৰ উপায়সমূহ

চৰকাৰী ঋণৰ পৰিশোধ মানে হ'ল চৰকাৰী ঋণ ঘূৰাই দিয়া কাৰ্য। ঋণী হিচাপে ঋণ পৰিশোধৰ বাবে ৰাষ্ট্ৰৰ হাতত বহুতো বিকল্প আছে। সেইবোৰ হ'ল—

- **ঋণ পৰিশোধৰ অস্বীকাৰ** (Repudiation) ঃ ঋণ পৰিশোধৰ অস্বীকাৰ হ'ল মূলধন আৰু সুদ ঘূৰাই দিবলৈ কৰা অস্বীকাৰ। যিহেতু ইয়াত চৰকাৰে মুকলিকৈ ঋণৰ দায়বদ্ধতা অস্বীকাৰ কৰে, সেয়েহে ইয়াত বিত্তীয় বিশ্বাসযোগ্যতা সাংঘাটিকভাৱে ক্ষতিগ্ৰস্ত হয়। আভ্যন্তৰীণ ঋণৰ পৰিশোধৰ অস্বীকাৰৰ ক্ষেত্ৰত ঋণ দিওঁতাসকলৰ মাজত অস্থিৰতাই দেখা দিয়ে আৰু ৰাষ্ট্ৰৰ ভৱিষ্যতে ঋণ লোৱাৰ সামৰ্থৰ ওপৰত আঘাত পৰে। আনহাতে বৈদেশিক ঋণ পৰিশোধৰ অস্বীকাৰ কৰিলে সেই দেশক বিত্তীয় ক'লা তালিকাৰ অন্তৰ্ভুক্ত কৰা হ'ব পাৰে আৰু চূড়ান্ত অৱস্থাত সেই দেশখনে বহিঃ আক্ৰমণৰো সন্মুখীন হ'ব পাৰে।
- **পুনৰ যোগান ব্যৱস্থা** (Refunding) ঃ ঋণ পৰিশোধৰ উপায় হিচাপে পুনৰ যোগান হ'ল প্ৰচলিত ঋণ পৰিশোধৰ বাবে নতুন ঋণ লোৱা প্ৰক্ৰিয়া। ইয়াত পৰিশোধ্য পুৰণি ঋণৰ তুলনাত কম সুদৰ হাৰত নতুন চৰকাৰী ঋণৰ সৃষ্টি কৰা হয়।
- **ঋণৰ ৰূপান্তৰ** (Conversion) ঃ ঋণৰ ৰূপান্তৰ হ'ল এক বিশেষ ধৰণৰ পুনৰ যোগান ব্যৱস্থা, য'ত উচ্চ সুদৰ হাৰৰ ঋণক কম সুদৰ হাৰত পৰিশোধ্য ঋণলৈ ৰূপান্তৰ কৰা

হয়। এইদৰে, ঋণৰ ৰূপান্তৰ ঋণ পৰিশোধৰ এক প্ৰকৃত উপায় নহয়। বৰং, ইয়াত প্ৰচলিত চৰকাৰী ঋণক কম সুদৰ হাৰৰ ঋণলৈহে পৰিৱৰ্তন কৰা হয়।

- **নিমজ্জিত পুঁজি** (Sinking fund) ঃ নিমজ্জিত পুঁজি হ'ল এনে এক পুঁজি য'ত চৰকাৰে নিয়মিতভাৱে অৰিহণা যোগায়। বছৰৰ পাছত বছৰ ধৰি সঞ্চিত এই পৰিমাণ ম্যাদপূৰ্ণ হোৱা ঋণ পৰিশোধৰ বাবে ব্যৱহাৰ কৰা হয়।

  নিমজ্জিত পুঁজিৰ বাবে প্ৰয়োজনীয় অৰিহণা চৰকাৰৰ বাৰ্ষিক বাজেটৰ পৰা এফলীয়াকৈ থোৱা হয়। পুঁজিৰ অতিৰিক্ত জমা বিনিয়োগ কৰা হয় আৰু আহৰণ কৰা আয় আৰু সুদ পুঁজিত জমা থোৱা হয়। চৰকাৰে পৰিচালনা কৰা নিমজ্জিত পুঁজি চৰকাৰী ঋণ পৰিচালনাৰ এক সতৰ্ক অভিপ্ৰায় বুলি বিবেচনা কৰা হয় যিয়ে চৰকাৰৰ যোগ্যতা নিৰ্ণয় কৰে।

- **মূলধনী কৰ (Capital Levy)** ঃ মূলধনী কৰ হ'ল এককালীন আৰু উচ্চহাৰৰ কৰ, যাক অনুৎপাদনশীল পুৰণি ঋণ (যেনে, যুদ্ধৰ বাবে লোৱা ঋণ) পৰিশোধৰ বাবে জনসাধাৰণে ব্যৱহাৰ কৰা মূলধনী সম্পদৰ মূল্যৰ ওপৰত আৰোপ কৰা হয়।

মূলধনীকৰ বিশেষভাৱে যুদ্ধৰ ঋণ পৰিশোধৰ বাবে আৰোপ কৰা হয়। প্ৰথমে, ই বছৰৰ পাছত বছৰ ধৰি উচ্চহাৰৰ কৰ আৰোপৰ পৰা ৰাষ্ট্ৰক বিৰত ৰাখে। দ্বিতীয়তে, যুদ্ধৰ ঋণৰ বোজা সেইসকল পুঁজিপতিৰ দ্বাৰা বহন কৰা হ'ব লাগে, যিয়ে যুদ্ধকালীন অৰ্থনীতিৰ পৰা প্ৰচুৰ মুনাফা আদায় কৰে।

বৈদেশিক ঋণ পৰিশোধ (Redemption of external debt) ঃ বৈদেশিক ঋণ পৰিশোধ কৰিব লাগে ঋণ দিওঁতা দেশৰ মুদ্ৰাৰ মাধ্যমত। সেয়েহে বৈদেশিক ঋণ পৰিশোধ কৰিবলৈ দেশ এখনৰ বাবে আমদানিতকৈ ৰপ্তানি বেছি কৰাৰ প্ৰয়োজন, যাতে বৈদেশিক মুদ্ৰা জমা ৰাখিব পৰা যায়।

গতিকে, বৈদেশিক চৰকাৰী ঋণ অতি সাৱধানতাৰে সৃষ্টি কৰা উচিত আৰু প্ৰত্যেক বছৰতে এই ঋণৰ এটাকৈ অংশ পৰিশোধৰ বাবে চেষ্টা ৰখা উচিত যাতে, এই ঋণ পৰিচালনাৰ বাহিৰলৈ নাযায়।



জানি থোৱা ভাল

পৰিশোধৰ দায়বদ্ধতা নথকা ঋণক পুঁজিৰ যোগান ধৰা ঋণ (funded debt) বোলে। আনহাতে, পুঁজিৰ যোগান নধৰা (unfunded) ঋণ হ'ল এনে ঋণ য'ত ৰাষ্ট্ৰৰ ওপৰত পৰিশোধৰ দায়বদ্ধতা থাকে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) ঋণ পৰিশোধৰ অস্বীকাৰ হ'ল চৰকাৰী ঋণ ঘূৰাই দিবলৈ কৰা অস্বীকাৰ। (শুদ্ধ/অশুদ্ধ)

(খ) বৈদেশিক ঋণে সমাজৰ ওপৰত কোনো প্ৰত্যক্ষ প্ৰকৃত বোজাৰ সৃষ্টি নকৰে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৬ ঃ ঋণৰ ৰূপান্তৰ বুলিলে কি বুজায়? ঋণ পৰিশোধৰ ই এক উত্তম আহিলা হয় নে? যুক্তি দৰ্শাওক। (৫০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....



৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চৰকাৰী ঋণ সৃষ্টি তেতিয়া হয়, যেতিয়া ৰাষ্ট্ৰই হ্ৰস্বকালীন আৰু দীৰ্ঘকালীন ঋণ লয়।
- চৰকাৰী ঋণ ব্যক্তিগত ঋণতকৈ বহুক্ষেত্ৰত পৃথক।
- চৰকাৰী ঋণ আভ্যন্তৰীণ আৰু বাহ্যিক দুয়োটা উৎসৰ পৰা ল'ব পাৰি।
- আভ্যন্তৰীণ ঋণে কোনো প্ৰত্যক্ষ মৌদ্ৰিক বোজা সৃষ্টি নকৰে।
- বৈদেশিক ঋণে প্ৰত্যক্ষ মৌদ্ৰিক আৰু প্ৰত্যক্ষ প্ৰকৃত দুয়োটা বোজা আৰোপ কৰে।
- চৰকাৰী ঋণ পৰিশোধৰ বাবে ৰাষ্ট্ৰৰ হাতত বহুতো বিকল্প পদ্ধতি আছে।



৯.৭ অধিক জানিবৰ বাবে

১) Menkar, V.G. and Sarma, L.S. (2001). *Public Finance : Theory and Practice.* Mumbai: Himalaya Publishing House.

২) Lekhi, R.K. (2006). *Public Finance and Fiscal Policy.* Ludhiana: Kalyani Publishers.

৩) Prakash, O. (2008). *Public Economics : Theory and Practice.* Jalandhar: Vishal Publishing House.

অসমীয়া গ্ৰন্থ ঃ

১) ৰফিক আহমেদ, *ৰাজস্ব অৰ্থবিজ্ঞান*, যোৰহাট: ইউনিকা প্ৰকাশন।



৯.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ (গ) শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ চৰকাৰী ঋণৰ বাহ্যিক উৎসকেইটা হ'ল—

- আন্তৰ্জাতিক বিত্তীয় প্ৰতিষ্ঠানসমূহ, যেনে— IMF, বিশ্ব বেংক (World Bank), IFC, IDC ADB ইত্যাদি।
- বন্ধুত্বপূৰ্ণ দেশসমূহেও উন্নয়নমুখী কাৰ্যত বিত্তৰ যোগান ধৰিবলৈ ঋণ আগবঢ়ায়। প্ৰাকৃতিক আৰু মানৱ সৃষ্ট সংকটৰ জোৰা মাৰিবলৈও এনে ঋণ আগবঢ়োৱা হয়।
- চৰকাৰে আন্তৰ্জাতিক বাণিজ্যিক ঋণ (যি বিভিন্ন ৰাজহুৱা খণ্ডৰ উদ্যোগক বিত্তৰ যোগান ধৰে) ও ল'ব পাৰে। কিন্তু এনে বিত্তৰ উৎস আপেক্ষিকভাৱে কম সময়ৰ বাবে আৰু উচ্চ ব্যয়তহে উপলব্ধ হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ বাহ্যিক ঋণ পৰিশোধৰ বাবে প্ৰয়োজনীয় বৈদেশিক মুদ্ৰা আহৰণ কৰিবলৈ এখন দেশৰ চৰকাৰে আমদানিতকৈ ৰপ্তানি অধিক কৰিব লাগিব। এইদৰে, দেশৰ পৰা হোৱা দ্ৰব্য আৰু সেৱাৰ বহিৰ্গমনে কল্যাণৰ সামগ্ৰিক স্তৰ হ্ৰাস কৰে। এয়া হ'ল বাহ্যিক চৰকাৰী ঋণৰ প্ৰকৃত বোজা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) অশুদ্ধ

৬ নং প্ৰশ্নৰ উত্তৰ ঃ ঋণৰ ৰূপান্তৰ হ'ল এক বিশেষ ধৰণৰ পুনৰ যোগান ব্যৱস্থা, য'ত উচ্চ সুদৰ হাৰৰ ঋণক কম সুদৰ হাৰত পৰিশোধ্য ঋণলৈ ৰূপান্তৰ কৰা হয়। এইদৰে, ঋণৰ ৰূপান্তৰ ঋণ পৰিশোধৰ এক প্ৰকৃত উপায় নহয়। বৰং, ইয়াত প্ৰচলিত চৰকাৰী ঋণক কম সুদৰ হাৰৰ ঋণলৈহে পৰিৱৰ্তন কৰা হয়।

৯.৯ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰাষ্ট্ৰই চৰকাৰী ঋণ কিয় সৃষ্টি কৰে?

প্ৰশ্ন ২ ঃ চৰকাৰী ঋণ আৰু ব্যক্তিগত ঋণৰ পাৰ্থক্য নিৰ্ণয় কৰক।

প্ৰশ্ন ৩ ঃ চমুটোকা লিখক

(ক) নিমজ্জিত পুঁজি (খ) ৰিফাণ্ডিং (গ) ঋণৰ ৰূপান্তৰ

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চৰকাৰী ঋণৰ বোজাৰ বিষয়ে আলোচনা কৰক। বৈদেশিক ঋণৰ বোজা আভ্যন্তৰীণ ঋণৰ বোজাৰ পৰা পৃথক নেকি?

প্ৰশ্ন ২ ঃ চৰকাৰী ঋণ পৰিশোধৰ উপায়সমূহ ব্যাখ্যা কৰক।

*** **** ***

অধ্যায় ১০ ঃ ৰাজকোষীয় নীতি

অধ্যায় গাঁথনি

১০.১ উদ্দেশ্য

১০.২ পৰিচয়

১০.৩ ৰাজকোষীয় নীতিৰ প্ৰাথমিক ধাৰণাসমূহ

১০.৩.১ ৰাজকোষীয় নীতিৰ অৰ্থ

১০.৩.২ ৰাজকোষীয় নীতিৰ উদ্দেশ্য

১০.৩.৩ ৰাজকোষীয় নীতিৰ বিভিন্ন আহিলা

১০.৩.৪ ক্ষতিপূৰক ৰাজকোষীয় নীতি আৰু পাম্প প্ৰাইমিং

১০.৪ উন্নয়নশীল অৰ্থনীতিত ৰাজকোষীয় নীতি

১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১০.৬ অধিক জানিবৰ বাবে

১০.৭ অগ্ৰগতিৰ খতিয়ান

১০.৮ আৰ্হি প্ৰশ্ন

১০.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰাজকোষীয় নীতিৰ অৰ্থ সম্পৰ্কে জ্ঞাত হোৱাৰ লগতে ইয়াৰ উদ্দেশ্য নিৰূপণ কৰিব পাৰিব
- ৰাজকোষীয় নীতিৰ বিভিন্ন আহিলা সমূহ ব্যাখ্যা কৰিব পাৰিব
- ক্ষতিপূৰক ৰাজকোষীয় নীতিৰ ভূমিকা মূল্যায়ন কৰিব পাৰিব
- উন্নয়নশীল অৰ্থনীতিৰ বাবে ৰাজকোষীয় নীতিৰ ৰূপৰেখা জানিব পাৰিব।

১০.২ পৰিচয়

ৰাজকোষীয় নীতি হ'ল সমষ্টিগত অৰ্থবিজ্ঞানৰ এক প্ৰধান আহিলা। বিভিন্ন বাঞ্ছিত অৰ্থনৈতিক উদ্দেশ্যত উপনীত হ'বৰ বাবে অনান্য সমষ্টিগত অৰ্থনৈতিক আহিলা, যেনে— মুদ্ৰানীতি, বৈদেশিক বাণিজ্য নীতি, আয় আৰু বাণিজ্য নীতি, আয় আৰু নিয়োগ নীতি, সঞ্চয় আৰু বিনিয়োগ নীতি, ইত্যাদিৰ সৈতে একত্ৰীকৰণ কৰি ইয়াক ব্যৱহাৰ কৰা হয়। ৰাজকোষীয় নীতিত ব্যৱহাৰ কৰা মুখ্য আহিলাসমূহ হ'ল— কৰ, চৰকাৰী ব্যয় আৰু চৰকাৰী ঋণ।

১০.৩ ৰাজকোষীয় নীতিৰ প্ৰাথমিক ধাৰণাসমূহ

এই শাখাটোত ৰাজকোষীয় নীতিৰ লগত জড়িত প্ৰাথমিক ধাৰণাসমূহ যেনে ৰাজকোষীয় নীতৰ অৰ্থ, উদ্দেশ্য, ইয়াৰ বিভিন্ন আহিলা সমূহ আৰু ক্ষতিপূৰক ৰাজকোষীয় নীতি আৰু পাম্প প্ৰাইমিং আদিৰ বিষয়ে অধ্যয়ন কৰা হৈছে।

১০.৩.১ ৰাজকোষীয় নীতিৰ অৰ্থ

ৰাজকোষীয় নীতি বুলিলে সেইবোৰ নীতিক বুজা যায়, য'ত ৰাষ্ট্ৰই ইয়াৰ বাজেট সম্পৰ্কীয় তিনিটা আহিলা, যথা— কৰ, চৰকাৰী ব্যয় আৰু চৰকাৰী ঋণ— বিভিন্ন অৰ্থনৈতিক আৰু সামাজিক উদ্দেশ্যত উপনীত হ'বৰ বাবে ব্যৱহাৰ কৰে। উদাহৰণস্বৰূপে, কোনো বিশেষ পণ্য সামগ্ৰিৰ উৎপাদনক উৎসাহিত কৰিবলৈ বা নিৰুৎসাহিত কৰিবলৈ কৰ (tax) ব্যৱহাৰ কৰিব পাৰি, য'ত ইয়াৰ প্ৰাথমিক কাৰ্য (ৰাজহ সংগ্ৰহ) বিবেচনা কৰা নহয়। আন কথাত ক'বলৈ গ'লে, চৰকাৰী ব্যয় আৰু চৰকাৰী ঋণ এই দুই আহিলা ৰাজকোষীয় নীতিৰ এক অংশ হিচাবে ব্যৱহাৰ কৰাৰ প্ৰাথমিক উদ্দেশ্য হ'ল সামাজিক কল্যাণ।

এইদৰে, বিভিন্ন অৰ্থনৈতিক আৰু সামাজিক উদ্দেশ্যত উপনীত হ'বৰ বাবে ৰাজকোষীয় নীতিৰ তিনিটা বাজেটীয় আহিলা, অৰ্থাৎ— কৰ, চৰকাৰী ব্যয় আৰু চৰকাৰী ঋণ সামূহিকভাৱে ব্যৱহাৰ কৰা হয়।

১০.৩.২ ৰাজকোষীয় নীতৰ উদ্দেশ্য

ৰাজকোষীয় নীতিৰ উদ্দেশ্যসমূহ তলত আলোচনা কৰা হ'ল-

- **পূৰ্ণ নিয়োগ (Full Employment) ঃ** পূৰ্ণ নিয়োগ হ'ল উন্নয়নশীল দেশসমূহৰ ৰাজকোষীয় নীতিৰ এক উমৈহতীয়া লক্ষ্য। ৰাজকোষীয় নীতিয়ে নিবনুৱা আৰু অপূৰ্ণ নিয়োগ অৱস্থাৰ (under Employment) ৰ পৰিসৰ হ্ৰাস কৰাত গুৰুত্ব প্ৰদান কৰে। সামাজিক কাৰ্য্যত আৰু চৰকাৰী খণ্ডৰ উদ্যোগসমূহত হোৱা চৰকাৰী ব্যয়ে নিয়োগৰ সুবিধা সৃষ্টি কৰাত যথেষ্ট অৰিহণা যোগায়। তদুপৰি, গ্ৰাম্যাঞ্চলত উদ্যোগ স্থাপন কৰিবলৈ চৰকাৰে প্ৰদান কৰা কৰ অৱকাশ আৰু ৰাজসাহায্যই নিয়োগৰ সুবিধা বৃদ্ধি কৰাত যথেষ্ট সহায় কৰে।
- **মূল্য স্থিৰতা (Price Stability) ঃ** মূল্য স্থিৰতা সাধাৰণতে বিশ্বৰ সকলো দেশৰে এক প্ৰাথমিক উদ্দেশ্য। দেশৰ অৰ্থনীতিত মন্দাৱস্থা আৰু মুদ্ৰাস্ফীতি নিয়ন্ত্ৰণ কৰাটো ৰাজকোষীয় নীতি সমূহৰ লক্ষ্য হোৱা উচিত। কাৰণ মূল্যৰ সামান্য বৃদ্ধিয়ে মূলধন গঠন আৰু বিনিয়োগ কাৰ্য্যত উৎসাহ যোগায় যদিও উচ্চ হাৰত হোৱা মুদ্ৰাস্ফীতিয়ে উন্নয়নৰ ক্ষেত্ৰত অন্তৰায় ৰূপে থিয় দিয়ে। ফলত সামগ্ৰিক চাহিদা

আৰু সামগ্রিক যোগানৰ মাজত অসন্তুলনৰ সৃষ্টি হয়।

- **অর্থনৈতিক বিকাশৰ গতি তৰান্বিত কৰা (To accelerate the rate of economic growth)** ঃ উন্নয়নশীল দেশসমূহত অর্থনৈতিক বিকাশ ত্বৰান্বিত কৰা ৰাজকোষীয় নীতিৰ আন এক প্রধান উদ্দেশ্য। কিন্তু অর্থনৈতিক স্থিৰতা অবিহনে উচ্চ হাৰৰ অর্থনৈতিক বিকাশ তথা ইয়াক বজাই ৰখাটো সম্ভৱপৰ নহয়। সেইকাৰণে ৰাজকোষীয় মাপ (measure) সমূহ এনেধৰণে ব্যৱহাৰ কৰা উচিত যাতে ই উৎপাদন, উপভোগ আৰু বিতৰণৰ ক্ষেত্রত বিশেষভাৱে প্রভাৱ পেলাৱ নোৱাৰে। তদুপৰি ই সমগ্র অর্থনীতিটোক উৎসাহ যোগোৱা উচিত,যাতে ইয়াৰ দ্বাৰা ৰাষ্ট্রীয় আয় আৰু জনমূৰি আয় বৃদ্ধিত সহায়ক হয়।
- **সম্পদৰ সর্বোৎকৃষ্ট আৱণ্টন (Optimum allocation fo resources)** ঃ উন্নয়নশীল দেশসমূহত সম্পদৰ নাটনিয়ে অর্থনৈতিক ক্ষেত্রত বাৰুকৈ প্রভাৱ পেলায়। সেইহেতুকে সম্পদৰ সর্বোৎকৃষ্ট আৱন্টন ৰাজকোষীয় নীতিৰ আন এক প্রাথমিক উদ্দেশ্য হিচাপে চিহ্নিত হৈছে। ৰাজকোষীয় মাপ (measure) সমূহে বিভিন্ন ধৰণৰ বৃত্তি (occupation) আৰু খণ্ডত সম্পদৰ যথোপযুক্ত আৱণ্টনৰ ক্ষেত্রত বহুলভাৱে অৱিহনা যোগায়।
- **সম্পদ আৰু আয়ৰ সম বিতৰণ (Equitable distribution of wealth and income)** ঃ সমাজৰ বিভিন্ন স্তৰৰ মানুহৰ মাজত থকা আয় আৰু সম্পদৰ অত্যাধিক ব্যৱধান অর্থনৈতিক বিকাশৰ বাবে ক্ষতিকাৰক। উন্নয়নশীল দেশসমূহত এই ধৰণৰ ব্যৱধান অধিক মাত্রাত পৰিলক্ষিত হয়। চৰকাৰৰ সঠিক ৰাজকোষীয় নীতিয়ে এই ব্যৱধান হ্রাস কৰণত এক যোগসূত্র হিচাপে কাম কৰে।
- **অর্থনৈতিক স্থিৰতা (Economic Stability)** ঃ ৰাজকোষীয় আহিলা সমূহে হ্রস্বকালীন আন্তর্জাতিক চক্রীয় উত্থান পতনৰ সময়ত অর্থনৈতিক স্থিৰতা অনাত সহায় কৰে। এনেধৰণৰ উত্থান পতনে বাণিজ্যৰ ক্ষেত্রত ৰূপান্তৰ ঘটায়, যিটো উন্নত দেশসমূহৰ অর্থনীতিৰ বাবে অনুকূল আৰু উন্নয়নশীল দেশসমূহৰ বাবে প্রতিকূল। সেয়েহে অর্থনৈতিক স্থিৰতা আনিবলৈ হ'লে, ৰাজকোষীয় পদ্ধতিসমূহে বাজেট সম্বন্ধীয় প্রক্রিয়াত নমনীয়তা অনুকৰণ কৰা উচিত যাতে চৰকাৰী আয় আৰু ব্যয়ে ৰাষ্ট্রীয় আয়ৰ উত্থান বা পতনৰ সময়ত পৰিপূৰক হিচাপে প্রভাৱ পেলাব পাৰে।
- **মূলধন গঠন আৰু বিকাশ (Capital formation and Growth)** ঃ ৰাজকোষীয় নীতিয়ে উচ্চ হাৰত মূলধন গঠনৰ ক্ষেত্রত এক বিশেষ আহিলা হিচাপে কাম কৰে। এখন উন্নয়নশীল অর্থনীতিত মূলধন গঠনৰ অভাৱৰ বাবে দৰিদ্রতাৰ পাক চক্র পৰিলক্ষিত হয়। এই চক্র নাইকিয়া কৰিবলৈ হ'লে এক সন্তুলিত বিকাশৰ প্রয়োজন যিটো উচ্চ হাৰত মূলধন গঠনৰ জৰিয়তে সম্ভৱপৰ কৰিব পাৰি।

- **বিনিয়োগত উৎসাহ যোগোৱা (Encouraging Investment) ঃ** মূলধন গঠনৰ (accumulation) ৰ জৰিয়তে বিনিয়োগ বৃদ্ধি কৰিব পাৰি। অধিক বিনিয়োগৰ বাবে অধিক সঞ্চয় নাইবা বিদেশী সহযোগ (Foreign assistance) ৰ প্ৰয়োজন। অকলমাত্ৰ ৰাইজৰ স্বেচ্ছামূলক সঞ্চয় (voluntary savings) ইয়াৰ বাবে যথেষ্ঠ নহয়। যিহেতু উন্নয়নশীল অৰ্থনীতিত মানুহৰ জমা কৰাৰ ক্ষমতা একেবাৰে কম গতিকে ৰাজকোষীয় নীতিয়ে জমা আৰু বিনিয়োগৰ ওপৰত বিশেষভাৱে গুৰুত্ব প্ৰদান কৰা উচিত।

১০.৩.৩ ৰাজকোষীয় নীতিৰ বিভিন্ন আহিলা

ৰাজকোষীয় নীতিৰ বিভিন্ন আহিলা সমূহ তলত আলোচনা কৰা হ'ল-

- **ৰাজহুৱা ব্যয় (Public Expenditure) ঃ** ৰাজহুৱা ব্যয় ৰাজকোষীয় নীতিৰ এক গুৰুত্বপূৰ্ণ আহিলা। মনকৰিবলগীয়া যে ৰাজহুৱা ব্যয়ৰ ক্ষেত্ৰত হোৱা তাৰতম্যই বিভিন্ন স্তৰৰ অৰ্থনৈতিক কাৰ্য্যকলাপৰ ওপৰত বিশেষভাৱে প্ৰভাৱ পেলাৱ পাৰে, আৰু এই প্ৰভাৱ কৰতকৈও অধিক পোনপটীয়া হোৱাৰ সম্ভাৱনা থাকে। বৰ্ধিত বিনিয়োগৰ দৰে বৰ্ধিত ৰাজহুৱা খৰচেও আয়, উৎপাদন আৰু নিয়োগৰ ক্ষেত্ৰত বহুমুখী প্ৰভাৱ পেলায়। ঠিক তেনেদৰে, ৰাজহুৱা ব্যয় হ্ৰাস হোৱাৰ লগে লগে ই চৰকাৰী ব্যয়ৰ গুণকৰ বিপৰীত কাৰ্যবিধিৰ জৰিয়তে বিভিন্ন স্তৰৰ অৰ্থনৈতিক কাৰ্য্যকলাপ কমাই আনিব পাৰে।
- **কৰ নিৰ্ধাৰণ (Taxation) ঃ** ৰাজকোষীয় নীতিৰ আন এক শক্তিশালী আহিলা হ'ল কৰ নিৰ্ধাৰণ, যি ন্যস্ত থাকে চৰকাৰী কৰ্তৃপক্ষৰ ৰ হাতত। কৰ নিৰ্ধাৰণে অৱশিষ্ট আয় (Disposable income) উপভোগ আৰু বিনিয়োগৰ ক্ষেত্ৰত হোৱা সালসলনিৰ ওপৰত বিশেষভাবে প্ৰভাৱ বিস্তাৰ কৰে। এক মন্দাৱস্থা ৰোধকাৰী কৰ নীতিয়ে ব্যক্তিৰ অৱশিষ্ট আয় বৃদ্ধি কৰাৰ লগতে উপভোগ আৰু বিনিয়োগৰ ক্ষেত্ৰত উৎসাহ যোগায়। নিশ্চিতভাৱে, কৰ-হ্ৰাসৰ সময়ত ব্যক্তিৰ হাতত উপভোগ আৰু বিনিয়োগৰ বাবে অধিক পূঁজি মজুত থাকে, আৰু ইয়ে কৰ দাতাসকলৰ ব্যয় কৰাৰ ক্ষমতা বৃদ্ধি কৰে।
- **চৰকাৰী ঋণ (Government borrowing) ঃ** ৰাজকোষীয় নীতিৰ তৃতীয়টো আহিলা হ'ল চৰকাৰী ঋণ। ৰাজহুৱা ঋণ নীতিয়ে তৰল সামগ্ৰীৰ জৰিয়তে সামগ্ৰিক চাহিদাৰ ওপৰত প্ৰভাৱ বিস্তাৰ কৰে। যেতিয়া চৰকাৰে কোনো ঋণ আগবঢ়ায় তেতিয়া ৰাইজৰ পৰা চৰকাৰলৈ পূঁজিৰ স্থানান্তৰ ঘটা পৰিলক্ষিত হয়, যিয়ে ৰাইজৰ ক্ৰয় ক্ষমতা হ্ৰাস কৰি আনে। একেধৰণে সূত আৰু ঋণ পৰিশোধৰ সময়ত চৰকাৰৰ পৰা ৰাইজলৈ পূঁজীৰ স্থানান্তৰ ঘটে, যিয়ে পুনৰ ৰাইজৰ হাতত ক্ৰয় ক্ষমতা বৃদ্ধি কৰে।

- **ৰাজহুৱা বাজেট(Public Budget) ঃ** ৰাজহুৱা বাজেট হ'ল আগস্তুক বৰ্ষৰ প্ৰত্যাশিত আয় আৰু প্ৰস্তাৱিত ব্যয়ৰ নিৰ্দেশ থকা এক বিত্তীয় বিৱৰণ। এই বিষয়ে পৰৱৰ্তী অধ্যায়ত বিতংভাৱে আলোচনা কৰা হ'ব।
- **ৰাজহুৱা কাৰ্য্য (Public Works) ঃ** বিশিষ্ট অৰ্থনীতিবিদ কেইন্স (Keynes)এ উল্লেখ কৰা মতে **ৰাজহুৱা কাৰ্য্য** হ'ল মন্দাৱস্থা ৰোধকাৰী এক অতিকৈ গুৰুত্বপূৰ্ণ আহিলা। ব্যয় দুইধৰণৰ দেখা যায়, এক হ'ল ৰাজহুৱা কাৰ্যত হোৱা ব্যয় যেনে- ৰাস্তা, ৰেলপথ, বিদ্যালয়, উদ্যান, বিমানবন্দৰ, চিকিৎসালয়, জলসিঞ্চনৰ বাবে কৃত্রিম নলা ইত্যাদি কাৰ্য্যত হোৱা ব্যয় আৰু আন এক ব্যয় হ'ল হস্তান্তৰযোগ্য পৰিশোধ যেনে- ৰাজহুৱা ঋণৰ সুত পৰিশোধ, ৰাজসাহায্য, পেঞ্চন, বীমা, সামাজিক সুৰক্ষা সুবিধা ইত্যাদি কাৰ্য্যত হোৱা ব্যয়।

  তলত উল্লেখ কৰা বৈশিষ্ট্য সমূহৰ আধাৰত ৰাজহুৱা কাৰ্য্যক মন্দাৱস্থা ৰোধকাৰী উপায় বুলি ধৰা হয়-

  - ই নিবনুৱা সমস্যা হ্রাস কৰে
  - ৰাজহুৱা কাৰ্য্যৰ দ্বাৰা ক্রয় ক্ষমতা বৃদ্ধি হয়, যাৰফল স্বৰূপে উপভোগ্য সামগ্রীৰ চাহিদাৰ বৃদ্ধি ঘটে
  - ই অৰ্থনৈতিক আৰু সামাজিক ক্ষেত্রত ব্যৱহাৰ যোগ্য মূলধন জাত সম্পত্তি সৃষ্টি কৰাত সহায় কৰে।

১০.৩.৪ ক্ষতিপূৰক ৰাজকোষীয় নীতি আৰু পাম্প প্রাইমিং

পুঁজিবাদী অৰ্থনীতিত নিয়মিত উঠা নমা দেখা যায়, যিয়ে উত্থান আৰু পতনৰ সৃষ্টি কৰে। এয়া যদি নিয়ন্ত্রণ কৰা নহয়, তেনেহ'লে এনে উত্থানে আকস্মিক ব্যৱসায়িক সমৃদ্ধিলৈ (boom) গতি কৰিব পাৰে; আনহাতে, এনে পতনে অৰ্থনৈতিক মন্দাৱস্থাৰো সৃষ্টি কৰিব পাৰে। উত্থানৰ সময়ত সামগ্রিক চাহিদা (aggregate demand)ই সামগ্রিক যোগান অতিক্রম কৰে; পৰিণামস্বৰূপে, মূল্য বৃদ্ধি, মুনাফা বৃদ্ধিৰ লগতে আয়, উৎপাদন আৰু নিয়োগো বৃদ্ধি হয়। কিন্তু যদি এই উত্থান নিয়ন্ত্রণ কৰা নহয়, তেনেহ'লে ই দ্রুতগতিৰ মুদ্রাস্ফীতিৰ সৃষ্টি কৰিব আৰু অৰ্থনীতিটোত মহা অস্থিৰতাৰ সৃষ্টি হ'ব। বিপৰীতভাৱে, যদি সামগ্রিক চাহিদা সামগ্রিক যোগানতকৈ কম হয়, তেনেহ'লে অবিৰতভাৱে মূল্যস্তৰ কমিব আৰু পৰিণামস্বৰূপে মুনাফা হ্রাস হ'ব আৰু লগতে বিনিয়োগ, উৎপাদন, আয় আৰু নিয়োগৰ সংকোচন হ'ব। আৰু যদি ইয়াক নিয়ন্ত্রণ কৰা নহয়, তেনেহ'লে অৰ্থনৈতিক মন্দাৱস্থাৰ সৃষ্টি হ'ব।

উত্থান-পতন বিৰোধী আহিলা হিচাবে ক্ষতিপূৰক ৰাজকোষীয় নীতি (compensatory fiscal policy)-এ মুদ্রাস্ফীতি আৰু অৱস্ফীতি দুয়োটাকে

নিয়ন্ত্রণৰ জৰিয়তে মূল্য স্থিৰতা বজাই ৰখাৰ চেষ্টা কৰে। এইদৰে, এই কৌশলত মুদ্রাস্ফীতিৰ সময়ত সামগ্রিক চাহিদা হ্রাস কৰা আৰু অৱস্ফীতিৰ সময়ত সামগ্রিক চাহিদা বৃদ্ধি কৰা হয়।

এইদৰে, মুদ্রাস্ফীতিৰ সময়ত ৰাষ্ট্রই কৰ বৃদ্ধি আৰু চৰকাৰী ব্যয় কর্তন কৰে। ই অর্থনীতিৰ ৰাহি পুঁজিসমূহ চৰকাৰী ঋণৰ দ্বাৰা সঞ্চালন কৰাৰো চেষ্টা কৰে। বিপৰীতে, অৱস্ফীতিৰ সময়ত কৰ কর্তন আৰু চৰকাৰী ব্যয় বৃদ্ধিৰ জৰিয়তে অর্থনীতিটোত সামগ্রিক চাহিদা বৃদ্ধি কৰিব বিচৰা হয়। পূর্বৰ বিভিন্ন ঋণ পৰিশোধৰ জৰিয়তে জনসাধাৰণলৈ অধিক ক্রয় ক্ষমতা দিবলৈও ৰাষ্ট্রই চেষ্টা কৰে। এইদৰে ওপৰত উল্লেখ কৰাৰ দৰে অর্থনীতিটোৰ মূল্য স্থিৰতা বজাই ৰখাৰ দিশত পৰিচালিত ৰাজকোষীয় নীতিক ক্ষতিপূৰক ৰাজকোষীয় নীতি বুলি কোৱা হয়। ব্যৱসায়িক উত্থান পতনৰ দ্বাৰা সৃষ্ট মুদ্রাস্ফীতি আৰু অৱস্ফীতি নিয়ন্ত্রণ কৰিবলৈ ইয়াত ৰাষ্ট্রই কৰ, চৰকাৰী ব্যয় আৰু চৰকাৰী ঋণ পৰিচালনাৰ এক উপযুক্ত মিশ্রণ ব্যৱহাৰ কৰে।

পাম্প প্রাইমিং (Pump priming) ঃ পাম্প প্রাইমিং হ'ল নিম্নগামী হ'বলৈ ধৰা স্থবিৰ অর্থনীতি এটাক পুনৰুজ্জীৱিত কৰিবলৈ ৰাষ্ট্রৰ দ্বাৰা কৰা এককালীন ৰাজকোষীয় হস্তক্ষেপ। পাম্প প্রাইমিঙত অর্থনীতিলৈ বুজন পৰিমাণৰ ক্রয় ক্ষমতা প্রদান কৰা হয় আৰু সেয়া এককালীন চৰকাৰী ব্যয় হিচাবে বহন কৰা হয়। এনে এক প্রচেষ্টাৰ দ্বাৰা সামগ্রিক চাহিদা বৃদ্ধি কৰাৰ প্রত্যাশা কৰা হয়, যাৰ ফলত মূল্য উর্দ্ধগামী হোৱাৰ লগতে উচ্চলাভ, বিনিয়োগ, আয়, উৎপাদন আৰু নিয়োগৰ সম্প্রসাৰণ ঘটে।

পাম্প প্রাইমিঙৰ ব্যৱহাৰ স্বত্বেও ইয়াৰ 'এককালীন' প্রকৃতিৰ বাবে ই গুৰুতৰ পতন বিপৰীত মুখী কৰাত ব্যর্থ হয়। সেয়েহে, বাণিজ্য চক্র বিৰোধী আহিলা হিচাবে ইয়াক প্রভাৱ সাময়িক মাত্র আৰু ইয়াক অধিক কার্যকৰী কৰিবৰ বাবে ইয়াক অন্যান্য ৰাজকোষীয় আৰু মৌদ্রিক নীতিৰ দ্বাৰা সমর্থন কৰা উচিত।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) মুদ্রাস্ফীতিৰ সময়ত চৰকাৰে কৰৰ হাৰ হ্রাস কৰে আৰু চৰকাৰী ব্যয় বৃদ্ধি কৰে। (শুদ্ধ/অশুদ্ধ)

(খ) পাম্প প্রাইমিং এককালীন চৰকাৰী ব্যয়। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ২ ঃ ৰাজকোষীয় নীতৰ দুটা উদ্দেশ্য উল্লেখ কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্ৰশ্ন ৩ ঃ ক্ষতিপূৰক ৰাজকোষীয় নীতিয়ে কেনেদৰে অৰ্থনৈতিক সুস্থিৰতা ৰক্ষাত সহায় কৰে? (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....

১০.৪ উন্নয়নশীল অৰ্থনীতিত ৰাজকোষীয় নীতিৰ ভূমিকা

উন্নত আৰু উন্নয়নশীল দুয়ো প্ৰকাৰৰ অৰ্থনীতিতে ৰাজকোষীয় নীতি তাৎপৰ্যপূৰ্ণ, যদিও ইয়াৰ ভূমিকা দুয়োটা অৰ্থনীতিতে পৃথক।

উন্নয়নশীল অৰ্থনীতি এটাৰ মূল বৈশিষ্ট্যসমূহ হ'ল— নিম্ন আয়, উচ্চ নিবনুৱা অৱস্থা, অপৰ্যাপ্ত মূলধন গঠন, নিম্ন সঞ্চয় আৰু বিনিয়োগ আৰু উচ্চ মুদ্ৰাস্ফীতি। প্ৰকৃততে, এক অতি নিম্ন আয়ৰ যিকোনো অৰ্থনৈতিক উঠা নমা ঘটে।

উন্নয়নশীল অৰ্থনীতিৰ এনে স্থবিৰতাৰ বাবে সাৰ্বজনীনভাৱে স্বীকৃত হৈছে যে অৰ্থনৈতিক এনে উত্থান-পতনৰ পৰা ৰক্ষা কৰিবলৈ বজাৰ শক্তিক উজ্জীৱিত কৰাৰ বাবে ৰাষ্ট্ৰৰ হস্তক্ষেপ আৱশ্যকীয়। উন্নয়নশীল অৰ্থনীতিত ৰাজকোষীয় নীতিৰ উদ্দেশ্যসমূহ হ'ল —

- **দ্ৰুত অৰ্থনৈতিক উন্নয়ন আহৰণ কৰা ঃ** অপৰ্যাপ্ত মূলধনৰ বাবে উন্নয়নশীল অৰ্থনীতিৰ উন্নয়নৰ হাৰ অতি নিম্ন। সেয়েহে, যথোপযুক্ত ৰাজকোষীয় নীতিৰ লক্ষ্য হোৱা উচিত ৰাজহুৱা তথা ব্যক্তিগত দুয়োটা খণ্ডতে মূলধন গঠন তৰান্বিত কৰা। অৰ্থনৈতিক আৰু সামাজিক আন্তঃগাঁথনি নিৰ্মাণ আৰু গুৰু তথা প্ৰাথমিক উদ্যোগ খণ্ডত বিনিয়োগৰ ওপৰত বিশেষ গুৰুত্ব দিয়া উচিত। উপৰ্যুক্ত পৰামৰ্শসমূহ ঔদ্যোগিক উন্নয়নৰ বাবে উপযোগী। একেদৰে, সমতাপূৰ্ণ উন্নয়নৰ বাবে কৃষি ক্ষেত্ৰৰ উন্নয়নৰ বাবেও উৎসাহ যোগোৱা উচিত। এনে কৰাৰ প্ৰয়োজনীয়তা হ'ল— উদ্যোগ আৰু কৃষি পৰস্পৰ নিৰ্ভৰশীল আৰু অৰ্থনীতিৰ সৰ্বাধিক উন্নয়নৰ লক্ষ্য আহৰণৰ পিনৰ পৰাও ই সমানেই গুৰুত্বপূৰ্ণ।
- **বিনিয়োগ প্ৰবাহৰ পুনৰ নিৰ্দেশ ঃ** সীমিত বিনিয়োগক ফটকা (Speculative) আৰু অনুৎপাদনশীল উদ্দেশ্যৰ পৰা অধিক উৎপাদনশীল ব্যৱহাৰলৈ পুনৰ নিৰ্দেশ কৰিবৰ বাবে ৰাজকোষীয় নীতি ব্যৱহাৰ কৰিব পাৰি। ফটকা আৰু সামাজিকভাৱে অনুৎপাদনশীল বিনিয়োগৰ ওপৰত উচ্চ হাৰৰ কৰ আৰোপ

আৰু সামাজিকভাৱে উৎপাদনশীল কার্যত বিনিয়োগ কৰিবলৈ সাহার্য প্রদান আৰু কৰ কর্তনৰ দ্বাৰা এনে কৰিব পাৰি।

- **মুদ্রাস্ফীতি নিয়ন্ত্রণ ঃ** বৃহৎ চৰকাৰী উন্নয়নমূলক ব্যয়, ৰাষ্ট্রৰ বর্দ্ধিত কল্যাণকামী কার্যাৱলী, সম্প্রসাৰিত প্রশাসনিক কাম-কাজ, ৰাইজৰ উচ্চ ভোগ প্রৱণতা এই সকলোবোৰে অর্থনীতিত ব্যাপক মুদ্রাস্ফীতিৰ চাপ সৃষ্টি কৰে। সাধাৰণতে, বেছি ভাগ সময় সামগ্রিক যোগানতকৈ সামগ্রিক চাহিদাৰ মাত্রাধিক্যই অর্থনীতিত চাহিদা মুদ্রাস্ফীতিৰ সৃষ্টি কৰে।

  এই ক্ষেত্রত, ৰাজকোষীয় নীতিক মুদ্রাস্ফীতি বিৰোধী আহিলা হিচাবে ব্যৱহাৰ কৰিব পাৰি, যাতে অর্থনীতিৰ পৰা মাত্রাধিক ক্রয় ক্ষমতা বাহিৰ উলিয়াই দিব পাৰি আৰু এনেকৈ সামগ্রিক চাহিদা হ্রাসৰ জৰিয়তে মূল্য বৃদ্ধিও হ্রাস হয়।
- **বিতৰণমূলক ন্যায় প্রৱর্তনৰ বাবে ঃ** উন্নয়নশীল অর্থনীতিত আয় আৰু সম্পদৰ বিতৰণত ব্যাপক অসমতা থাকে বাবে ৰাজকোষীয় নীতিয়ে এনে অর্থনীতিত উল্লেখযোগ্য পুনৰ বিতৰণ কৰিবলৈ চেষ্টা কৰা উচিত।

এনে এক উদ্দেশ্য পূৰণৰ বাবে কৰ নীতিত ক্রমবর্দ্ধমান প্রকৃতিৰ প্রত্যক্ষ কৰ গাঁথনি থকা উচিত। আকৌ, পৰোক্ষ কৰ গাঁথনি এনে হোৱা উচিত, যাতে ধনী শ্রেণীয়ে ভোগ কৰা বিলাসী সামগ্রিতহে উচ্চ হাৰৰ কৰ আৰোপ কৰা হয়। বিপৰীত ক্রমে, দুখীয়া শ্রেণীয়ে ভোগ কৰা অত্যাৱশ্যকীয় সামগ্রিৰ ওপৰত লঘু কৰ আৰোপ কৰা উচিত।

ব্যয়ৰ ক্ষেত্রত ৰাষ্ট্রই এনে নীতি লোৱা উচিত, যাতে দুখীয়া শ্রেণীয়ে বহুলভাৱে ভোগ কৰা সামগ্রি আৰু সেৱাৰ ক্ষেত্রত ৰাজ সাহার্য (subsidy) দিয়া হয়। এনে সেৱা আৰু সামগ্রিৰ অন্তর্ভুক্ত বিষয়বোৰ হ'ল— কম ব্যয়ৰ গৃহ নির্মাণ, বিনামূলীয়া চিকিৎসা সেৱা আৰু প্রাথমিক শিক্ষা। ইয়াৰ উপৰি শ্রম প্রধান উদ্যোগসমূহক কৰ-বিৰতি আঁচনিৰ জৰিয়তে উন্নীত কৰিব পাৰি।

থোৰতে ক'বলৈ হ'লে, ৰাজকোষীয় নীতি হ'ল এবিধ অত্যন্ত শক্তিশালী আহিলা, যাক উন্নয়নশীল অর্থনীতিৰ বিভিন্ন বাঞ্ছিত আর্থ-সামাজিক উদ্দেশ্যত উপনীত হোৱাৰ বাবে ব্যৱহাৰ কৰিব পাৰি। কিন্তু উন্নয়নশীল অর্থনীতিৰ গাঁথনিগত দুর্বলতাৰ বাবে ৰাজকোষীয় নীতিৰ সফলতাৰ ক্ষেত্রত বহুতো সীমাবদ্ধতা আহি পৰে।



জানি থোৱা ভাল

ক্রমবর্দ্ধমান প্রত্যক্ষ কৰে উন্নয়নশীল অর্থনীতিত বিতৰণমূলক ন্যায়ত উপনীতি হোৱাৰ চেষ্টা চলায়। অৱশ্যে সম্পদ সংগ্রহৰ ক্ষেত্রত ই যথেষ্ট নহয়, কাৰণ এনে অর্থনীতিৰ কৰ ভিত্তিটো খুব নিম্ন স্তৰৰ।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) ৰাজকোষীয় নীতিয়ে অর্থনীতিৰ উত্থানক উৎসাহিত কৰে। (শুদ্ধ/অশুদ্ধ)

(খ) উন্নয়নশীল দেশে ক্রমহ্রাসমান প্রকৃতিৰ কৰ গাঁথনি প্রস্তুত কৰা উচিত । (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ৫ ঃ উন্নয়নশীল অর্থনীতিত ৰাজকোষীয় নীতিয়ে কেনেদৰে অনুৎপাদনশীল উদ্দেশ্যৰ পৰা উৎপাদনশীল উদ্দেশ্যলৈ সম্পদৰ স্থানান্তৰ কৰে? (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



১০.৫ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাজকোষীয় নীতিৰ জৰিয়তে বিভিন্ন আর্থ-সামাজিক উদ্দেশ্যত উপনীত হ'বলৈ ৰাষ্ট্রই কৰ, চৰকাৰী ব্যয় আৰু চৰকাৰী ঋণ ব্যৱহাৰ কৰে।
- ৰাজকোষীয় নীতৰ উদ্দেশ্য হৈছে সম্পদৰ সর্বোৎকৃষ্ট আৱণ্টন, অর্থনৈতিক বিকাশৰ গতি তৰান্বিত কৰা ,অর্থনৈতিক স্থিৰতা ইত্যাদি।
- অর্থনীতিত মূল্য স্থিৰতা ৰক্ষা কৰিবলৈ ক্ষতিপূৰক ৰাজকোষীয় নীতি ব্যৱহাৰ কৰা হয়।
- পাম্প প্রাইমিং হ'ল অর্থনীতিক পতনৰ পৰা উদ্ধাৰ কৰাৰ বাবে কৰা এককালীন চৰকাৰী ব্যয়।
- উন্নয়নশীল অর্থনীতিত ৰাজকোষীয় নীতিয়ে বিভিন্ন ভূমিকা পালন কৰিব লগা হয়।



১০.৬ অধিক জানিবৰ বাবে

১) Lekhi, R.K. (2006). *Public Finance and Fiscal Policy.* Ludhiana: Kalyani Publishers.

২) Menkar, V.G. and Sarma, L.S. (2001). *Public Finance : Theory and Practice.* Mumbai: Himalaya Publishing House.

৩) Paul R. R. (2007). *Money, Banking and International Trade.* New

Delhi: Kalyani Publishers.

৪) Prakash, O. (2008), *Public Economics : Theory and Practice.* Jalandhar: Vishal Publishing House.

৫) Singh, S. K. (2010). *Public Finance in Theory and Practice.* New Delhi: S. Chand and Company Limited.

অসমীয়া গ্ৰন্থ ঃ

১) ৰফিক আহমেদ,"ৰাজস্ব অৰ্থবিজ্ঞান", ইউনিকা প্ৰকাশন, যোৰহাট।

১০.৭ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজকোষীয় নীতৰ দুটা উদ্দেশ্য হৈছে-

- **পূৰ্ণ নিয়োগ ঃ** পূৰ্ণ নিয়োগ হ'ল উন্নয়নশীল দেশসমূহৰ ৰাজকোষীয় নীতিৰ এক উমৈহতীয়া লক্ষ্য। ৰাজকোষীয় নীতিয়ে নিবনুৱা আৰু অপূৰ্ণ নিয়োগ (under Employment) অৱস্থাৰ পৰিসৰ হ্ৰাস কৰাত গুৰুত্ব প্ৰদান কৰে। সামাজিক কাৰ্য্যত আৰু চৰকাৰী খণ্ডৰ উদ্যোগসমূহত হোৱা চৰকাৰী ব্যয়ে নিয়োগৰ সুবিধা সৃষ্টি কৰাত যথেষ্ট অৰিহণা যোগায়। তদুপৰি , গ্ৰাম্যাঞ্চলত উদ্যোগ স্থাপন কৰিবলৈ চৰকাৰে প্ৰদান কৰা কৰ অৱকাশ আৰু ৰাজসাহায্য নিয়োগৰ সুবিধা বৃদ্ধি কৰাত যথেষ্ট সহায় কৰে।
- **সম্পদৰ সৰ্বোৎকৃষ্ট আৱণ্টন ঃ** উন্নয়নশীল দেশসমূহত সম্পদৰ নাটনিয়ে অৰ্থনৈতিক ক্ষেত্ৰত বাৰুকৈ প্ৰভাৱ পেলায়। সেইহেতুকে সম্পদৰ সৰ্বোৎকৃষ্ট আৱন্টন ৰাজকোষীয় নীতিৰ আন এক প্ৰাথমিক উদ্দেশ্য হিচাপে চিহ্নিত হৈছে। ৰাজকোষীয় মাপ (Measure) সমূহে বিভিন্ন ধৰণৰ বৃত্তি আৰু খণ্ডত সম্পদৰ যথোপযুক্ত আৱণ্টনৰ ক্ষেত্ৰত বহুলভাৱে অৰিহনা যোগায়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ উত্থান-পতন বিৰোধী আহিলা হিচাবে ক্ষতিপূৰক ৰাজকোষীয় নীতি (compensatory fiscal policy)-এ মুদ্ৰাস্ফীতি আৰু অৱস্ফীতি দুয়োটাকে নিয়ন্ত্ৰণৰ জৰিয়তে মূল্য স্থিৰতা বজাই ৰখাৰ চেষ্টা কৰে। এইদৰে, এই কৌশলত মুদ্ৰাস্ফীতিৰ সময়ত সামগ্ৰিক চাহিদা হ্ৰাস কৰা আৰু অৱস্ফীতিৰ সময়ত সামগ্ৰিক চাহিদা বৃদ্ধি কৰা হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ সীমিত বিনিয়োগক ফটকা (Speculative) আৰু অনুৎপাদনশীল উদ্দেশ্যৰ পৰা অধিক উৎপাদনশীল ব্যৱহাৰলৈ পুনৰ নিৰ্দেশ কৰিবৰ বাবে ৰাজকোষীয় নীতি ব্যৱহাৰ কৰিব পাৰি। ফটকা আৰু সামাজিকভাৱে অনুৎপাদনশীল বিনিয়োগৰ ওপৰত উচ্চ হাৰৰ কৰ আৰোপ আৰু সামাজিকভাৱে উৎপাদনশীল কাৰ্যত বিনিয়োগ কৰিবলৈ সাহায্য প্ৰদান আৰু কৰ কৰ্তনৰ দ্বাৰা এনে কৰিব পাৰি।

১০.৮ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰাজকোষীয় নীতি বুলিলে কি বুজায়?

প্ৰশ্ন ২ ঃ ৰাজকোষীয় নীতৰ উদ্দেশ্য সমূহ চমুকৈ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ ক্ৰমবৰ্দ্ধিত বাজেট আৰু শূন্য ভিত্তিক বাজেটৰ পাৰ্থক্য নিৰ্ণয় কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ উন্নয়নশীল অৰ্থনীতিৰ বাবে এক ৰাজকোষীয় নীতি প্ৰস্তুত কৰক। ইয়াৰ গুৰুত্ব ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ ৰাজকোষীয় নীতিৰ বিভিন্ন আহিলা সমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ৩ ঃ চমুটোকা লিখক

(ক) একত্ৰিত পুঁজি (খ) পাম্প প্ৰাইমিং

*** **** ***

অধ্যায় ১১ ঃ চৰকাৰী বাজেট

অধ্যায় গাঁথনি

১১.১ উদ্দেশ্য

১১.২ পৰিচয়

১১.৩ চৰকাৰী বাজেট

১১.৩.১ বাজেটৰ ধাৰণা

১১.৩.২ বাজেটৰ উপাদান

১১.৩.৩ বাজেটৰ শ্ৰেণী বিভাজন

১১.৪ ক্ৰমবৰ্দ্ধিত আৰু শূন্যভিত্তিক বাজেট

১১.৫ ঘাটি বাজেট

১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

১১.৭ অধিক জানিবৰ বাবে

১১.৮ অগ্ৰগতিৰ খতিয়ান

১১.৯ আৰ্হি প্ৰশ্ন

১১.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- চৰকাৰী বাজেটৰ সংজ্ঞা দিব পাৰিব
- বাজেটৰ উপাদান আৰু শ্ৰেণী বিভাজন সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব
- ক্ৰমবৰ্দ্ধিত বাজেট আৰু শূন্যভিত্তিক বাজেটৰ পাৰ্থক্য নিৰ্ণয় কৰিব পাৰিব
- ঘাটি বাজেটৰ প্ৰকাৰ বোৰ বৰ্ণনা কৰিব পাৰিব।

১১.২ পৰিচয়

চৰকাৰী বাজেট হ'ল ৰাজস্ব বিজ্ঞানৰ এক অবিচ্ছেদ্য অঙ্গ। আধুনিক অৰ্থনৈতিত চৰকাৰী বাজেটে অৰ্থনৈতিক কাম-কাজৰ বাবে উপযুক্ত নিৰ্দ্দেষণা প্ৰদান কৰাৰ বাবে ব্যৱহাৰ কৰা হয়। চৰকাৰী বাজেটে প্ৰস্তাৱিত ব্যয় আৰু প্ৰত্যাশিত ৰাজহৰ ক্ষেত্ৰত সামগ্ৰীক নীতি নিৰ্দ্ধৰণৰ বাবে চৰকাৰী কৰ্ত্তৃপক্ষক সিদ্ধান্ত গ্ৰহণ কৰাত সহায় কৰে। এই অধ্যায়ত চৰকাৰী বাজেটে, ইয়াৰ উপাদান আৰু শ্ৰেণী বিভাজন সম্পৰ্কে আলোচনা কৰা হৈছে। এই অধ্যায়টোত আকৌ বিভিন্ন প্ৰকাৰৰ ঘাটি বাজেট, যেনে, ৰাজহ ঘাটি, ৰাজকোষীয় ঘাটি আৰু প্ৰাথমিক ঘাটিৰ বিষয়েও বিশ্লেষণ আগবঢ়োৱা হৈছে।

১১.৩ চৰকাৰী বাজেট

এই শাখাত চৰকাৰী বাজেটৰ ধাৰণা, উপাদান আৰু শ্ৰেণীবিভাজন সম্পৰ্কে আমি আলোচনা কৰিম।

১১.৩.১ বাজেটৰ ধাৰণা

চৰকাৰী বাজেট হ'ল আগন্তুক বছৰটোৰ প্ৰত্যাশিত আয় আৰু প্ৰস্তাৱিত ব্যয়ৰ নিৰ্দেশ কৰা এক বিত্তীয় উল্লেখ। আগতে উল্লেখ কৰি অহা হৈছে যে চৰকাৰী আয় আৰু কৰৰ জৰিয়তে চৰকাৰী ঋণ সংগ্ৰহ কৰা হয়। আনহাতে এনে আয়ৰ ব্যয় হয় চৰকাৰী ব্যয়ৰ ৰূপত। অৱশ্যে বাজেট এখন আগন্তুক বৰ্ষৰ বিত্তীয় লেনদেনৰ এক উল্লেখ বুলি কোৱা হ'লেও দৰাচলতে ই হ'ল তিনিটা ক্ৰমিক বছৰৰ আয় আৰু ব্যয়ৰ যৌথ উল্লেখ।

এইদৰে ২০০৭-০৮ বৰ্ষত উত্থাপন কৰা বাজেটখনৰ বিষয়বস্তু এনেধৰণৰ—

- বিগত বছৰৰ অৰ্থাৎ ২০০৬-০৭ বৰ্ষৰ প্ৰকৃত আয় আৰু ব্যয়,
- চলিত বৰ্ষৰ অৰ্থাৎ ২০০৭-০৮ বৰ্ষৰ সংশোধিত হিচাপ। আৰু
- অহা বছৰৰ অৰ্থাৎ ২০০৮-০৯ বৰ্ষৰ আয় আৰু ব্যয়ৰ নিৰূপিত হিচাপ।

ভাৰতবৰ্ষত, বাজেট উত্থাপন কৰা হয় বিত্তীয় বৰ্ষৰ বাবে অৰ্থাৎ, ১ এপ্ৰিলৰ পৰা ৩১ মাৰ্চৰ ভিতৰৰ সময়চোৱাৰ বাবে। ভাৰতবৰ্ষত বাজেটে চাৰিটা পৃথক স্তৰ অতিক্ৰম কৰে।

- প্ৰাথমিকভাৱে বাজেট প্ৰস্তুত কৰা হয়।
- ইয়াৰ পাছত ইয়াক বিধায়িনী অনুমোদনৰ বাবে উত্থাপন কৰা হয়।
- অনুমোদনৰ পাছত ইয়াক ৰূপায়ন কৰা হয়।
- শেষত, বাজেট আৰু ইয়াৰ ৰূপায়ন হিচাপ পৰীক্ষাৰ (audit) দ্বাৰা খুঁটি-নাটি মাৰি পৰীক্ষা কৰা হয়।

চৰকাৰী বাজেট এখন ভালেমান উদ্দেশ্য আগত ৰাখি প্ৰস্তুত কৰা হয়। যথা—

- চৰকাৰে আহৰণ কৰিব বিচৰা উদ্দেশ্যৰ এক কৰ্ম পৰিকল্পনা হিচাবে ই কাম কৰে।
- কেনেকৈ আৰু কিমান সম্পদ সংগ্ৰহ আৰু ব্যয় কৰা হ'ব ই তাক নিৰ্দেশ কৰে।
- চৰকাৰৰ আঁচনি আৰু নীতিসমূহৰ ওপৰত ৰাইজৰ হৈ আলোচনা কৰিবলৈ ই বিধান মণ্ডলক অনুমতি দিয়ে।
- শেষত, বাজেটে চৰকাৰৰ দায়বদ্ধতা নিৰূপনৰ বাবে বিভিন্ন দেনা-পাওনাসমূহৰ এক পৰিকাঠামো আগবঢ়ায়।

১১.৩.২ বাজেটৰ উপাদান

চৰকাৰী বাজেট দেশ বিশেষে বেলেগ বেলেগ হ'ব পাৰে। ভাৰতবৰ্ষত বাজেটৰ তিনিটা উপাংগ আছে, যথা— একত্রিত পুঁজি (consolidated fund), জৰুৰী পুঁজি (contingency fund) আৰু ৰাজহুৱা হিচাপ পুঁজি (public account)।

একত্রিত পুঁজিত সকলোবোৰ আয় আৰু ব্যয় সংশ্লিষ্ট বিধান মণ্ডলৰ দ্বাৰা পূৰ্বানুমোদন সাপেক্ষে পৰিচালিত হ'ব লাগে। বিধান মণ্ডলৰ অনুমোদন নোহোৱাকৈ কৰ বা চৰকাৰী ঋণৰ দ্বাৰা কোনো ধৰণৰ সম্পদ সংগ্রহ কৰিব নোৱাৰি। নাইবা বিধান মণ্ডলৰ বিনা অনুমোদনত কোনো ধৰণৰ চৰকাৰী ব্যয় কৰিব নোৱাৰি।

অৱশ্যে, পূৰ্বানুমোদন নোহোৱাকৈয়ে **জৰুৰী পুঁজিৰ** পৰা চৰকাৰে চৰকাৰী ব্যয় কৰিব পাৰে। কিন্তু ইয়াক যিমান সম্ভৱ সোনকালে বিধান মণ্ডলৰ দ্বাৰা অনুমোদন কৰাই ল'ব লাগে। জৰুৰী অৱস্থা আৰু অন্য অজ্ঞাত ব্যয় পূৰণ কৰিবলৈ চৰকাৰে চমু জাননীৰ দ্বাৰা সংগ্রহ কৰিব পৰাকৈ জৰুৰী পুঁজি গঠন কৰে।

শেষত, ভৰিষ্যনিধি, ক্ষুদ্র সঞ্চয়, ইত্যাদিৰ পৰা অহা আয় ৰাজহুৱা হিচাপ পুঁজিত অন্তর্ভুক্ত হয়। এই পুঁজিবোৰ যিহেতু বৰঙণি যোগোৱা জনৰহে চৰকাৰৰ নহয়; সেয়ে, চৰকাৰৰ দ্বাৰা এই পুঁজি সংগ্রহ কৰোঁতে বা ব্যয় কৰোঁতে বিধান মণ্ডলৰ কোনো পূৰ্বানুমোদন প্রয়োজন নহয়।

ইয়াৰ উপৰি, কোনো কোনো দেশত বাজেটক ৰাজহ আৰু মূলধন হিচাপতো শ্রেণী বিভাগ কৰা হয়। ৰাজহ হিচাপৰ অন্তর্ভুক্ত আয়ৰ উৎস হ'ল— কৰ, অনা কৰ ৰাজহ আৰু আয়; আনহাতে, ব্যয়ৰ অন্তর্ভুক্ত বিষয়টি হ'ল ৰাজহ ব্যয়। একেদৰে, মূলধন হিচাপত আয়ৰ অন্তর্ভুক্ত হ'ল চৰকাৰী ঋণ আৰু অন্যান্য মূলধনী আয়; আনহাতে, ব্যয়ৰ অন্তর্ভুক্ত বিষয়টি হ'ল মূলধনী ব্যয়।

জৰুৰী পুঁজিঃ জৰুৰী অৱস্থাত প্রয়োজন হ'ব পাৰে বুলি আছুতীয়াকৈ ৰখা পুঁজি। এনে পুঁজি সাধাৰণতে ৰাষ্ট্রীয় দুর্যোগ, জৰুৰীকালীন অৱস্থা আদিত খৰছ কৰা হয়

১১.৩.৩ বাজেটৰ শ্রেণী বিভাজন

বাজেট বিভিন্ন প্রকাৰৰ আছে। তলত কিছুমান নির্বাচিত (Selective) প্রকাৰৰ বাজেটৰ বিষয়ে আলোচনা কৰা হ'ল-

- **সুষম বা ভাৰসাম্য বাজেট (Balanced budget)** ঃ চলিত বর্ষৰ প্রস্তাৱিত চৰকাৰী ব্যয়ৰ পৰিমান আৰু প্রত্যাশিত চৰকাৰী ৰাজহৰ পৰিমান যদি পৰস্পৰে পৰস্পৰৰ সমান হয়, তেন্তে তেনে বাজেটক সুষম বাজেট বোলে। এখন সুষম বাজেটে কেতিয়াও

  ঘাটি অথবা ৰাহিৰ কথা নুবুজায়। অৱশ্যে এখন উন্নয়ন শীল অর্থনীতিত সকলো সময়তে এখন সুষম বাজেট প্রবর্ত্তন কৰাটো অলপ জটিল, কিন্তু ই একেবাৰে অসম্ভৱ নহয়।

- **অসমতাপূর্ণ বাজেট (Unbalanced Budget)** ঃ যেতিয়া চলিতবর্ষৰ প্রস্তাৱিত চৰকাৰী ব্যয়ৰ পৰিমান আৰু প্রত্যাশিত চৰকাৰী ৰাজহৰ পৰিমান অসমান হয়, তেনে বাজেটক অসমতা পূর্ণ বাজেট বোলে। অসমতা বুলিলে বাজেটৰ ঘাটি অথবা ৰাহি- এই দুয়োটাকে সূচায়। যদি চলিত বর্ষৰ চৰকাৰী ৰাজহৰ পৰিমান নির্দ্ধাৰিত চৰকাৰী ব্যয়ৰ পৰিমানতকৈ বেছি হয়, তেন্তে তেনে বাজেটক ৰাহি বাজেট বোলে। সেইদৰে চলিত বর্ষৰ চৰকাৰী ব্যয়ৰ পৰিমান যদি চলিত বর্ষৰ চৰকাৰী ৰাজহৰ পৰিমানকৈ বেছি হয়, তেন্তে তেনে বাজেটক ঘাটি বাজেট বোলে।
- **ৰাজহ বাজেট (Revenue Budget)** ঃ চলিত বর্ষৰ সংগৃহীত চৰকাৰী ৰাজহৰ পৰিমান আৰু এনে ৰাজহৰ দ্বাৰা সম্পন্ন কৰা চৰকাৰী ব্যয়ৰ পৰিমানৰ ওপৰত ভিত্তি কৰি প্রস্তুত কৰা বাজেটক ৰাজহ বাজেট বোলে। সাধাৰণতে চৰকাৰী ৰাজহ বুলিলে কৰ, আন কিছুমান চৰকাৰী কামৰ বিনিময়ত পোৱা আয়, চৰকাৰী ঋণৰ বাবে পোৱা সূদ, অংশীদাৰী ব্যৱসায়ৰ পৰা হোৱা আয় (Dividends) আদিক বুজায়।
- **মূলধন বাজেট (Capital Budget)** ঃ মূলধনী সা-সম্পত্তিৰ পৰা আহৰণ কৰা আয় আৰু এনে আয়ৰ পৰা সম্পন্ন কৰা ব্যয়ক সাঙুৰি প্রস্তুত কৰা বাজেটক মূলধনী বাজেট বোলে। জনসাধাৰণৰ পৰা চৰকাৰে সংগ্রহ কৰা ঋণ, কেন্দ্রীয় বেংকৰ পৰা চৰকাৰে গ্রহণ কৰা ঋণ, বৈদেশীক চৰকাৰ আৰু আন আন সংস্থাৰ পৰা আহৰণ কৰা ঋণ, ৰাজ্যিক চৰকাৰে কেন্দ্রীয় চৰকাৰৰ পৰা লোৱা ঋণ পৰিশোধৰ বাবদ পোৱা আয়, অ-বিনিয়োগ (Disinvestment) ৰ পৰা পোৱা আয়, বিভিন্ন ক্ষুদ্র সঞ্চয়, যেনে, ভৱিষ্যৎ নিধি, ডাকঘৰ সঞ্চয় জমা, কিষাণ বিকাশ পত্র, ৰাষ্ট্রীয় সঞ্চয় আঁচনি (NSC) ৰ বাবদ হোৱা জমা আদি হ'ল মূলধনী বাজেটৰ আয়ৰ মূল উৎস।
- **অন্তবর্ত্তী কালীন বাজেট (Interim Budget)** ঃ যেতিয়া কোনো এক অন্তবর্ত্তী সময়, অর্থাৎ এবছৰতকৈ কম সময়ৰ বাবে বাজেট প্রস্তুত কৰা হয়, তাকেই অন্তবর্ত্তীকালীন বাজেট বোলা হয়। যেতিয়া এবছৰৰ বাবে এখন পূর্নাঙ্গ বাজেট প্রস্তুত কৰোতে পলম হয়, তেতিয়া অন্তবর্ত্তী সময়ছোৱাৰ চৰকাৰী ব্যয়ৰ প্রয়োজন পূৰণ কৰিবলৈ অন্তবর্ত্তীকালীন বাজেট প্রস্তুত কৰা হয়। যদি কার্য্যনির্বাহ কৰি থকা চৰকাৰ এখনৰ পূর্ণাঙ্গ বাজেট প্রস্তুতৰ বাবে উপযুক্ত সময়ৰ অভাৱ হয়, অথবা সংসদীয় নির্ব্বাচন নিচেই ওচৰত সম্পন্ন হ'বলগীয়া থাকে, তেন্তে তেনে চৰকাৰে অন্তবর্ত্তীকালীন বাজেট প্রস্তুত কৰে। সংসদীয় নির্ব্বাচনৰ আগৰ সময় হলে চলিত চৰকাৰে পূর্ণাঙ্গ বাজেট প্রস্তুত কৰাৰ দায়িত্ব সমাগত চৰকাৰখনলৈ প্রেৰণ কৰে। এনে এক সন্ধিক্ষনত সংসদে বর্তমানৰ চৰকাৰ খনে প্রচলিত চৰকাৰী ব্যয়বোৰ সম্পন্ন কৰাৰ বাবে প্রস্তুত কৰা বাজেট খনক অনুমোদন প্রদান কৰে। এবছৰৰ বাবে

চৰকাৰে প্ৰস্তুত কৰা বাজেটক সংসদে অনুমোদন জনায় আৰু বিত্তীয় বৰ্ষটো শেষ নোহোৱালৈকে চৰকাৰী ব্যয় সম্পন্ন কৰি যাবলৈ চৰকাৰক দায়িত্ব প্ৰদান কৰে। যদি কোনো কাৰণত চৰকাৰে বিত্তীয় বৰ্ষ শেষ হোৱাৰ আগতে নতুন পূৰ্ণাঙ্গ বাজেট প্ৰস্তুত কৰাত ব্যৰ্থ হয়, তেতিয়া পূৰ্ণাঙ্গ বাজেট প্ৰস্তুত নোহোৱালৈকে সমাগত বিত্তীয় বৰ্ষৰ চৰকাৰী ব্যয়বোৰ সম্পন্ন কৰিবলৈ পুনঃ চৰকাৰে সংসদৰ পৰা কৰ্ত্তৃত্ব গ্ৰহণ কৰিব লগীয়াত পৰে। অন্তবৰ্ত্তীকালীন বাজেটৰ সহায়ত সংসদে (Vote-on-account) ৰ দ্বাৰা চৰকাৰক প্ৰশাসনিক ব্যয়বোৰ সম্পন্ন কৰি থাকিবলৈ অনুমতি প্ৰদান কৰে অকল সেই সময়লৈকে যেতিয়া গোটেই বছৰটোৰ বাবে প্ৰস্তুত কৰা পূৰ্ণাঙ্গ বাজেট খনক নতুন সংসদে বিবেচনা আৰু অনুমোদন নজনায়।

- **পৰিপূৰক বাজেট (Supplementary Budget)** ঃ সাধাৰণতে এখন নিয়মীয়া পূৰ্ণাঙ্গ বাজেটত নিৰ্দ্ধাৰণ কৰা ব্যয়ৰ ওপৰত যদি কোনো চৰকাৰে অতিৰিক্ত ব্যয় কৰিব লগীয়াত পৰে, তেন্তে তেনে পৰিস্থিতিত পৰিপূৰক বাজেট প্ৰস্তুত কৰা হয়। তলত উল্লেখ কৰা যিকোনো পৰিস্থিতিতে পৰিপূৰক বাজেট প্ৰস্তুত কৰিব লগীয়াত পৰে-
  - এখন নিৰ্দ্ধাৰিত নিয়মীয়া বাজেটৰ ক্ষেত্ৰত যদি চৰকাৰী ব্যয়ৰ পৰিমান সংগৃহীত ৰাজহৰ পৰিমানতকৈ বেছি হয়।
  - নিৰ্দ্ধাৰিত নিয়মীয়া বাজেটত সন্নিবিষ্ট নোহোৱা কোনো আঁচনি (Project) ৰ বাবে যদি চৰকাৰে নতুনকৈ ব্যয় বহন কৰিব লগীয়াত পৰে।
- **জৰুৰী কালীন বাজেট (Emergency Budget)** ঃ যেতিয়া কোনো জৰুলীকালীন অৱস্থা, যেনে- যুদ্ধ, মন্দা, প্ৰাকৃতিক দুৰ্য্যোগ আদিৰ বাবে প্ৰয়োজন হোৱা ব্যয় বহন কৰিবলৈ চৰকাৰে বাজেট প্ৰস্তুত কৰে, তেনে বাজেটক জৰুৰী কালীন বাজেট বোলে।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) ভাৰতবৰ্ষৰ বিত্তীয় বৰ্ষটি হ'ল — ১ মাৰ্চৰ পৰা ২৮ ফেব্ৰুৱাৰীলৈকে। (শুদ্ধ/অশুদ্ধ)

(খ) জৰুৰীকালীন শিতানৰ পৰা ব্যয় কৰিবলৈ চৰকাৰক পূৰ্বানুমোদনৰ প্ৰয়োজন। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ২ ঃ চৰকাৰী বাজেট বুলিলে কি বুজায়? (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

প্ৰশ্ন নং ৩ঃ অন্তবৰ্ত্তীকালীন বাজেট আৰু পৰিপূৰক বাজেটৰ মাজৰ প্ৰভেদ নিৰ্ণয় কৰক। (৪০টা শব্দৰ ভিতৰত)।

.....

.....

.....

.....

১১.৪ ক্ৰমবৰ্দ্ধিত আৰু শূন্যভিত্তিক বাজেট

ক্ৰমবৰ্দ্ধিত বাজেট (Incremental budgeting) বা পৰম্পৰাগত বাজেটত পূৰ্বৰ ব্যয় প্ৰদত্ত বুলি ধৰি লোৱা হয় আৰু কেৱল পূৰ্বৰ ব্যয়ৰ লগত নতুন যোগখিনিহে প্ৰশাসনিক আৰু বিধায়নী পৰীক্ষাৰ বাবে বিবেচনা কৰা হয়। এই ধৰণৰ বাজেট গুৰুতৰ সমালোচনাৰ সন্মুখীন হৈছে; কাৰণ, পূৰ্বৰ বাজেট ব্যয়ৰ সততা আৰু চৰকাৰী ব্যয়ৰ নতুন প্ৰস্তাৱ খুঁটি-নাটি পৰীক্ষণৰ অধীন। এনে এক নিদিষ্ট নীতিৰ অনুপস্থিতিত পূৰ্বৰ আঁচনিসমূহ সঠিকভাৱে বিশ্লেষণ নকৰাকৈ বৈ যোৱাৰ আশংকা থাকে।

ক্ৰমবৰ্দ্ধিত বাজেটৰ সীমাবদ্ধতা শূন্য ভিত্তিক বাজেটে দূৰ কৰে।

শূন্য ভিত্তিক বাজেট (Zero-base budgeting) হ'ল এক উদ্ভাৱনমূলক কৌশল, য'ত বাজেট পৰিচালকে তেওঁৰ বাজেট আৰম্ভণিৰে পৰা (অর্থাৎ সেয়ে শূন্য ভিত্তিক) বিচাৰ কৰি চাব লাগে।

এইদৰে, ইয়াত বাজেটে কেৱল নতুন প্ৰস্তাৱসমূহৰ যুক্তনিষ্ঠতা বিচাৰ কৰাই নহয়, প্ৰচলিত আৰু পূৰ্বৰ ব্যয়সমূহো বিচাৰ কৰি চাব লাগে। এইদৰে পিটাৰ. এ. ফিৰ (Peter. A Phyrr)ৰ ভাষাত, *'শূন্য ভিত্তিক বাজেট হ'ল এক পৰিকল্পিত বাজেট প্ৰক্ৰিয়া, য'ত প্ৰত্যেক পৰিচালকে তেওঁৰ সম্পূৰ্ণ বাজেট পুংখানুপুংখভাৱে আৰম্ভণিৰ পৰা বিচাৰ কৰি চাব লাগে আৰু কোনো এক বিশেষ কাৰ্যৰ বাবে তেওঁ কিয় টকা খৰচ কৰা উচিত তাৰ যুক্তি সহকাৰ ব্যাখ্যা আগবঢ়াব লাগে।'*

পৰম্পৰাগত বাজেটতকৈ শূন্য ভিত্তিক বাজেটৰ তলত দিয়া সুবিধাসমূহ আছে—

- ই সম্পদৰ অধিক কাৰ্যকৰী বণ্টন নিশ্চিত কৰে।
- ই সম্পদৰ বণ্টন আৰু পুনৰ্বণ্টনত অধিক নমনীয়তা আনে।
- ই কামৰ দ্বৈততা (duplicacy, একে কামকে পুনৰাই কৰা) আঁতৰায়।
- মূল্যায়ন প্ৰক্ৰিয়া শক্তিশালী কৰে আৰু অধিক দায়বদ্ধতা নিশ্চিত কৰে।
- অধিক দক্ষতাৰে উদ্দেশ্যত উপনীত হোৱাত বাজেটখনক সক্ষম কৰি তোলে।



জানি থোৱা ভাল

পৰিণাম মাপক বাজেট (Outcome budget)-এ চৰকাৰী উন্নয়নমূলক কাম-কাজৰ খতিয়ান দাঙি ধৰে। অৰ্থাৎ, চৰকাৰী ব্যয় আৰু তাৰ ফলস্বৰূপ ফলাফলৰ মাজৰ এক সম্পৰ্ক এই বাজেটে দেখুৱায়।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) ক্রমবর্দ্ধিত বাজেট শূন্যভিত্তিক বাজেটৰ তুলনাত শ্রেয়। (শুদ্ধ/অশুদ্ধ)

(খ) শূন্যভিত্তিক বাজেটে সম্পদৰ অধিক কার্যকৰী বণ্টন নিশ্চিত কৰে। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ৫ ঃ শূন্যভিত্তিক বাজেট পৰম্পৰাগত বাজেটৰ তুলনাত কিয় শ্রেয় উল্লেখ কৰক। (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

১১.৫ ঘাটি বাজেট

যেতিয়া কোনো বাজেটত প্রস্তাৱিত চৰকাৰী ব্যয়ৰ পৰিমান প্রত্যাশিত চৰকাৰী ৰাজহৰ পৰিমানতকৈ বেছি হয়, তেনে বাজেটক ঘাটি বাজেট অথবা বাজেট ঘাটি বোলে। তলত ঘাটি বাজেটৰ কিছুমান প্রকাৰৰ বিষয়ে আলোচনা কৰা হ'ল-

- ৰাজহ ঘাটি **(Revenue Deficit)** ঃ যেতিয়া চৰকাৰৰ ৰাজহ ভিত্তিক ব্যয় (Revenue expenditure) ৰ পৰিমান ইয়াৰ ৰাজহ প্রাপ্তি (Revenue receipts) ৰ পৰিমানতকৈ বেছি হয়, তেন্তে তেনে অৱস্থাক ৰাজহ ঘাটি বুলি কোৱা হয়। এনে বাজেটে অকল সেইবোৰ চৰকাৰী লেন-দেনক (Transactions) সাঙুৰি লয় যিয়ে চৰকাৰৰ বর্ত্তমানৰ আয়ৰ পৰিমান আৰু ব্যয়ৰ পৰিমানক প্রভাৱিত কৰে। প্রচলতি ৰাজহভিত্তিক চৰকাৰী ব্যয় পৰিকল্পনাভূক্ত আৰু অ-পৰিকল্পনা ভূক্ত হব পাৰে। ইয়াৰ বিপৰীতে, চৰকাৰৰ বর্ত্তমানৰ ৰাজহ প্রাপ্তিৰ পৰিমানে প্রকৃত কৰ ৰাজহ আৰু অনা-কৰ ৰাজহক সাঙুৰি লয়। যেতিয়া চৰকাৰৰ স্বকীয় ৰাজহ প্রাপ্তিৰ পৰিমান ইয়াৰ সমূহ ব্যয়ৰ পৰিমানৰ তুলনাত কম হয়, তেতিয়া ৰাজহ ঘাটিৰ অৱস্থা আহি পৰে। ৰাজহ ঘাটিক সমীকৰণৰ আকাৰত তলত দিয়া ধৰণে প্রকাশ কৰিব পাৰি-

ৰাজহ ঘাটি = মুঠ ৰাজহ ভিত্তিক ব্যয় - মুঠ ৰাজহ প্ৰাপ্তিৰ পৰিমান

- **ৰাজকোষীয় ঘাটি (Fiscal Deficit)** ঃ যেতিয়া এটা বিত্তীয় (Fiscal) বছৰত চৰকাৰৰ বাজেটত নিৰ্দ্ধাৰণ কৰা চৰকাৰী ব্যয়ৰ পৰিমান চৰকাৰী ঋণক অন্তৰ্ভূক্ত নকৰাকৈ আহৰণ কৰা আয়ৰ পৰিমানতকৈ কম হয়, তেনে অৱস্থাক ৰাজকোষীয় ঘাটি বোলা হয়। চৰকাৰৰ সংগৃহীত আয়ৰ দ্বাৰা ব্যয় কৰিবলৈ সম্ভৱ নোহোৱা অতিৰিক্ত চৰকাৰী ব্যয়ৰ বাবে কিমান পৰিমানৰ ঋণ চৰকাৰে গ্ৰহণ কৰিব লগীয়া হয়, তাক ৰাজকোষীয় ঘাটিয়ে সহজে দেখুৱাব পাৰে। ৰাজকোষীয় ঘাটিক সমীকৰণৰ আকাৰত তলত দিয়া ধৰণে দেখুৱাব পাৰি-

ৰাজকোষীয় ঘাটি = মুঠ ব্যয়ৰ পৰিমান - চৰকাৰী ঋণৰ বাবে সংগৃহীত মুঠ আয়ৰ পৰিমান

অথবা

ৰাজকোষীয় ঘাটি = মুঠ ব্যয়ৰ পৰিমান (পৰিকল্পিত আৰু অপৰিকল্পিত) - মুঠ ৰাজহ প্ৰাপ্তিৰ পৰিমান - ঋনৰ বাদে আহৰণ কৰা মুঠ মূলধন প্ৰাপ্তিৰ পৰিমান

- **প্ৰাথমিক ঘাটি (Primary Deficit)** ঃ পূৰ্বৰ চৰকাৰী ঋণৰ বাবে প্ৰদান কৰিব লগীয়া সুদৰ পৰিমানৰ তুলনাত চলিত বছৰৰ ৰাজকোষীয় ঘাটিৰ পৰিমান বেছি হোৱা অৱস্থাক প্ৰাথমিক ঘাটি বোলে। সুদৰ পৰিমানক নধৰাকৈ চৰকাৰী ঋণে কিমান পৰিমান চৰকাৰী ব্যয় সাঙুৰি লৈছে- সেইটো প্ৰাথমিক ঘাটিয়ে প্ৰতিনিধিত্ব কৰে। ৰাজকোষীয় ঘাটি আৰু প্ৰাথমিক ঘাটিৰ মাজৰ প্ৰভেদ হ'ল এই যে ৰাজকোষীয় ঘাটিয়ে ঋণৰ পৰিমানৰ লগতে ইয়াৰ সুদৰ পৰিমানকো দেখুৱায়। কিন্তু প্ৰাথমিক ঘাটিয়ে অকল ঋণৰ পৰিমানকহে প্ৰতিনিধিত্ব কৰে, ইয়াৰ বাবে প্ৰদান কাৰ সুদৰ পৰিমানক সাঙুৰি নলয়। প্ৰাথমিক ঘাটিক সমীকৰণৰ আকাৰত তলত দিয়া ধৰণে প্ৰকাশ কৰি পাৰি-

প্ৰাথমিক ঘাটি = ৰাজকোষীয় ঘাটি - প্ৰদান কৰা সুদৰ পৰিমান



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন নং ৬ ঃ ৰাজকোষীয় ঘাটি আৰু প্ৰাথমিক ঘাটিৰ মাজত প্ৰভেদ নিৰ্ণয় কৰক। (৩০টা শব্দৰ ভিতৰত)

.....

.....

.....



১১.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- চৰকাৰী বাজেট হ'ল আগন্তুক বছৰটোৰ প্ৰত্যাশিত আয় আৰু প্ৰস্তাৱিত ব্যয়ৰ এক বিত্তীয় বিৱৰণ।
- চলিত বৰ্ষৰ প্ৰস্তাৱিত চৰকাৰী ব্যয়ৰ পৰিমান আৰু প্ৰত্যাশিত চৰকাৰী ৰাজহৰ পৰিমান যদি সমান হয়, তেনে বাজেটক সুষম বাজেট বোলে।
- ক্ৰমবৰ্দ্ধিত বাজেটত পূৰ্বৰ ব্যয়ৰ লগত সংযোজন কৰা নতুন ব্যয়হে পৰীক্ষণৰ বাবে বিবেচনা কৰা হয়।
- শূন্যভিত্তিক বাজেটত বাজেট পৰিচালকে তেওঁৰ বাজেট আৰম্ভণিৰে পৰা বিচাৰ কৰি চোৱাৰ প্ৰয়োজন।
- ৰাজহ ঘাটি = মুঠ ৰাজহ ভিত্তিক ব্যয় - মুঠ ৰাজহ প্ৰাপ্তিৰ পৰিমান।
- ৰাজকোষীয় ঘাটি = মুঠ ব্যয়ৰ পৰিমান (পৰিকল্পিত আৰু অপৰিকল্পিত) - মুঠ ৰাজহ প্ৰাপ্তিৰ পৰিমান - ঋনৰ বাদে আহৰণ কৰা মুঠ মূলধন প্ৰাপ্তিৰ পৰিমান।
- প্ৰাথমিক ঘাটি = ৰাজকোষীয় ঘাটি - প্ৰদান কৰা সুদৰ পৰিমান।



১১.৭ অধিক জানিবৰ বাবে

১) Lekhi, R. K. (2001). *Public Finance and Fiscal Policy*. Ludhiana: Kalyani Publishers.

২) Manker, V.G. and Sarma, L.S. (2001).*Public Finance: Theory and Practice*. Mumbai: Himalaya Publishing House.

৩) Prakash, O. (2008).*Public Economics : Theory and Practice.* Jalandhar: Vishal Publishing House.

অসমীয়া গ্ৰন্থ ঃ

১) ৰফিক আহমেদ, *ৰাজস্ব অৰ্থবিজ্ঞান*, যোৰহাট : ইউনিকা প্ৰকাশন।



১১.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) অশুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃচৰকাৰী বাজেট হ'ল আগন্তুক বছৰটোৰ প্ৰস্তাৱিত আয় আৰু প্ৰস্তাৱিত ব্যয়ৰ নিৰ্দেশ কৰা এক বিত্তীয় উল্লেখ। অৱশ্যে, বাজেট এখন আগন্তুক বৰ্ষৰ বিত্তীয় লেনদেনৰ এক উল্লেখ বুলি কোৱা হ'লেও দৰাচলতে ই হ'ল তিনিটা ক্ৰমিক বছৰৰ আয় আৰু বৰ্ষৰ যৌথ উল্লেখ।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ যদি এবছৰৰ বাবে এখন নিয়মীয়া পূৰ্ণাঙ্গ বাজেট প্ৰস্তুত কৰাত পলম হয়, তেন্তে তেনে অন্তৰৰ্ত্তী সময়ৰ চৰকাৰী ব্যয়বোৰ সম্পন্ন কৰিবলৈ অন্তবৰ্ত্তীকালীন

বাজেট প্ৰস্তুত কৰা হয়। আনহাতে এখন নিয়মীয়া পূৰ্ণাঙ্গ বাজেটত নিৰ্দ্ধাৰণ কৰা চৰকাৰী ব্যয়ৰ পৰিমানৰ ওপৰত অতিৰিক্তভাবে সম্পন্ন কৰিব লগীয়া চৰকাৰী ব্যয়ৰ বাবে পৰিপূৰক বাজেট প্ৰস্তুত কৰা হয়।

৪ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) অশুদ্ধ (খ) শুদ্ধ

৫ নং প্ৰশ্নৰ উত্তৰ ঃ পৰম্পৰাগত বাজেটতকৈ শূন্য ভিত্তিক বাজেটৰ তলত দিয়া সুবিধাসমূহ আছে—

- ই সম্পদৰ অধিক কাৰ্যকৰী বণ্টন নিশ্চিত কৰে।
- ই সম্পদৰ বণ্টন আৰু পুনৰ্বণ্টনত অধিক নমনীয়তা আনে।
- ই কামৰ দ্বৈততা (duplicacy, একে কামকে পুনৰাই কৰা) আঁতৰায়।
- মূল্যায়ন প্ৰক্ৰিয়া শক্তিশালী কৰে আৰু অধিক দায়বদ্ধতা নিশ্চিত কৰে।
- অধিক দক্ষতাৰে উদ্দেশ্যত উপনীত হোৱাত বাজেটখনক সক্ষম কৰি তোলে।

৬নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজকোষীয় ঘাটি আৰু প্ৰাথমিক ঘাটিৰ মাজত প্ৰভেদ হ'ল এই যে ৰাজকোষীয় ঘাটিয়ে সুদৰ পৰিমানৰ সৈতে প্ৰয়োজন হোৱা ঋণৰ পৰিমানক দেখুৱায়। প্ৰাথমিক ঘাটিয়ে সুদৰ পৰিমানক বাদ দি অকল প্ৰয়োজন হোৱা ঋণৰ পৰিমানকহে দেখুৱায়।

১১.৯ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চৰকাৰী বাজেট বুলিলে কি বুজায়?

প্ৰশ্ন ২ ঃ ক্ৰমবৰ্দ্ধিত বাজেট আৰু শূন্য ভিত্তিক বাজেটৰ পাৰ্থক্য নিৰ্ণয় কৰক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ চৰকাৰী বাজেটৰ সংজ্ঞা আগবঢ়াওক। ইয়াৰ বিভিন্ন উপাদান সমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ চৰকাৰী বাজেটৰ শ্ৰেণী বিভাজন বোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ চমুটোকা লিখক

(ক) বাজেট ঘাটি (খ) ৰাজহ আৰু মূলধন বাজেট

*** **** ***

অধ্যায় ১২ ঃ ৰাজহুৱা উপযোগিতা

অধ্যায় গাঁথনি

১২.১ উদ্দেশ্য
১২.২ পৰিচয়
১২.৩ ৰাজহুৱা উপযোগিতাৰ অর্থ
১২.৪ ৰাজহুৱা উপযোগিতা সেৱাৰ বৈশিষ্ট্য আৰু দৰ
১২.৫ ৰাজহুৱা উপযোগিতা প্রতিষ্ঠানৰ প্রকাৰ
১২.৬ ৰাজহুৱা উপযোগিতা সেৱাৰ ভূমিকা
১২.৭ ভীৰৰ সময়ৰ দৰকৌশল
১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১২.৯ অধিক জানিবৰ বাবে
১২.১০ অগ্রগতিৰ খতিয়ান
১২.১১ আৰ্হি প্রশ্ন

১২.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ৰাজহুৱা উপযোগিতা সেৱা মানেনো কি জানিব পাৰিব
- ৰাজহুৱা উপযোগিতা সেৱাৰ বৈশিষ্ট্যবোৰৰ বিষয়ে অৱগত হব
- ৰাজহুৱা উপযোগিতাসেৱাৰ অর্ন্তভূক্ত বিষয় বা তাৰ প্রকাৰ সম্বন্ধে জানিব পাৰিব
- ৰাজহুৱা উপযোগিতা সেৱাৰ ভূমিকা বর্ণনা কৰিব পাৰিব
- ভীৰ অৱস্থাত ৰাজহুৱা উপযোগিতা সেৱাৰ মূল্য নির্দ্ধাৰণৰ গুৰুত্ব সম্পর্কে আলোচনা কৰিব পাৰিব।

১২.২ পৰিচয়

ৰাজহুৱা উপযোগিতা সেৱাৰ অর্থ, বৈশিষ্ট্য, প্রকাৰ, ৰাজহুৱা উপযোগিতা সেৱাৰ ভূমিকা আৰু ভীৰৰ সময়ৰ অর্থৰ গুৰুত্ব আৰু মূল্যনির্দ্ধাৰণ ইত্যাদিৰ লগত এই অধ্যায়টি জড়িত।

সমাজৰ মানুহবোৰক প্রয়োজনীয় সেৱাবোৰৰ যোগান ধৰাৰ বাবে থকা সংগঠন বা অনুষ্ঠানবোৰকে ৰাজহুৱা উপযোগিতা সেৱা বোলে। ৰাজহুৱা উপযোগিতা সেৱাৰ কিছুমান সুকীয়া বৈশিষ্ট্য আছে যিবোৰ অন্য সংগঠনৰ পৰা সম্পূর্ণ পৃথক। ৰাজহুৱা উপযোগিতা সেৱা যোগান ধৰা প্রতিষ্ঠানবোৰৰ গঠন বিভিন্ন প্রকাৰৰ হোৱা দেখা যায়, যেনে- চৰকাৰী কর্ত্তৃত্বাধীন প্রতিষ্ঠান,

চৰকাৰী ন্যাস, যৌথ মালিকানাৰ প্ৰতিষ্ঠান আৰু চৰকাৰী নিগম ইত্যাদি। ৰাজহুৱা উপযোগিতা সেৱা প্ৰতিষ্ঠানৰ প্ৰধান ভূমিকা হৈছে অঞ্চল, জাতি-বৰ্ণ নিৰ্ব্বিশেষে সমাজৰ সকলো শ্ৰেণীৰ মানুহলৈকে প্ৰয়োজনীয় সেৱা সমূহৰ যোগান ধৰা।

অত্যাধিক ভীৰ অৱস্থাৰ দৰ এনে এটা দৰ কৌশল যাৰ সহায়ত সেৱাবোৰৰ সৰ্ব্বাধিক চাহিদাৰ সময়ত সেৱাবিধৰ দাম নিৰ্দ্ধাৰণ কৰা হয়।

১২.৩ ৰাজহুৱা উপযোগিতাৰ অৰ্থ

সাধাৰণ কথাত কবলৈ হলে ৰাজহুৱা উপযোগিতা বুলিলে এনে এক প্ৰতিষ্ঠানক বুজায় যিয়ে সাধাৰণ মানুহক কিছুমান বিশেষ সেৱাৰ যোগান ধৰে। ই এনে ধৰণৰ প্ৰতিষ্ঠান বা সংগঠন যিয়ে সমাজক প্ৰয়োজনীয় সেৱাবোৰ আগবঢ়ায়। এনে সেৱাবোৰ হৈছে বিদ্যুৎ শক্তি, গেছৰ যোগান, পৰিবহন, পানী আৰু অনাময় ব্যৱস্থা, টেলিগ্ৰাফ আৰু দূৰসংযোগ আদিৰ দৰে সেৱা ইত্যাদি। ৰাজহুৱা উপযোগিতাৰ অন্তৰ্ভূক্ত আটাইবোৰ সামগ্ৰী আৰু সেৱা দৈনন্দিন জীৱনত সমাজৰ সকলো শ্ৰেণীৰ লোকৰ বাবে অতি প্ৰয়োজনীয়। বিশেষকৈ অনুন্নত দেশবোৰত জনসাধাৰণলৈ এনে সামগ্ৰী আৰু সেৱাৰ যোগান ধৰা চৰকাৰৰ বাবে দায়িত্ব বুলি গণ্য কৰা হয়। এখন দেশৰ সৰ্ব্বাঙ্গীন অৰ্থনৈতিক উন্নয়নৰ বাবে এনে সেৱাবোৰৰ নিয়মিত আৰু বিৰামহীন যোগানৰ ধনাত্মক প্ৰভাৱ পৰিলক্ষিত হয়। সমাজৰ সকলো শ্ৰেণীৰ মানুহৰ জীৱনধাৰণৰ মানদণ্ড উন্নত কৰা আৰু বজায় ৰখাত এইবোৰে সহায় কৰে।

১২.৪ ৰাজহুৱা উপযোগিতা সেৱাৰ বৈশিষ্ট্য আৰু দৰ

ৰাজহুৱা উপযোগিতা সেৱাৰ বৈশিষ্ট্যঃ

অধ্যায়টোৰ প্ৰাৰম্ভিক অংশৰ পৰা আমি ৰাজহুৱা উপযোগিতা সেৱাৰ অৰ্থ সম্পৰ্কে অৱগত হৈছো হ'ক। এতিয়া আমি ৰাজহুৱা উপযোগিতা সেৱাৰ বৈশিষ্ট্যবোৰ অৱলোকন কৰিম। এইবোৰ তলত উল্লেখ কৰা হ'ল-

- **উপভোক্তাক নিৰাপত্তা প্ৰদান ঃ** এইটো ৰাজহুৱা উপযোগিতা সেৱাৰ প্ৰধান আৰু গুৰুত্বপূৰ্ণ বৈশিষ্ট্য। উপযোগিতাবোৰ ঘাইকৈ উপভোক্তাৰ সেৱাৰ বাবে আগবঢ়োৱা হয়। বিদ্যুৎ শক্তি, পানী, পৰিবহন ইত্যাদিৰ দৰে সামগ্ৰী আৰু সেৱাৰ যোগানত যথেষ্ট পৰিমানে গুৰুত্ব দিয়া উচিত। এই সেৱাবোৰ অবিহনে মানুহ জীয়াই থকাটো কষ্টকৰেই নহয় অসম্ভৱো। এনেধৰণৰ বস্তু আৰু সেৱাবোৰ জনসাধাৰণক যুক্তি সঙ্গত দামত আৰু যথেষ্ট পৰিমানে যোগান ধৰা উচিত। এই সেৱাবোৰ অত্যাবশ্যকীয় আৰু সেয়েহে উপভোক্তাসকলক শোষণ কৰাটো সম্ভবপৰ, বিশেষকৈ ব্যক্তিগত খণ্ডই সাধাৰণ উপভোক্তাক শোষণ কৰিব পাৰে। এনে ধৰণৰ প্ৰয়োজনীয় সেৱাবোৰৰ নিম্ন দৰত যোগান ধৰাৰ উপৰিও সেইবোৰৰ যোগান অবিৰামগতিত হোৱা উচিত।

- **একচেটিয়া স্থিতি ঃ** ৰাজহুৱা উপযোগিতাৰ প্ৰতিষ্ঠানবোৰ জনসাধাৰণক তেনে সেৱাবোৰ যোগান ধৰিবলৈ বিশেষ বিধি ব্যৱস্থাপনাৰ ফলত গঢ়ি উঠে। ফলস্বৰূপে ৰাজহুৱা উপযোগিতা সেৱাৰ প্ৰতিষ্ঠান সমূহক বিশেষ ক্ষেত্ৰত বা ব্যৱসায়ৰ বাবে একচেটিয়া ক্ষমতা অৰ্পণ কৰা হয়। এনে ক্ষেত্ৰবোৰত আন প্ৰতিষ্ঠানৰ প্ৰৱেশত বিশেষ আইনৰ জৰিয়তে বাধা প্ৰদান কৰা হয়। ৰাজহুৱা উপযোগিতা সেৱাৰ প্ৰতিষ্ঠানবোৰে একেচেটিয়া মৰ্য্যদা লাভ কৰাতো অতি প্ৰয়োজনীয় যাতে তেনে সামগ্ৰী আৰু সেৱাৰ নকল আন প্ৰতিষ্ঠানে কৰিব নোৱাৰে। এই প্ৰতিষ্ঠানবোৰৰ এই বৈশিষ্ট্যটো বিচাৰ কৰিব পৰা ব্যৱস্থাটো হ'ল যে এনেবোৰ প্ৰতিষ্ঠানৰ বাবে বৃহৎ পৰিমানৰ মুলধন বিনিয়োগৰ প্ৰয়োজন হয়। ক্ষুদ্ৰ বিনিয়োগকাৰীয়ে এইবোৰ ক্ষেত্ৰত প্ৰৱেশ কৰিব নোৱাৰে । এনে প্ৰয়োজনীয় সেৱাবোৰৰ যোগান নিয়মীয়া হোৱা উচিত। ৰাজহুৱা উপযোগিতা সেৱাৰ বস্তুৰ যোগান সুচাৰু স্বৰূপে চলাবৰ বাবে প্ৰতিষ্ঠানবোৰ যথেষ্ট শক্তিশালী হ'ব লাগে।
- **বিশেষ ক্ষমতা আৰু সুবিধা ঃ** ৰাজহুৱা উপযোগিতা সেৱাৰ প্ৰতিষ্ঠানবোৰক কিছুমান বিশেষ ক্ষমতা আৰু সুবিধা প্ৰদান কৰা হয়, যাতে সামগ্ৰী আৰু সেৱা সমূহৰ যোগান নিয়মিয়া আৰু সন্তোষজনক কৰি ৰাখিব পৰা যায়। এনে প্ৰতিষ্ঠানবোৰক আইন প্ৰনয়নৰ দ্বাৰা কিছুমান বিশেষ সুবিধা আৰু মৰ্যদা প্ৰদান কৰা হয়। ৰাজহুৱা উপযোগিতা সেৱাৰ প্ৰতিষ্ঠানবোৰৰ এটা বৈশিষ্ট্য হৈছে যে এইবোৰে প্ৰয়োজন সাপেক্ষে চৰকাৰী সম্পত্তি সংগ্ৰহ আৰু ব্যৱহাৰ কৰিব পাৰে। যিহেতু এক সৎবিশ্বাসৰ ওপৰত ভিত্তি কৰি প্ৰতিষ্ঠানবোৰক বিশেষ ক্ষমতা প্ৰদান কৰা হয় , সেয়েহে এনে প্ৰতিষ্ঠানবোৰে ক্ষমতাৰ অপব্যৱহাৰ কৰা **উচিত নহয়।**
- **বৃহৎ পৰিমানৰ বিনিয়োগৰ আৱশ্যকতা ঃ** সকলোবোৰ ৰাজহুৱা উপযোগিতা সেৱাৰ প্ৰতিষ্ঠানৰ ক্ষেত্ৰতে বৃহৎ পৰিমানৰ মূলধন বিনিয়োগৰ আৱশ্যক হয়। বিনিয়োগ সাধাৰণতে স্থায়ী পৰিসম্পদত কৰা হয়। উদাহৰণ স্বৰূপে বিদ্যুৎৰ যোগান ধৰা প্ৰতিষ্ঠানে লাইন বহুৱাৰ নামত বৃহৎ পৰিমানে বিনিয়োগ কৰিব লগা হয়। একেদৰে ৰেল সেৱাৰ ক্ষেত্ৰতো ৰেল লাইন বহুওৱা, ইঞ্জিন আৰু ডবা কিনা আৰু ৰেল ষ্টেছনবোৰ নিৰ্মাণৰ নামত বৃহৎ পৰিমানৰ মূলধন বিনিয়োগ কৰিব লগা হয়। সাধাৰণতে দেখা যায় সেৱা একোবিধৰ যোগানৰ প্ৰসাৰৰ লগে লগে প্ৰতি এককৰ বাবে কৰা খৰচৰ পৰিমানো হ্ৰাস পায়। ফলস্বৰূপে সেৱা এবিধৰ যোগানৰ প্ৰসাৰৰ লগে লগে গড় ব্যয়ৰ পৰিমাণ হ্ৰাস পায় যিহেতু অতিৰিক্ত প্ৰাৰম্ভিক বিনিয়োগৰ আৱশ্যক নহয়।
- **ৰাজহুৱা উপযোগিতা সেৱাৰ প্ৰতিষ্ঠানৰ বাবে চৰকাৰী বিধিব্যৱস্থা ঃ** কেন্দ্ৰীয় সংসদ আৰু ৰাজ্যিক বিধান মণ্ডলৰ বিশেষ বিধি ব্যৱস্থা বা আইনৰ জৰিয়তে সাধাৰণতে ৰাজহুৱা উপযোগিতা সেৱাৰ প্ৰতিষ্ঠানবোৰ স্থাপন কৰা হয়। ভাৰতীয় ৰেলপথ সেৱা বিভাগ সংসদৰ বিশেষ আইন অনুসৰি স্থাপন কৰাৰ দৰে বিভিন্ন ৰাজ্যত থকা বিদ্যুৎ সেৱা যোগানৰ বাবে ৰাজ্যিক বিদ্যুৎ পৰিষদবোৰ ৰাজ্যিক বিধানমণ্ডলৰ আইনৰ দ্বাৰা স্থাপন কৰা হয়। যিহেতু এনে প্ৰতিষ্ঠান সমূহক কিছুমান বিশেষ ক্ষমতা আৰু সুবিধা প্ৰদান কৰা হয় আৰু সেয়েহে

এনে প্রতিষ্ঠানে আগবোঢ়োৱা সেৱাবোৰৰ যোগান নিয়মিত আৰু ভাল কৰি ৰখাৰ কাৰণে এনে প্রতিষ্ঠানবোৰৰ বাবে সুকীয়া বা বিশেষ আইন ও নীতি নিয়ম (বিধি ব্যৱস্থা)ৰ আৱশ্যক হয়।

- **ব্যৱসায়ৰ ক্ষেত্রত উদ্ভব হোৱা বিপদ বহনৰ নিম্ন পৰিমাণ ঃ** আন আন ব্যৱসায় প্রতিষ্ঠানৰ তুলনাত ৰাজহুৱা উপযোগিতা সেৱাৰ প্রতিষ্ঠানে কম বিপদ বা অনিশ্চয়তা বহন কৰিব লগাতো পৰিলক্ষিত হয়। যিহেতু ৰাজহুৱা উপযোগিতা সেৱাৰ চাহিদা অপৰিবর্তিত হৈ থাকে সেয়েহে এনে ক্ষেত্রত অনিশ্চয়তা বহন কৰিব লগা নহয়। এনে প্রতিষ্ঠানবোৰ একচেটিয়া বা একাধিকাৰ প্রকৃতিৰ হোৱাৰ কাৰণে ৰাজহুৱা উপযোগিতা প্রতিষ্ঠানসমূহৰ মাজত প্রতিযোগিতাৰ সম্ভাৱনা কম হোৱা দেখা যায়। এনে প্রতিষ্ঠানবোৰৰ আন এটা বৈশিষ্ট্য হৈছে যে এনেধৰণৰ প্রতিষ্ঠানে যোগান ধৰা সামগ্রী আৰু সেৱাৰ ক্ষেত্রত চাহিদা বৃদ্ধিৰ সম্ভাবনাই বেচি হোৱা দেখা যায়। কাৰণ এনে প্রতিষ্ঠানে যোগান ধৰা সেৱাৰ ক্ষেত্রত প্রত্যক্ষ আৰু উদ্ভূত দুয়োবিধ চাহিদাই পৰিলক্ষিত হয়। ঘৰবোৰত ব্যৱহাৰ কৰা বিজুলী শক্তিৰ চাহিদা প্রত্যক্ষ হোৱাৰ বিপৰীতে ইঞ্জিন চলাবলৈ ব্যৱহাৰ কৰা বিদ্যুৎ শক্তিৰ চাহিদা উদ্ভূত চাহিদা হোৱা দেখা যায়।

ৰাজহুৱা উপযোগিতা সেৱাৰ দৰঃ

ৰাজহুৱা উপযোগিতা সেৱাৰ প্রতিষ্ঠানৰ প্রাথমিক লক্ষ্য হৈছে সমাজখনক প্রয়োজনীয় সামগ্রী আৰু সেৱাবোৰ যুক্তিসংগত বা নির্দ্ধাৰিত দৰত পোৱাৰ ক্ষেত্রত সহায় কৰা। এনে সামগ্রী আৰু সেৱাৰ ক্ষেত্রতো দৰবোৰ চাহিদাৰ প্রকৃতি আৰু প্রতিদান বিধিৰ দ্বাৰা প্রভাবান্বিত হোৱা দেখা যায়। এনে প্রতিষ্ঠানবোৰ সাধাৰণতে ক্রমহ্রাস মান খৰচ বিধিৰ দ্বাৰা পৰিচালিত হয়। সেয়েহে এনে প্রতিষ্ঠানবোৰৰ সামগ্রীও যুক্তি সঙ্গত দৰত গ্রাহকে পোৱা উচিত। এনে প্রতিষ্ঠানবোৰৰ দৰ নীতি সাধাৰণতে চৰকাৰৰ দ্বাৰা পৰিচালিত হয়। এনে সেৱাবোৰ উপযুক্ত মানদণ্ডৰ আৰু উৎপাদনৰ প্রসাৰৰ বাবে সামান্য লাভৰ সীমা এটা নির্দ্ধাৰিত কৰা হয়। (এই ধাৰণাটোৰ বিষয়ে সবিশেষ আপোনালোকে বিষয়টিৰ পৰৱর্তী অধ্যয়নত জানিব পাৰিব।)



চিন্তা চর্চা কৰক ১২.১

আপোনাৰ অঞ্চলটোত থকা কেইটামান ৰাজহুৱা উপযোগিতা সেৱাৰ বিষয়ে উল্লেখ কৰক।

.....

.....

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃশুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) ৰাজহুৱা উপযোগিতা সেৱাবোৰে গ্রাহকসকলক শোষণৰ পৰা ৰক্ষা, কৰাত সহায় কৰে। (শুদ্ধ/অশুদ্ধ)

(খ) ৰাজহুৱা উপযোগিতা এটা ব্যৱসায় যি সকলো মানুহক দৈনন্দিন প্রয়োজনীয় সেৱাৰ যোগান ধৰে। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ২ ঃ ৰাজহুৱা উপযোগিতা সেৱাবোৰৰ মূল বৈশিষ্ট্যবোৰ উল্লেখ কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্রশ্ন নং ৩ঃ ৰাজহুৱা উপযোগিতা সেৱাবোৰৰ প্রধান লক্ষ্যবোৰ উল্লেখ কৰক। (২০ টা শব্দৰ ভিতৰত)

.....

.....

১২.৫ ৰাজহুৱা উপযোগিতা প্রতিষ্ঠানৰ প্রকাৰ

যোগান ধৰা সেৱাবিধৰ প্রকৃতিৰ ওপৰত ভিত্তি কৰি ৰাজহুৱা উপযোগিতা সেৱাৰ প্রতিষ্ঠান বোৰক বিভিন্ন ভাগত ভগোৱা হয়। এই প্রতিষ্ঠানবোৰৰ মালিকীস্বত্ব সাধাৰণতে চৰকাৰৰ হাতত থকাতো পছন্দ কৰা হয়। উপভোক্তাসকলৰ মাজত কোনো প্রভেদ নাৰাখি এনে সেৱাবোৰৰযোগান আৰু বিতৰণ ই সুনিশ্চিত কৰে। ই গ্রাহকসকলৰ স্বার্থ ৰক্ষাতো সহায় কৰে। সাধৰণতে এনে সেৱাবোৰ তলত দিয়া ধৰণে শ্রেণীবিভাগ কৰিব পৰা যায়-

- **ৰাজহুৱা কর্ত্তৃত্বধীন প্রতিষ্ঠান ঃ** ৰাজহুৱা উপযোগিতা সেৱা যোগান ধৰাৰ পুৰণি প্রকাৰবোৰৰ ভিতৰত ই অন্যতম। চৰকাৰী বিভাগৰ অংশ হিচাপে এই প্রতিষ্ঠানবোৰে কাম কৰে। এনে প্রতিষ্ঠানবোৰক চৰকাৰে বিত্তযোগান ধৰে আৰু ইয়াৰ পৰিচালনাৰ দায়িত্বভাৰ চৰকাৰী প্রশাসনীয় বিষয়াৰ হাতত ন্যস্ত কৰা হয়। এনে প্রতিষ্ঠানৰ দায়িত্ব বিভাগীয় মন্ত্রীজনৰ তত্ত্বাবধানত থকা দেখা যায়। ভাৰতীয় ৰেলপথ, ডাঁক আৰু টেলিগ্রাফ, ৰেডি'অ, অনাতাঁৰ কেন্দ্র, দূৰদর্শন ইত্যাদি প্রতিষ্ঠানবোৰে চৰকাৰী বিভাগ হিচাপে কাম কৰি আছে। যিহেতু এনে প্রতিষ্ঠানবোৰ বিত্তীয় ক্ষেত্রত সম্পূর্ণভাবে চৰকাৰৰ ওপৰত নির্ভৰশীল সেয়েহে দেশখনৰ কোষাগাৰে এনে প্রতিষ্ঠানক বিত্তৰ যোগান ধৰে আৰু প্রতিষ্ঠানবোৰৰ উদ্বৃত্ত বিত্ত কোষাগাৰত জমা হয়। বিভাগটোৰ বাজেট সংসদে অথবা বিধানমণ্ডলে অনুমোদন কৰে। অন্যান্য চৰকাৰী বিভাগৰ

হিচাপ ৰখা আৰু হিচাপ পৰীক্ষা কৰাৰ ব্যৱস্থা ৰাজহুৱা উপযোগিতা সেৱা প্ৰতিষ্ঠানৰ ক্ষেত্ৰতো অনুকৰণ কৰা হয়।

- **চৰকাৰী ন্যাস ঃ** কিছুমান ৰাজহুৱা উপযোগিতা সেৱাৰ প্ৰতিষ্ঠানে সমাজক সেৱাৰ যোগান ধৰে আৰু নিয়ন্ত্ৰণৰ ক্ষেত্ৰত চৰকাৰী ন্যাস হিচাপে গঢ় লৈ উঠে। পোৰ্ট অথৰিটি বা পোৰ্ট ন্যাস বোৰ চৰকাৰী ন্যাসৰ প্ৰধান উদাহৰণ। চৰকাৰী ন্যাস কৰ্ত্তৃপক্ষবোৰ সংসদৰ অনুমোদিত বিধিগত ব্যৱস্থাৰ দ্বাৰা পৰিচালিত হয় আৰু এনে ন্যাসবোৰৰ ক্ষমতা আৰু কাৰ্য্যৰ পৰিসৰ সুন্দৰ ভাবে লিপিৱদ্ধ কৰা থাকে।
- **যৌথ মালিকানাৰ প্ৰতিষ্ঠান অৰ্থাৎ চৰকাৰী আৰু ব্যক্তিগত খণ্ডৰ যৌথ প্ৰচেষ্টাত গঢ়ি উঠা প্ৰতিষ্ঠান ঃ** যৌথ মালিকী স্বত্ত্বৰ অধীনত গঢ়ি উঠা ৰাজহুৱা উপযোগিতা সেৱাৰ প্ৰতিষ্ঠানবোৰৰ এটা আইন সন্মত স্থিতি আছে আৰু চৰকাৰী নিগমৰ দৰে আইনৰ ওচৰত সদায় দায়বদ্ধ। বিত্তীয় আৰু প্ৰশাসনীয় কৰ্ত্তৃত্বৰ ক্ষেত্ৰত স্বাধীনতা থাকিলেও এনে প্ৰতিষ্ঠানবোৰ চৰকাৰৰ নিয়ন্ত্ৰনাধীনত থাকে। ই এক প্ৰকাৰ এনেধৰণৰ ৰাজহুৱা উপযোগিতা সেৱাৰ প্ৰতিষ্ঠান যিবোৰৰ অংশীদাৰী মূলধনৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডইও অংশগ্ৰহণ কৰিব পাৰে। কেতিয়াবা চৰকাৰে উন্নয়ন প্ৰক্ৰিয়া আৰম্ভ কৰা**ৰ কাৰণে** যৌথকোম্পানী এটা আৰম্ভ কৰি পিছত তাৰ দায়িত্ব ব্যক্তিগত খণ্ডৰ হাতত অৰ্পণ কৰা দেখা যায়। কোম্পানী হিচাপে গঢ়ি উঠা প্ৰতিষ্ঠানৰ মালিকী স্বত্ব হস্তান্তৰ কৰাত কোনো আইনগত বাধা নথকাত মালিকী স্বত্ত্বৰ হস্তান্তৰ সহজসাধ্য হোৱা দেখা যায়। এনে প্ৰকাৰৰ চৰকাৰী উপযোগিতা সেৱাৰ প্ৰতিষ্ঠান বোৰ ভাৰতবৰ্ষত বিশেষভাবে জনপ্ৰিয় হোৱা দেখা যায়।
- **চৰকাৰী নিগম ঃ** ৰাজহুৱা উপযোগিতা সেৱা প্ৰতিষ্ঠানৰ এটা গুৰুত্বপূৰ্ণ প্ৰকাৰ হৈছে চৰকাৰী নিগমবোৰ। এইবোৰ এনে এক প্ৰকাৰৰ প্ৰতিষ্ঠান যিবোৰ জনসাধাৰণলৈ সেৱা আৰু বাৰ্ত্তা (Mission) আগবঢ়াবলৈ চৰকাৰে সৃষ্টি কৰে। ইয়াৰ কাৰ্য্যপদ্ধতি, নীতি নিৰ্দ্ধাৰণ, পৰিচালনা আৰু সিদ্ধান্ত গ্ৰহণৰ ক্ষেত্ৰত চৰকাৰী নিগমবোৰ সম্পূৰ্ণ স্বাধীন। দৈনন্দিন প্ৰশাসনীয় কাৰ্য্য চলাই নিয়াৰ ক্ষেত্ৰত যদিও এনে নিগমবোৰৰ স্বাধীনতা আছে তথাপিও এনে নিগম একোটাই বিধানমণ্ডলৰ নীতি নিয়মবোৰ মানিচলা উচিত আৰু আন কাৰ্য্যৰ বাবে জনসাধাৰণৰ ওচৰত দায়ৱদ্ধ থাকিব লাগে।

১২.৬ ৰাজহুৱা উপযোগিতা সেৱাৰ ভূমিকা

স্বাধীনতাৰ পৰৱৰ্তী কালচোৱাত ভাৰতবৰ্ষৰ অৰ্থব্যৱস্থাৰ বিকাশৰ ক্ষেত্ৰত ভূমিকা গ্ৰহণ কৰা খণ্ডবোৰৰ ভিতৰত ৰাজহুৱা উপযোগিতাসেৱাৰ ভূমিকা বিশেষ ভাবে প্ৰণিধান যোগ্য আৰু উল্লেখনীয়। কেৱল মাত্ৰ প্ৰয়োজনীয় সেৱা আৰু সুবিধাৰ সামগ্ৰী (Merit Goods) যোগান ধৰাৰ ক্ষেত্ৰতে নহয়, দেশখনৰ মানুহবোৰৰ বাবে আত্মনিৰ্ভৰশীলতা সুনিশ্চিত কৰাৰ ক্ষেত্ৰতো ৰাজহুৱা উপযোগিতাসেৱাবোৰে বৰঙনি যোগাই আহিছে। ৰাজহুৱা উপযোগিতা সেৱাৰ জৰিয়তে স্থাপন হোৱা বিভিন্ন খণ্ডবোৰৰ ভেটিয়ে দেশখনক বিকাশ আৰু প্ৰাচুৰ্য্যৰ পথত আগবঢ়াই নিছে।

তলত উল্লেখ কৰা দৃষ্টিকোণৰ পৰা ৰাজহুৱা উপযোগিতাসেৱাৰ প্ৰধান ভূমিকাবোৰৰ বিষয়ে অবলোকন কৰিব পাৰা যায়।

- জাতি-বৰ্ণ-অঞ্চলৰ প্ৰভেদ নাৰাখি সমাজৰ সকলো মানুহলৈ ৰাজহুৱা উপযোগিতা সেৱাৰ প্ৰতিষ্ঠানবোৰে সেৱা ও সুবিধা আগবঢ়ায়।
- ওপৰত উল্লেখ কৰি অহাৰ দৰে ৰাজহুৱা উপযোগিতা সেৱাবোৰৰ প্ৰধান লক্ষ্য হৈছে সমাজক প্ৰয়োজনীয় সেৱাবোৰ উপযুক্ত বা যুক্তিসঙ্গত দামত পোৱাৰ ক্ষেত্ৰত সহায় কৰা। এখন কল্যাণকামী ৰাষ্ট্ৰৰ নাগৰিকসকলক জীৱনধাৰণৰ বাবে অত্যাৱশ্যকীয় সেৱাবোৰ যোগান ধৰাৰ ক্ষেত্ৰত ৰাজহুৱা উপযোগিতা সেৱাৰ প্ৰতিষ্ঠানবোৰে সহায় কৰে। অত্যাৱশ্যকীয় সামগ্ৰী আৰু সেৱাৰ যোগান ধৰি সমাজৰ সৰ্ব্বাঙ্গীন কল্যাণ সাধন কৰাটো চৰকাৰী কৰ্ত্তৃপক্ষৰ এটা বিশেষ কৰণীয় বিষয়। জীৱনধাৰণৰ বাবে অত্যাৱশ্যকীয় সামগ্ৰী আৰু সেৱা যোগান ধৰাৰ বাবে ৰাজহুৱা উপযোগিতাৰ প্ৰতিষ্ঠানবোৰেই হৈছে চৰকাৰৰ প্ৰধান আহিলা।
- ৰাজহুৱা উপযোগিতা সেৱা প্ৰতিষ্ঠানৰ আন এটা গুৰুত্বপূৰ্ণ ভূমিকা হৈছে এয়ে যে এনে প্ৰতিষ্ঠানবোৰে উপভোক্তাসকলক ব্যক্তিগত প্ৰতিষ্ঠানৰ শোষণৰ পৰা ৰক্ষণা-বেক্ষণ দিব পাৰে। এই সেৱাবোৰৰ ভিতৰত এনে কিছুমান সেৱা আছে যিবোৰৰ অবিহনে আধুনিক বিশ্বত জীয়াই থকাটোৱেই কঠিন। ৰাজহুৱা উপযোগিতাৰ প্ৰতিষ্ঠানে যেনেকৈ সেৱাবোৰৰ যোগান ধৰে আৰু তেনেকৈয়ে উপভোক্তাসকলক শোষণৰ পৰাও ৰক্ষা কৰে।
- ৰাজহুৱা উপযোগিতা সেৱাৰ আন এটা গুৰুত্বপূৰ্ণ ভূমিকা হৈছে যে ই শিক্ষা, স্বাস্থ্য আদিৰ দৰে সুবিধাৰ সামগ্ৰী (Merit Goods) বোৰৰ যোগান ধৰি সমাজৰ সৰ্ব্বাঙ্গীন কল্যাণৰ তথা উন্নতি সাধনত সহায় কৰে। এই কথাটো উন্নয়নশীল দেশৰ ক্ষেত্ৰত বিশেষ ভাবে প্ৰাসঙ্গিক, যিহেতু এনেবোৰ ক্ষেত্ৰত এনে দেশবোৰ উন্নত দেশৰ তুলনাত যথেষ্ট পিছ পৰা।
- গধুৰ উদ্যোগৰ বাবে উপযুক্ত ভেটি নিৰ্মাণ আৰু ব্যৱসায়িক পৰিৱেশ এটা সৃষ্টি কৰাৰ ক্ষেত্ৰতো ৰাজহুৱা উপযোগিতা প্ৰতিষ্ঠানে পাৰদৰ্শিতা দেখুৱাই আহিছে; কিন্তু এনেবোৰ ক্ষেত্ৰত যাতে উদ্যোগ প্ৰতিষ্ঠানবোৰৰ বিতৰণ সকলো অঞ্চলতে সমানে হয় তাৰ ওপৰত গুৰুত্ব দিব লাগে।

১২.৭ ভীৰৰ সময়ৰ দৰকৌশল

ওপৰত উল্লেখ কৰাৰ দৰে ভীৰ বা অত্যাধিক চাহিদাৰ সময়ত সেৱা এবিধৰ দৰ নিৰ্দ্ধাৰণ কৌশলেই হৈছে অত্যাধিক চাহিদা সময়ৰ দাম, অৰ্থাৎ, দিনটোৰ যিটো সময়ত সেৱা এবিধৰ চাহিদা সৰ্ব্বোচ্চ স্তৰত উপনীত হয় তেনে অৱস্থাত সেৱাবিধৰ দাম নিৰ্দ্ধাৰণৰ কৌশলেই হৈছে **ভীৰ বা অত্যধিক চাহিদাৰ সময়ৰ দৰকৌশল** (Peak load Pricing)। বস্তু আৰু সেৱাৰ চাহিদাৰ স্তৰৰ সলনি কৰিবলৈ সাধাৰণতে এই দৰ কৌশলৰ জড়িয়তে বস্তু বা সেৱা বিধৰ যোগানৰ ব্যৱস্থা কৰা হয়। বস্তু আৰু সেৱাৰ এই দৰ কৌশলৰ কিছুমান সুবিধা থকাৰ দৰে অসুবিধা কিছুমানো আছে। এই সুবিধা আৰু অসুবিধাসমূহ তলত আলোচনা কৰা হ'ল-

সুবিধাসমূহ হৈছে-

- এনে দৰ ব্যৱস্থাৰ প্ৰধান সুবিধা হৈছে যে সেৱাবিধৰ যোগান সামৰ্থ্যৰ ব্যৱহাৰৰ ক্ষেত্ৰত ভাৰসাম্যতা ৰক্ষা কৰা। নিম্নদামত সাধাৰণতে ৰাজহুৱা উপযোগিতা সেৱাৰ চাহিদা সেৱা বিধৰ যোগানৰ সামৰ্থ্যৰ তুলনাত যথেষ্ঠ বেছি হোৱা দেখা যায়। ফলস্বৰূপে উপভোক্তাসকলৰ চাহিদাৰ তুলনাত সেৱা বিধক যোগান ধৰাতো কষ্টাসাধ্য হ'ব পাৰে। এনে পৰিস্থিতি নিয়ন্ত্ৰণত এই দৰ কৌশলে সহায় কৰে।
- এই দৰ কৌশলৰ আনটো সুবিধা হৈছে যে ই দিনটোৰ প্ৰধান ভীৰৰ সময়খিনিত সেৱাবিধৰ ব্যৱহাৰৰ বৃদ্ধিৰ হাৰ হ্ৰাস কৰি চাহিদা আৰু যোগানৰ মাজত সমতা ৰক্ষাত সহায় কৰে।
- ভীৰ বা অত্যাধিক চাহিদাৰ সময়ত গ্ৰাহকৰ পৰা উচ্চ দৰ দাবী কৰি ৰাজহুৱা উপযোগিতা সেৱাবোৰৰ যোগান ক্ষমতাৰ সম্প্ৰসাৰণৰ প্ৰয়োজনীয়তা হ্ৰাস কৰে।
- এই দৰ কৌশলৰ আন এটা সুবিধা হৈছে যে ই অতি ভীৰ অৱস্থাৰ বোজাৰ এটা অংশ সেৰেঙা চাহিদাৰ সময় (Base Load Plant) লৈ সলনি কৰি ভীৰ অৱস্থাত লোৱা দামতকৈ তেওঁলোকৰ পৰা কম দাম লোৱা ব্যৱস্থা কৰিব পাৰে। ইয়াক ঘাটিপূৰণ (Velley Filling) ব্যৱস্থা বুলিও ক'ব পাৰি। ভীৰ অৱস্থাত হোৱা ইন্ধনৰ ব্যৱহাৰ সঞ্চয় কৰাত ই সহায় কৰিব পাৰে।

অসুবিধাসমূহ হৈছে-

- এই দৰ কৌশলৰ প্ৰধান অসুবিধা হ'ল যে সময় পৰিমাপৰ বাবে সংস্থাপন কৰা যন্ত্ৰ পাতিৰ বাবদ হোৱা বিনিয়োগ ব্যয় নিৰূপন কৰাটো। কাৰণ নতুনকৈ সংস্থাপন কৰা যন্ত্ৰপাতিয়ে ব্যয়ৰ পৰিমান কমাবও পাৰে। তদুপৰি, উৎপাদনকাৰী সকলে দক্ষ পৰিদৰ্শকক উচ্চ মজুৰিত নিয়োগ কৰিব লগীয়াও হ'ব পাৰে।
- এই দৰ কৌশল প্ৰয়োগ কৰোতে কিছুমান ব্যয় জড়িত হৈ থাকে, কিন্তু সেৱাবিধৰ মূল্যনিৰ্দ্ধাৰণৰ ক্ষেত্ৰত লাভ কৰা কল্যাণৰ পৰিপ্ৰেক্ষিতত এনে খৰচবোৰ বিবেচনা কৰাতো প্ৰয়োজন। এই দৰ কৌশলৰ বাবে উপভোক্তাৰ ব্যৱহাৰ কৌশলৰ পূৰ্ণ জোখ-মাপৰ বাবে উন্নত মিটাৰ ব্যৱহাৰ কৰাৰ আৱশ্যক হয়। বহুতো উপযোগিতাসেৱাৰ ব্যৱহাৰৰ ক্ষেত্ৰত এই দৰ কৌশল ব্যৱস্থা প্ৰয়োগৰ বাবে মিটাৰ ব্যৱস্থা উন্নতমানৰ কৰাৰ প্ৰয়োজন হয়। এই ব্যৱস্থাটো যথেষ্ট ব্যয়বহুল হোৱা দেখা যায়।
- এই দৰ কৌশল প্ৰয়োগৰ আন এটা অসুবিধা হৈছে এয়ে যে সাধাৰণ আচৰণৰ ওপৰত ভিত্তি কৰি ভীৰ অৱস্থাৰ গ্ৰাহক সকলৰ কিছুমানক কম দামত কম চাহিদাৰ সময়লৈ স্থানান্তৰ কৰিব পৰা যায় বুলি ধাৰণা কৰিলেও সেইটো সদায় বাস্তবত কাৰ্য্যকৰী কৰাটো সম্ভবপৰ নহবও পাৰে।
- এই দৰ কৌশলৰ আন এটা অসুবিধা হৈছে যে ভুল আনুমানিক সিদ্ধান্তৰ বাবে দৰ নিৰ্দ্ধাৰণত ভুল হ'ব পাৰে। এনে ক্ষেত্ৰবোৰত দৰ নীতিয়ে আশা কৰা মতে ফল নিদিবও পাৰে।



চিন্তা-চর্চা কৰক ১২.২

ভীৰ বা অত্যধিক চাহিদাৰ সময়ৰ দৰকৌশল অনুসৰণ কৰা ৰাজহুৱা উপযোগিতা সেৱাৰ এখন তালিকা প্ৰস্তুত কৰক।

.....

.....

.....

.....

.....



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৪ ঃশুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক)সামর্থ্য ব্যৱহাৰৰ ক্ষেত্রত ভীৰ অৱস্থাৰ দৰ (peak load pricing)এ ভাৰসাম্যতা ৰক্ষা কৰে। (শুদ্ধ/অশুদ্ধ)

(খ) চৰকাৰী কর্ত্তৃপক্ষ (Public Authority) ৰাজহুৱা উপযোগিতা সেৱাৰ এটা প্রকাৰ। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ৫ ঃঅত্যাধিক ভীৰ অৱস্থাৰ দৰ বুলিলে কি বুজায়? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....



১২.৮ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ৰাজহুৱা উপযোগিতা এনে এবিধ সেৱা ব্যৱস্থা যিয়ে সকলো মানুহকে নিত্য প্রয়োজনীয় সেৱা কিছুমানৰ যোগান ধৰে। ৰাজহুৱা উপযোগিতাৰ প্রতিষ্ঠানবোৰ এনে এক প্রকাৰৰ ব্যৱসায় প্রতিষ্ঠান যিয়ে সমাজ এখনলৈ প্রয়োজনীয় সেৱাবোৰ আগবঢ়ায়।
- ৰাজহুৱা উপযোগিতা সেৱাবোৰৰ বিভিন্ন বৈশিষ্ট্য আছে যেনে- উপভোক্তা সকলক শোষণৰ ক্ষেত্রত ৰক্ষণা বেক্ষণ দিয়া, একচেটিয়া স্থিতিৰ বিশেষ ক্ষমতা আৰু সুবিধা, উচ্চ হাৰৰ বিনিয়োগৰ আৱশ্যকতা, ৰাজহুৱা উপযোগিতাৰ নিয়ন্ত্রণ আৰু নিম্ন পৰিমানৰ বিপদ বহনৰ দায়িত্বত জড়িত কৰা ইত্যাদি।
- ৰাজহুৱা উপযোগিতা প্রতিষ্ঠান বিভিন্ন প্রকাৰৰ হোৱা দেখা যায় যেনে- চৰকাৰী কর্ত্তৃত্বাধীন প্রতিষ্ঠান, চৰকাৰী নিগম ইত্যাদি।

- এখন দেশত ৰাজহুৱা উপযোগিতা সেৱাবোৰৰ ভূমিকা লেখত লব লগীয়া, যেনে- অঞ্চল, জাতি, ধর্ম্ম নির্ব্বিশেষে প্রতিজন ব্যক্তিলৈ সেৱাবোৰৰ যোগান ধৰা, যুক্তি সঙ্গতদামত প্রয়োজনীয় সেৱাবোৰ লাভ কৰাত মানুহবোৰক সহায় কৰা, উপভোক্তাসকলক শোষণৰ পৰা ৰক্ষা কৰা ইত্যাদি।
- অত্যাধিক ভীৰ অৱস্থাৰ দৰ হৈছে, অত্যাধিক চাহিদাৰ সময়ত সেৱা এবিধৰ দৰ নির্দ্ধাৰণৰ ই এটা বিশেষ কৌশল। এই দৰ কৌশল বিধৰ ক্ষেত্রত সুবিধা আৰু অসুবিধা দুয়োটাই আছে।

১২.৯ অধিক জানিবৰ বাবে

১) Musgrave, R. A. and Musgrave, P. B. (2017). *Public Finance in Theory and Practice.* McGraw Hill Education.

২) Choudhury, R. K and Chakraborty, R. C. (2016). *Public Finance and Fiscal Policy.* Ludhiana: Kalyani Publishers.

১২.১০ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ

২ নং প্রশ্নৰ উত্তৰ ঃ ৰাজহুৱা উপযোগিতা সেৱাবোৰৰ বৈশিষ্ট্যবোৰ তলত উল্লেখ কৰা হ'ল-

- ৰাজহুৱা উপযোগিতা সেৱাৰোৰ প্রধানকৈ উপভোক্তা সকলক প্রদান কৰা হয়।
- ৰাজহুৱা উপযোগিতাৰ প্রতিষ্ঠান বোৰক বিশেষ ক্ষেত্র একোটাত একচেটিয়া ক্ষমতা দিয়া হয়।
- ৰাজহুৱা উপযোগিতাৰ প্রতিষ্ঠানবোৰক বিশেষ ক্ষমতা আৰু সুবিধা প্রদান কৰা হয়, যাতে সেৱা ও সামগ্রীৰ যোগান নিয়মিত আৰু সন্তোষজনক হয়।
- ৰাজহুৱা উপযোগিতা প্রতিষ্ঠানবোৰৰ ক্ষেত্রত বেছি মূলধন বিনিয়োগৰ আৱশ্যক হয়।
- ৰাজহুৱা উপযোগিতা প্রতিষ্ঠানবোৰে সাধাৰণতে ব্যৱসায়ীৰ বাবে লোকচান ভৰিব লগা নহয়।

৩ নং প্রশ্নৰ উত্তৰ ঃ ৰাজহুৱা উপযোগিতা সেৱাৰ মূল লক্ষ্য হৈছে উপযুক্ত দামত প্রয়োজনীয় সেৱাবোৰ লাভ কৰাৰ ক্ষেত্রত সমাজখনক সহায় কৰা।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ

৫ নং প্রশ্নৰ উত্তৰ ঃ অত্যধিক ভীৰ অৱস্থাৰ দৰ বুলিলে সাধাৰণতে চাহিদাৰ সর্ব্বাধিক স্তৰত নির্দ্ধাৰিত কৰা দৰক বুজোৱা হয়। বস্তু আৰু সেৱাৰ চাহিদাৰ স্তৰৰ সলনি কৰিবলৈ সাধাৰণতে এই দৰ কৌশলৰ জড়িয়তে বস্তু বা সেৱা বিধৰ যোগানৰ ব্যৱস্থা কৰা হয়।

১২.১১ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰাজহুৱা উপযোগিতাৰ অৰ্থ লিখক।

প্ৰশ্ন ২ ঃ ৰাজহুৱা উপযোগিতা প্ৰতিষ্ঠানৰ প্ৰকাৰবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ অত্যাধিক চাহিদা অৱস্থাৰ দৰৰ তাৎপৰ্য্য ব্যাখ্যা কৰক।

প্ৰশ্ন ৪ ঃ ৰাজহুৱা উপযোগিতা সেৱাৰ ওপৰত এটা চমুটোকা লিখক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ ৰাজহুৱা উপযোগিতা সেৱাৰ বৈশিষ্টাবোৰ ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ উন্নয়নশীল দেশবোৰৰ ক্ষেত্ৰত ৰাজহুৱা উপযোগিতা সেৱাবোৰৰ ভূমিকাৰ বিষয়ে আলোচনা কৰক।

প্ৰশ্ন ৩ ঃ সুবিধা আৰু অসুবিধাসহ অত্যাধিক চাহিদা বা অত্যাধিক ভীৰ অৱস্থাৰ দৰ নীতিৰ বিস্তৃতভাৱে ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১৩ ঃ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান

অধ্যায় গাঁথনি

১৩.১ উদ্দেশ্য
১৩.২ পৰিচয়
১৩.৩ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ অৰ্থ
১৩.৪ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ প্ৰকাৰ
১৩.৫ উন্নয়নশীল অৰ্থনীতিত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ভূমিকা
১৩.৬ ভাৰতবৰ্ষত ৰাজহুৱাখণ্ডৰ প্ৰতিষ্ঠানৰ কাৰ্য্যকাৰিতা আৰু সমস্যাসমূহ
১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৩.৮ অধিক জানিবৰ বাবে
১৩.৯ অগ্ৰগতিৰ খতিয়ান
১৩.১০ আৰ্হি প্ৰশ্ন

১৩.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰাৰ পিছত আপুনি —

- ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ অৰ্থ জানিব পাৰিব
- ৰাজহুৱা খণ্ডৰ প্ৰকাৰবোৰৰ বিষয়ে বুজিব পাৰিব
- উন্নয়নশীল অৰ্থব্যৱস্থাত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ভূমিকাৰ বিষয়ে ব্যাখ্যাত্মক বিৱৰণ দিব পাৰিব
- ভাৰতবৰ্ষত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ কাৰ্যব্যৱস্থা আৰু সমস্যাসমূহৰ বিষয়ে অবগত হ'ব পাৰিব।

১৩.২ পৰিচয়

ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান বুলিলে সাধাৰণতে এনে প্ৰতিষ্ঠানবোৰক বুজোৱা হয় যিবোৰৰ মালিকানাস্বত্ব আৰু পৰিচালনাৰ দায়িত্ব সম্পূৰ্ণভাবে বা প্ৰধানকৈ চৰকাৰৰ হাতত ন্যস্ত থাকে। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানত মূলধন বিনিয়োগ যে কেবল চৰকাৰেই কৰিব লাগিব তেনে নহয়, ব্যক্তিগত খণ্ডইও এইক্ষেত্ৰত অংশ গ্ৰহণ কৰিব পাৰে অৰ্থাৎ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানত মূলধন বিনিয়োগৰ অধিকাৰ অংশপত্ৰ ক্ৰয় ব্যৱস্থাৰ জৰিয়তে ব্যক্তিগত খণ্ডৰ হাততো অৰ্পন কৰা হয়। এই অধ্যায়ত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ অৰ্থ, প্ৰকাৰ আৰু ভূমিকা সম্পৰ্কে আলোচনা কৰা হৈছে। এই অধ্যায়টোত আকৌ ভাৰতবৰ্ষত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ কাৰ্যব্যৱস্থা আৰু সমস্যাসমূহৰ বিষয়েও বিশ্লেষণ আগবঢ়োৱা হৈছে।

১৩.৩ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ অৰ্থ

অধ্যায়টোৰ আৰম্ভনিতে উল্লেখ কৰাৰ দৰে ৰাজহুৱাখণ্ড হৈছে চৰকাৰৰ দ্বাৰা অধিকৃত ব্যৱসায় প্ৰতিষ্ঠান। এনে প্ৰতিষ্ঠানবোৰ ঘাইকৈ যিকোনো এখন দেশৰ কেন্দ্ৰীয় চৰকাৰৰ বা ৰাজ্য চৰকাৰৰ দ্বাৰা বা উভয়ৰদ্বাৰা পৰিচালিত হোৱা দেখা যায়। চৰকাৰী খণ্ডৰ প্ৰতিষ্ঠান হ'বলৈ হলে প্ৰতিষ্ঠানটোত বিনিয়োগকৰা মূলধনৰ বুজন পৰিমানৰ অংশই চৰকাৰৰ জৰিয়তে কৰা হ'ব লাগিব।

ভাৰতবৰ্ষত স্বাধীনতাৰ পৰৱৰ্তী কালচোৱাত ৰাজহুৱা খণ্ড সৃষ্টি কৰাৰ প্ৰয়োজন উপলব্ধি কৰা হয়। ১৯৪৮ আৰু ১৯৫৬ চনৰ উদ্যোগিক নীতিত চৰকাৰী খণ্ডৰ ভূমিকা বা গুৰুত্ব আৰু কার্য্যৰ পৰিসৰৰ বিষয়ে স্পষ্টভাবে উল্লেখ কৰা হৈছিল। আমাৰ দেশৰ দ্বিতীয় পঞ্চবার্ষিক পৰিকল্পনাত উদ্যোগিক ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ সম্প্ৰসাৰণৰ ওপৰত গুৰুত্ব দিয়া দেখা গৈছিল, কাৰণ এই পৰিকল্পনাটোৰ মূল লক্ষ্য আছিল দেশখনত দ্ৰুত উদ্যোগীকৰণ কৰা আৰু এই লক্ষ্যৰ লগত সংগতি ৰাখি উদ্যোগিক খণ্ডৰ সম্প্ৰসাৰণ আৰু বিকাশক অগ্ৰাধিকাৰ খণ্ড হিচাপে গণ্য কৰা হৈছিল। দ্বিতীয় পঞ্চবার্ষিক পৰিকল্পনাৰ কালচোৱাত ভাৰতৰ আর্থ-সামাজিক নীতিবোৰ নির্দ্ধাৰণ কৰোতে ভাৰতত সমাজবাদী অর্থ ব্যৱস্থা স্থাপন কৰাটো মূল লক্ষ্য হিচাপে গ্ৰহণ কৰা হৈছিল। গতিকে দ্বিতীয় পঞ্চবার্ষিক পৰিকল্পনা আৰম্ভ কৰাৰ লগে লগেই উদ্যোগিক ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ সম্প্ৰসাৰণৰ ওপৰত বিশেষ গুৰুত্ব দিয়াতো পৰিলক্ষিত হৈছিল। স্বাধীনতাৰ আগৰ কালচোৱাত আমাৰ দেশত ৰেল বিভাগ, ডাঁক - তাঁৰ বিভাগ, বন্দৰ ন্যাস আৰু কেইটামান মাত্ৰ সৰু সুৰা ফেক্টৰী আদিৰ ওপৰতহে চৰকাৰৰ নিয়ন্ত্ৰণ আছিল। কিন্তু যোৱা ছয়টা দশকৰো অধিক কালচোৱাত দেশখনৰ অর্থনৈতিক বিকাশৰ ক্ষেত্ৰত ৰাজহুৱা খণ্ডই প্ৰধান ভূমিকা গ্ৰহণ কৰি অহাতো পৰিলক্ষিত হৈছে।

ৰাজহুৱা প্ৰতিষ্ঠানবোৰ বহুক্ষেত্ৰত ব্যক্তিগত প্ৰতিষ্ঠানৰ পৰা পৃথক হোৱা পৰিলক্ষিত হয়। আন কথাত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আৰু ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানৰ মাজত ভালেমান বিষয়ত পার্থক্য দেখা যায়। ব্যক্তিগত প্ৰতিষ্ঠানৰ প্ৰধান উদ্দেশ্য হৈছে সর্ব্বাধিক লাভ উপার্জন কৰা আনহাতে ৰাজহুৱা প্ৰতিষ্ঠানৰ প্ৰধান লক্ষ্য হৈছে সর্ব্বধিক সামাজিক কল্যাণ সাধন আৰু ভাৰসাম্য অর্থনৈতিক উন্নয়ন লাভ কৰা। ৰাজহুৱা প্ৰতিষ্ঠান আৰু ব্যক্তিগত প্ৰতিষ্ঠানৰ মাজত থকা আন এটা পার্থক্য হৈছে ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠান ব্যক্তিগত মালিকানাতে পৰিচালিত হয়, আনহাতে ৰাজহুৱা প্ৰতিষ্ঠানৰ মালিকানাস্বত্ব চৰকাৰৰ হাতত ন্যস্ত থাকে। অর্থাৎ ব্যক্তিগতখণ্ডৰ প্ৰতিষ্ঠানবোৰৰ গৰাকী হৈছে ব্যক্তি বিশেষ, কিন্তু ৰাজহুৱা প্ৰতিষ্ঠানৰ গৰাকী হৈছে চৰকাৰ। ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানৰ বাবে প্ৰয়োজনীয় মূলধন প্ৰতিষ্ঠানৰ মালিকে সাধাৰণতে ব্যক্তিগত মূলধনৰ উৎস, ঋণ আৰু অংশপত্ৰ বিক্ৰীৰ জৰিয়তে সংগ্ৰহ কৰে। কিন্তু ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ মূলধন প্ৰধানতঃ চৰকাৰী নিধিৰ পৰা সংগ্ৰহ কৰাৰ লগতে প্ৰয়োজন সাপেক্ষে অংশপত্ৰ, ঋণ পত্ৰৰ বিক্ৰীৰ জৰিয়তে সংগ্ৰহ কৰা হয়। বিনিয়োগৰ পৰা যথেষ্ট প্ৰতিদান পাব পৰা প্ৰায় সকলোবোৰ ক্ষেত্ৰত ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানে কাম কৰা দেখা যায়, কিন্তু দেশৰ মূল উদ্যোগ আৰু ৰাজহুৱা

উপযোগিতা আৰু সেৱা খণ্ডতহে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে কাম কৰা দেখা যায়। ১৯৯১ চনৰ উদ্যোগিক নীতিত ভাৰতত ৰাজহুৱা খণ্ডৰ ক্ষেত্ৰত তলত উল্লেখ কৰা ৪ টা মূলসিদ্ধান্তৰ ওপৰত গুৰুত্ব আৰোপ কৰা হৈছে-

- কেবল ৰাজহুৱা খণ্ডৰ বাবে সংৰক্ষিত হোৱা উদ্যোগৰ সংখ্যা ১৭ টাৰ পৰা ৮ টা লৈ হ্ৰাস কৰা আৰু এনে সংৰক্ষিত উদ্যোগবোৰৰ মাজত বাছনিমূলক প্ৰতিযোগিতাৰ ব্যৱস্থা কৰা।
- ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানত চৰকাৰীখণ্ডৰ বিনিয়োগৰ ক্ষেত্ৰত নিৰ্বিনিয়োজন নীতি গ্ৰহণ আৰু ব্যক্তিগতখণ্ডৰ বিনিয়োগ বৃদ্ধিৰ বাবে উৎসাহ প্ৰদান কৰা।
- দুৰ্ব্বল বা সমস্যাৰে পৰিপূৰ্ণ তথা লোকচান ভৰি থকা ৰাজহুৱা প্ৰতিষ্ঠানৰ ক্ষেত্ৰত ব্যক্তিগত প্ৰতিষ্ঠানৰ লেখীয়া নীতি গ্ৰহণ কৰা।
- কাৰ্য্য সম্পাদন চুক্তি বা বুজাপৰাৰ চুক্তি চমুকৈ 'MOU' পদ্ধতিৰ জৰিয়তে চৰকাৰী খণ্ডৰ প্ৰতিষ্ঠানৰ কাৰ্য্যকাৰীতাৰ উৎকৰ্ষ সাধন কৰা আৰু পৰিচালনাৰ ক্ষেত্ৰত কৰ্ত্তৃপক্ষক যথেষ্ট স্বাধীনতা দিয়াৰ লগতে দায়বদ্ধ কৰি ৰখা।

১৩.৪ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ প্ৰকাৰ

অধ্যায়টিৰ এই ভাগটোত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ বিভিন্ন প্ৰকাৰৰ বিষয়ে আলোচনা কৰা হৈছে। দেশবোৰৰ সাংবিধানিক ব্যৱস্থা, অৰ্থনৈতিক পটভূমি আৰু সামাজিক ও ৰাজনৈতিক ব্যৱস্থা অনুসৰি ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰৰ প্ৰকাৰ দেশ ভেদে বেলেগ বেলেগ হোৱা দেখা যায়। ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ প্ৰধান ভাগবোৰ আৰু তাৰ কাৰ্য্যাৱলী তলত দিয়া ধৰণে আলোচনা কৰিব পৰা যায়-

- **বিভাগীয় প্ৰতিষ্ঠান ঃ** এই প্ৰকাৰৰ সংগঠনত ৰাজহুৱা প্ৰতিষ্ঠানে চৰকাৰৰ বিভাগ এটা হিচাপে কাম কৰে। ৰেল সেৱা, ডাকসেৱা, অনাতাঁৰ, প্ৰচাৰ কেন্দ্ৰ সেৱা আদিৰ বাবে বিভাগীয় চৰকাৰী প্ৰতিষ্ঠান বোৰক ব্যৱহাৰ কৰা হয়। এনে ধৰণৰ প্ৰতিষ্ঠানসমূহে সাধাৰণতে চৰকাৰী মন্ত্ৰী পৰিষদ একোটাৰ অধীনস্থ হৈ কাম কৰে। এনেধৰণৰ প্ৰতিষ্ঠানবোৰে কাম কৰাৰ ক্ষেত্ৰত ৰাজহুৱা স্বাৰ্থত চৰকাৰী নিয়ন্ত্ৰণৰ আৱশ্যক হয়। বিভিন্ন প্ৰকাৰৰ বিভাগীয় প্ৰতিষ্ঠানৰ উদাহৰণবোৰ হৈছে- ভাৰতীয় ৰেল সেৱা বিভাগ, ভাৰত সঞ্চাৰ নিগম বা প্ৰচাৰ ভাৰতী, ডাঁক বিভাগ ইত্যাদি।
- **বিধিগত আইনৰ দ্বাৰা প্ৰতিষ্ঠিত নিগম ঃ** এনে নিগম সমূহ সাধাৰণতে দেশৰ সংসদ বা ৰাজ্যিক বিধান মণ্ডলে সৃষ্টি কৰা ৰাজহুৱা সংগঠন। এনে প্ৰতিষ্ঠানৰ বিত্তীয় দিশটো চৰকাৰৰ পুঁজিৰ দ্বাৰা পৰিচালিত হোৱা দেখা যায়। এনেধৰণৰ প্ৰতিষ্ঠানৰ উদাহৰণ হৈছে ভাৰতীয় জীৱন বীমা নিগম, সাধাৰণ বীমা নিগম, ৰাজ্যিক বেচা-কিনা নিগম, ভাৰতীয় বিলাতী মাটি নিগম, তেল আৰু প্ৰাকৃতিক গেছ নিগম **ইত্যাদি**।

- **চৰকাৰী কোম্পানী** ঃ চৰকাৰী কোম্পানী বুলিলে এনেকুৱা কোম্পানীবোৰক বুজোৱা হয় যিবোৰ প্ৰতিষ্ঠানৰ আদায়ীকৃত মূলধনৰ ৫১ শতাংশ বা তাতোকৈ বেছি চৰকাৰৰ মালিকানাত থাকে। এনে প্ৰতিষ্ঠানবোৰ কোম্পানী আইনৰ অধীনত পঞ্জীয়ন ভুক্ত কৰা হয় আৰু সম্পূৰ্ণভাবে এনে প্ৰতিষ্ঠানবোৰ উক্ত-আইনখনৰ দ্বাৰা পৰিচালিত হয়। চৰকাৰী মালিকানাত থকা আৰু পৰিচালিত সৰহভাগ ব্যৱসায়িক গোটক এই শ্ৰেণীৰ অন্তৰ্ভূক্ত কৰা হয়। চৰকাৰী কোম্পানী কেতবোৰৰ উদাহৰণ হ'ল-ব্ৰেইথৱেইট এণ্ড কোম্পানী, ব্ৰীজ এণ্ড ৰুফ কোম্পানী, চেন্ট্ৰে'ল ৰে'লচাইড ৰেৰহাউছিং কোম্পানী, কোচিন শ্বিপয়ার্ড, গোৱা শ্বিপয়ার্ড, কেন্দ্ৰীয় খনি পৰিকল্পনা আৰু আৰ্হি প্ৰস্তুতকাৰী প্ৰতিষ্ঠান, এয়াৰ ইণ্ডিয়া লিমিটেড ইত্যাদি।

১৩.৫ উন্নয়নশীল অৰ্থনীতিত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ভূমিকা

পিচপৰা দেশবোৰত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰে গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰে। আজিকালি উন্নত দেশবোৰৰ অৰ্থনীতিটো ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে উল্লেখযোগ্য বৰঙনি আগবঢ়োৱা দেখা যায়। অনুন্নত দেশবোৰত সাধাৰণতে দেখা যায় যে মানুহবোৰ দুখীয়া ,তদুপৰি অৰ্থনৈতিক সম্পদৰাজি অব্যৱহৃত অৱস্থাত থকাৰ লগতে ব্যক্তিগত খণ্ডত মূলধন গঠনৰ হাৰ নিম্ন হোৱা পৰিলক্ষিত হয়। সেয়েহে এনে দেশবোৰত চৰকাৰে দেশখনৰ দুৰ্লভ সম্পদৰাজিৰ ব্যৱহাৰ কৰাৰ উপৰিও উৎপাদনশীল খণ্ডত বিনিয়োগৰ বাবে মূলধন গঠন কৰাৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰা দেখা যায়। উন্নয়নশীল অৰ্থনীতিত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ভূমিকা সম্পৰ্কে তলত আলোচনা কৰা হ'ল—

- **আন্তঃগাঁথনিৰ উন্নয়ন ঃ** ৰাজহুৱা খণ্ডই দেশ এখনৰ আন্তঃগাঁথ নিৰ উন্নয়নত এক গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। আন্তঃগাঁথনি এনে এটা ক্ষেত্ৰ য'ত যথেষ্ট মূলধন বিনিয়োগৰ আৱশ্যক হয় আৰু আনহাতে লাভৰ পৰিমাণ অনিশ্চিত হোৱা দেখা যায়। ব্যক্তিগত খণ্ডই সেয়েহে এই ক্ষেত্ৰত তেওঁলোকৰ প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰিবলৈ ইতস্ততঃ কৰে, কিন্তু ৰাজহুৱা স্বাৰ্থত এই ক্ষেত্ৰবোৰক অৱহেলা কৰিব পৰা নাযায়। সেয়েহে উন্নয়নশীল দেশত আন্তঃগাঁথনিৰ বিভিন্ন প্ৰকল্প নিৰ্মাণৰ দায়িত্ব ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে গ্ৰহণ কৰিব লগা হয়।
- **অৰ্থনৈতিক উন্নয়নৰ বাবে বিত্ত বা পুঁজি যোগানৰ উৎস ঃ** অনুন্নত দেশবোৰক উন্নয়নৰ পথত আগুৱাই নিবলৈ প্ৰচুৰ পৰিমানে অৰ্থসম্পদৰ প্ৰয়োজন হয়। ব্যক্তিগত খণ্ডবোৰে সাধাৰণতে তেনেবোৰ ক্ষেত্ৰতহে সম্পদ বিনিয়োগ কৰিবলৈ আগ্ৰহান্বিত হয় যিবোৰ ক্ষেত্ৰত বিনিয়োগ কৰিলে কম সময়ত অত্যাধিক লাভ অৰ্জন কৰিব পাৰে। এনেও হোৱা দেখা যায় ব্যক্তিগত খণ্ডই এনে খণ্ড বা ক্ষেত্ৰবোৰত বিনিয়োগ কৰিব বিচাৰে যিবোৰত উৎপাদন বৃদ্ধি আৱশ্যক নহয় আৰু যিবোৰ খণ্ড অৰ্থনৈতিক উন্নয়নৰ বাবে গুৰুত্বপূৰ্ণ তেনে খণ্ডবোৰৰ প্ৰতি অৱহেলা প্ৰদৰ্শন কৰা দেখা যায়। এনে পৰিস্থিতিত চৰকাৰে ৰাজহুৱা প্ৰতিষ্ঠানৰ জৰিয়তে অৰ্থনৈতিক উন্নয়নৰ বাবে পুঁজিৰ যোগান ধৰিব পাৰে।

- **সঞ্চয় আৰু মূলধন গঠন ঃ** বিশ্বৰ অনুন্নত দেশবোৰত সঞ্চয়ৰ হাৰ সাধাৰণতে নিম্ন হোৱা দেখা যায়। নিম্ন আয়ৰ লোক সকলৰ প্ৰান্তিক ভোগ প্ৰৱণতা অত্যাধিক হোৱা বাবে সঞ্চয়ৰ হাৰো নিম্ন হয়। ইয়াৰ ফলত মুলধন গঠনৰ হাৰ নিম্ন হয় আৰু বিনিয়োগৰ হাৰো নিম্ন হয়। ৰাজহুৱা প্ৰতিষ্ঠানে মূলধন গঠনৰ হাৰ বৃদ্ধি কৰাৰ লগতে বিনিয়োগৰ পৰিমাণো বৃদ্ধি কৰাত অৰিহণা যোগায়।
- **অৰ্থনৈতিক বিকাশৰ হাৰ বৃদ্ধি ঃ** উদ্যোগিক উন্নয়নৰ বাবে এক শক্তিশালী ভেটি সৃষ্টি কৰি দেশখনৰ অৰ্থনৈতিক বিকাশৰ হাৰ বৃদ্ধি কৰাৰ ক্ষেত্ৰতো ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে এক তাতপৰ্য্যপূৰ্ণ ভূমিকা গ্ৰহণ কৰাতো পৰিলক্ষিত হয়। অৰ্থাৎ দেশখনৰ অৰ্থনৈতিক বিকাশৰ হাৰ বৃদ্ধিৰ ক্ষেত্ৰত চৰকাৰী প্ৰতিষ্ঠানৰ তাৎপৰ্য্যপূৰ্ণ ভূমিকা স্বীকাৰ কৰিব লাগিব। এটা মজবুত আৰু ভিন্নমূখী উদ্যোগিক ভেটিয়ে ব্যক্তিগত খণ্ডৰ পুঁজিৰ বিনিয়োগৰ বাবে অৰ্থব্যৱস্থাটোক প্ৰস্তুত কৰি তোলে।
- **সম্পদ ৰাজিৰ যথোপযুক্ত ব্যৱহাৰ ঃ** যিকোনো দেশ বা জাতিৰ উন্নয়নৰ ক্ষেত্ৰত গুৰুত্বপূৰ্ণ উপাদান হৈছে দেশখনত মজুত থকা সম্পদ ৰাজিৰ কেনেদৰে যথোপযুক্ত ব্যৱহাৰ কৰিব পৰা যায়। দেশখনৰ সম্পদ ৰাজিৰ দক্ষতাপূৰ্ণ ভাবে ব্যৱহাৰ কৰাৰ দায়িত্ব দেশখনৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানক অৰ্পণ কৰিব পৰা যায়। এই সম্পদবোৰৰ কাম্য আৰু বহনক্ষম ব্যৱহাৰে দেশখনৰ লগত সকলো শ্ৰেণীৰ মানুহকো সমৃদ্ধিৰ পথত আগুৱাই নিব পাৰে।
- **সম্পদ প্ৰয়োগৰ পদ্ধতি বা প্ৰকাৰ ঃ** সম্পদৰ উপযুক্ত ব্যৱহাৰৰ লগতে সম্পদসমূহৰ সুষম বিতৰণ হোৱাতো সমানেই গুৰুত্বপূৰ্ণ বিষয়। শিক্ষা -স্বাস্থ্য- আন্তঃগাঁথনি আদিৰ ক্ষেত্ৰত যাতে সম্পদৰ সুষম বিতৰণ হয় চৰকাৰে ৰাজহুৱা প্ৰতিষ্ঠানৰ জৰিয়তে সেইটো সুনিশ্চিত কৰিব লাগিব।
- **আঞ্চলিক বৈষম্য দূৰীকৰণ ঃ** ভাৰতবৰ্ষ এখনদেশ য'ত আঞ্চলিক বৈষম্য অতি বেছি। অৱশ্যে ভাৰতৰ পৰিকল্পনা আয়োগৰ এটা প্ৰধান লক্ষ্য হৈছে দেশখনৰ পৰা আঞ্চলিক 'বৈষম্য দূৰ কৰা'। চৰকাৰে দেশখনৰ পিছপৰা অঞ্চলবোৰত ৰাজহুৱাখণ্ডৰ প্ৰতিষ্ঠান প্ৰতিষ্ঠা কৰা উচিত যাতে ই আঞ্চলিক বৈষম্য হ্ৰাস কৰাৰ লগতে দূৰ কৰাতো সহায় কৰিবপাৰে।
- **আয়ৰ বৈষম্য হ্ৰাস কৰা ঃ** আয়ৰ বৈষম্য দূৰ কৰাটো এটা লক্ষ্য যিটো লক্ষ্যত ৰাজহুৱা প্ৰতিষ্ঠানৰ দ্বাৰা উপনীত হ'ব পৰা যায়। দেশখনৰ সৰ্ব্বাঙ্গীন কল্যাণ বৃদ্ধি কৰিবলৈ প্ৰথম আৰু প্ৰধান উপায় হৈছে দেশখনৰ ভিতৰত সম্পদৰ সমবিতৰণ কৰা। সমাজৰ দুখীয়া শ্ৰেণীটোলৈ নিয়োগ আৰু অন্যান্য সা-সুবিধা প্ৰদানৰ ক্ষেত্ৰত চৰকাৰী বা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰে এক গুৰুত্বপুৰ্ণ ভূমিকা পালন কৰিব পাৰে।
- **ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানৰ শোষণ ৰোধ কৰা ঃ** ব্যক্তিগত খণ্ডই উপভোক্তাৰ ওপৰত চলোৱা শোষণকাৰ্য্য প্ৰতিৰোধ কৰাত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰে এক সক্ৰিয় ভূমিকা পালন কৰিব পাৰে। এইটো সহজেই অনুমেয় যে ব্যক্তিগত খণ্ডৰ প্ৰতিষ্ঠানবিলাকে উচ্চ দামত নিম্নমানৰ বস্তুৰ যোগান ধৰি উপভোক্তাসকলক শোষণ কৰাৰ প্ৰয়াস কৰে। এনে

সামগ্ৰীবোৰ উৎপাদন কৰি চৰকাৰী প্ৰতিষ্ঠানে ব্যক্তিগত খণ্ডৰ শোষণৰ প্ৰয়াস প্ৰতিৰোধ কৰিব পাৰে।

- **আত্মনিৰ্ভৰশীলতা ঃ** বৰ্তমানৰ প্ৰতিযোগিতাশীল বিশ্বত প্ৰত্যেক দেশেই কেতবোৰ গুৰুত্বপূৰ্ণ বিষয় যেনে প্ৰতিৰক্ষা আৰু মুখ্য সা-সুবিধাবোৰ লাভ কৰাৰ ক্ষেত্ৰত সুনিশ্চিত হোৱা উচিত। বিদেশী ৰাষ্ট্ৰৰ ওপৰত অত্যাধিক নিৰ্ভৰশীলতাই জৰুৰী অৱস্থাৰ সময়ত বৃহৎ দেশ একোখনক সংকটপূৰ্ণ অৱস্থাত পেলাব পাৰে।
- **নিয়োগকৰ্ত্তাৰ আৰ্হি হিচাপে ৰাজহুৱা প্ৰতিষ্ঠানবোৰঃ** ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰে নিয়োগ কৰ্ত্তাৰ আৰ্হি হিচাপে কাম কৰিব লাগে। এইধৰণৰ প্ৰতিষ্ঠানবোৰে কৰ্মচাৰী নিয়োগ কৰাৰ ক্ষেত্ৰত সুনিশ্চিত হোৱা উচিত যেন সমাজৰ সকলো শ্ৰেণীৰ মানুহে কৰ্মসংস্থান লাভ কৰে। সমাজৰ পিচ পৰা শ্ৰেণীৰ লোকসকলক নিয়োগৰ সুবিধা দিয়াৰ বাবে এনে প্ৰতিষ্ঠানবোৰে বিশেষ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে।
- **ৰপ্তানিৰ প্ৰসাৰ আৰু আমদানিৰ বিকল্পঃ** ৰাজহুৱাখণ্ডৰ প্ৰতিষ্ঠানবোৰে ৰপ্তানিৰ প্ৰসাৰৰ বাবে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। চৰকাৰে এনেবোৰ প্ৰতিষ্ঠানৰ জৰিয়তে ৰপ্তানিৰ বাবে উন্নতমানৰ সামগ্ৰী প্ৰস্তুত কৰি বিনিময়ত যথেষ্ট বিদেশী মুদ্ৰা আহৰণ কৰিব পাৰে। এনেদৰে আমদানিৰ বিকল্প সামগ্ৰী উৎপাদনৰ জৰিয়তে মূল্যবান বৈদেশিক মুদ্ৰাৰ সঞ্চয়ৰ ভড়াল টনকিয়াল কৰি দেশখনক আত্মনিৰ্ভৰশীল কৰি তোলাত সহায় কৰিব পাৰে।
- **অৰ্থনৈতিক কল্যাণমূলক সেৱাঃ** দেশ এখনৰ অৰ্থনৈতিক কাৰ্য্যাৱলীত চৰকাৰী হস্তক্ষেপৰ মূল অভিপ্ৰায় হৈছে সমাজৰ সৰ্বমুঠ কল্যাণ বৃদ্ধি কৰা। স্বাস্থ্যসেৱাৰ সুবিধা কৰা, প্ৰয়োজনীয় সামগ্ৰী ও সেৱা উৎপাদন কৰা, নিয়োগ আৰু জীৱিকাৰ সুযোগ আদিৰ দৰে কল্যাণমূলক কামবোৰ কৰাৰ বাবে চৰকাৰী প্ৰতিষ্ঠানবোৰেই হৈছে চৰকাৰৰ প্ৰধান হাতিয়াৰ বা আহিলা।

চিন্তা-চৰ্চা কৰক



অসমৰ যিকোনো এটা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ তাৎপৰ্য্য স্পষ্টকৈ দেখুৱাওক।

.....

.....

.....

.....

.....



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ১ ঃশুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰ লাভৰ অভিপ্ৰায়েৰে

পৰিচালিত নহয়। (শুদ্ধ/অশুদ্ধ)

(খ) সঞ্চয় আৰু মূলধন গঠনৰ ব্যৱস্থা কৰাত চৰকাৰী ব্যৱসায় প্ৰতিষ্ঠান এটাৰ গুৰুত্বপূৰ্ণ ভূমিকা আছে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ২ ঃ ব্যক্তিগত প্ৰতিষ্ঠান আৰু ৰাজহুৱা প্ৰতিষ্ঠানৰ মাজত তুলনা কৰক। (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

প্ৰশ্ন ৩ঃ কেইটামান উদাহৰণসহ বিভাগীয় প্ৰতিষ্ঠানৰ সংজ্ঞা লিখক (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

.....

১৩.৬ ভাৰতবৰ্ষত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ কাৰ্য্যকাৰিতা আৰু সমস্যাসমূহ

ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ বিত্তীয় কাৰ্য্যকাৰিতা এটা বিশাল পৰিসৰৰ আলোচনাৰ বিষয়। স্বাধীনতাৰ পিছৰে পৰা ভাৰতে ইতিমধ্যে (১৯৫১-২০১৭) ছয়টা দশক অতিক্ৰম কৰিলে। ভাৰতীয় অৰ্থনীতিৰ বৃহত্তম উন্নয়নৰ বাবে উদ্যোগিক ভেটি নিৰ্মাণৰ ক্ষেত্ৰত চৰকাৰী খণ্ডৰ প্ৰতিষ্ঠানৰ বৰঙণি নিঃসন্দেহে গুৰুত্বপূৰ্ণ। ২০১৩-২০১৪ চনত ৰাজহুৱা খণ্ডৰ মুঠ উপাৰ্জনৰ পৰিমাণ আছিল ২০,৬৬,০৫৭ কোটি টকা । দেশখনত মূল আৰু গধুৰ উদ্যোগসমূহ স্থাপনৰ ক্ষেত্ৰত ৰাজহুৱাখণ্ডৰ প্ৰতিষ্ঠানে কৰা সহায়ৰ বাবে দেশখনৰ অৰ্থনীতিৰ সুষম বিকাশ সম্ভবপৰ হৈ উঠিছে। ভাৰতৰ অৰ্থনৈতিক উন্নয়নৰ ধাৰাবাহিকতা অক্ষুন্ন হৈ থকাৰ পৰা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ কাৰ্য্যকৰিতা অনুমান কৰিব পৰা যায়। ৰেল সেৱা, পথ পৰিবহন, বিদ্যুৎশক্তিৰ উৎপাদন, শিক্ষা আৰু স্বাস্থ্য ইত্যাদিৰ দৰে অৰ্থনৈতিক আন্তঃগাঠনি নিৰ্মাণৰ ক্ষেত্ৰত ভাৰতবৰ্ষত ৰাজহুৱা খণ্ডই বিশেষ বৰঙনি যোগাই আহিছে। ১৯৫৬ চনৰ পৰাই ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ক্ষেত্ৰত উল্লেখনীয় বিকাশ পৰিলক্ষিত হৈ আহিছে। সামগ্ৰী আৰু সেৱাৰ উৎপাদনৰ বাবে ভাৰতৰ কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ উভয়ে উদ্যোগিক প্ৰতিষ্ঠানবোৰ স্থাপন কৰি আহিছে। কেন্দ্ৰীয় চৰকাৰৰ তত্ত্বাবধানত থকা ৰাজহুৱাখণ্ডৰ প্ৰতিষ্ঠানৰ বিকাশ তলত উল্লেখ কৰা ১৩.১ নং তালিকাৰপৰা লক্ষ্য কৰিব পৰা যায়।

তালিকা নং ১৩.১

কেন্দ্রীয় চৰকাৰৰ তত্ত্বাৱধানত থকা ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰৰ বিকাশ

বর্ষ	সর্ব মূঠ গোটৰ সংখ্যা	সমৃদ্ধিমূলক বিনিয়োগ (কোটি টকা হিচাপে)
১৯৫১	৫	২৯
১৯৬১	৪৭	৯৫০
১৯৮০	১৭৯	১৮,১৫০
১৯৯১	২৪৪	৯৯৩৩০
২০০০	২৪০	২৫২,৭৪৫
২০০১	২৪২	২৭৪,১১৪
২০০৫	২৩৭	৩৫৭৮৪৯
২০০৭	২৪৪	৪২১,০৮৯
২০০৮	২৪২	৪৫৫,৪০৯
২০১০	২১৭	৫৭৯,৯২০
২০১২	২০০	-
২০১৫	২৩৫	-

উৎসঃ উদ্যোগীক নীতিৰ হাতপুথি (বিভিন্ন সময়ত প্রকাশিত), অর্থনৈতিক পৰামর্শ দাতাৰ কার্য্যলয়, বাণিজ্য আৰু উদ্যোগ বিভাগৰ মন্ত্রালয়। (Industrial Policy Handbook, Office of the Economic Advisor, Ministry of Commerce and Industry, Various Issues)

১৩.১ নং তালিকাখনৰ পৰা দেখা গৈছে যে ১৯৫১ চনত ভাৰতবর্ষত কেন্দ্রীয় চৰকাৰৰ তত্ত্বাবধানত মাত্র ৫ টা ৰাজহুৱা খণ্ডৰ উদ্যোগ প্রতিষ্ঠান আছিল আৰু এইবোৰত বিনিয়োগ কৰা মূলধনৰ পৰিমাণ আছিল ২৯ কোটি টকা। ১৯৯১ চনত এনে প্রতিষ্ঠানৰ সংখ্য ২৪৪ টালৈ বৃদ্ধি পোৱাৰ লগতে বিনিয়োগ কৰা মূলধনৰ পৰিমাণ ৯৯,৩৩০ টকা হৈছিল। ২০১০ চনৰ মার্চ মাহৰ শেষত কেন্দ্রীয় চৰকাৰৰ অধীনস্থ ৰাজহুৱাখণ্ডৰ প্রতিষ্ঠানৰ সংখ্যা আছিল ২১৭ টা আৰু এই বোৰত বিনিয়োগ কৰা মূলধনৰ পৰিমাণ আছিল ৫,৭৯,৯২০ কোটি টকা।৩১.৩.২০১৫ তাৰিখত ভাৰতবর্ষত ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানৰ সংখ্যা আছিল ২৩৫ টা, ইয়াৰে ১৮১ টা আছিল কেন্দ্রীয় চৰকাৰৰ অধীনস্থ ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠান (Central Public Sector Enterprises চমুকৈ CPSE) আৰু ৫৪ টা সাময়িক বা অস্থায়ী বুলি বিবেচনা কৰা হৈছিল। যদিও ৰাজহুৱা খণ্ডৰ কার্য্যকাৰিতা বা সফলতা তেনে প্রতিষ্ঠানে অর্জন কৰা লাভৰ পৰিমাণৰ ওপৰত ভিত্তি কৰি বিচাৰ কৰা হয় দৰাচলতে সেইটো যথোপযুক্ত বিচাৰ নহয়, কাৰণ লাভ অর্জন কৰাতকৈও ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠান বোৰৰ মূল অভিপ্রায় হৈছে বিভিন্ন সামাজিক লক্ষ্য, যেনে দুখীয়া শ্রেণীৰ মানুহক নিয়োগ আৰু উপার্জন কৰাৰ সুযোগ প্রদান কৰা, সকলো শ্রেণীৰ মানুহৰ বাবে সুবিধাজনক বস্তুৰ যোগান ধৰা

আৰু আঞ্চলিক বৈষম্য দূৰ কৰা। সেই ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰে কৃতকাৰ্য্য হৈছেনে নাই সেইটো দৰাচলতে বিচাৰ্য্য বিষয়। সেইটো দৃষ্টিকোণৰ পৰা চাবলৈ গ'লে সৰহ ভাগ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে বছৰৰ পিছত বছৰ ধৰি লোকচান ভৰি থকাটো পৰিলক্ষিত হৈ আহিছে। ২০১৬ চনৰ জুন মাহত কেন্দ্ৰীয় চৰকাৰৰ অধীনত থকা ৭ টা মহাৰত্ন পৰ্য্যায়ৰ ৰাজহুৱা প্ৰতিষ্ঠান হৈছে ভাৰত হেভী ইলেক্‌ট্ৰিকেল, কল ইণ্ডিয়া লিমিটেড, গেছ অথৰিটি অৱ ইণ্ডিয়া লিমিটেড, ইণ্ডিয়ান অয়ল কৰ্পৰেছন, নেচনেল থাৰ্মেল পাৱাৰ কৰ্পৰেছন লিমিটেড, অয়ল এণ্ড নেচাৰেল গেছ কৰ্পৰেছন লিমিটেড, ষ্টীল অথৰিটি অৱ ইণ্ডিয়া লিমিটেড । এই ৭ টা প্ৰতিষ্ঠানৰ যোৱা তিনিটা বছৰত কৰ আদায় দিয়াৰ পিছত বাৰ্ষিক গড় প্ৰকৃত শুদ্ধ লাভৰ পৰিমাণ আছিল ৫০০০ কোটি টকা। একেদৰে কেন্দ্ৰীয় পৰ্য্যায়ৰ সোতৰটা নৱৰত্ন ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান আছে। যেনে- ভাৰত ইলেক্ট্ৰনিক লিমিটেড, ভাৰত পেট্ৰোলিয়াম কৰ্পৰেছন লিমিটেড,হিন্দুস্থান এৰোনেটিক লিমিটেড ইত্যাদি। এই ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰৰ নীতি হৈছে ধনাত্মক শুদ্ধ সম্পদ অৰ্জন কৰা। শুদ্ধ সম্পদ মানে হৈছে - একোটা অনুষ্ঠানৰ মালিকানাত বিত্তীয় আৰু অনাবিত্তীয় পৰিসম্পদৰ মূল্য য'ত অনুষ্ঠানটোৰ সকলো প্ৰকাৰৰ দিবলগীয়া মুল্য বাদ দিয়া হয় ।

কিন্তু ভাৰতৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান বিলাকৰ কাৰ্য্যক্ৰমৰ বিষয়ে সমালোচনা কৰি অৰ্থনীতিবিদ সকলে বিভিন্ন বিষয়ৰ ওপৰত নীতি প্ৰস্তুত কৰি আহিছে। ভাৰতবৰ্ষত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানসমূহৰ কিছুমান অসুবিধা তলত উল্লেখ কৰা হল-

- **কৰদাঁতাৰ ওপৰত বোজা ঃ** ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ বাবে লগা বৃহৎ পৰিমানৰ পূঁজি আৰু চৰকাৰী মূলধন আৰু ঋণৰ সুদ পৰিশোধৰ কথা বিবেচনা কৰি চালে চৰকাৰে বৃহৎ পৰিমাণে কৰ ধাৰ্য্য কৰিব লগা হয়। এই কৰবোৰ সমাজৰ সকলো শ্ৰেণীৰ লোকে পৰিশোধ কৰিব লাগে। প্ৰধানত পৰোক্ষ কৰৰ দ্বাৰা পূজি সংগ্ৰহ কৰিব লগা হলে কৰৰ বোজা দুখীয়া শ্ৰেণীৰ ওপৰত অধিক পৰা দেখা যায়।
- **ৰাজহুৱা ধনৰ পুঁজিৰ অপব্যৱহাৰ ঃ** ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ ক্ষতি অংশীদাৰ সকলে বহন কৰিব লগা হয়। আমাৰ দেশত অসংখ্য উদাহৰণ আছে য'ত কোটি কোটি টকা খৰচ কৰাৰ পিচতো বহুতো প্ৰকল্প বাদ দিব লগা হৈছে, অৰ্থাৎ ৰাজহুৱা সম্পদৰ অপব্যৱহাৰ হৈছে।
- **নিম্নমানৰ পৰিকল্পনা আৰু বজাৰ অধ্যয়ন ঃ** ৰাজহুৱাখণ্ডৰ প্ৰতিষ্ঠানবোৰে উপযুক্ত পৰিকল্পনা আৰু বজাৰ অধ্যয়নৰ অভাবত প্ৰায়ে অসুবিধা ভুগিব লগা হয়। উৎপাদন সম্পৰ্কত পৰিকল্পনাৰ অভাবৰ ফলত সৃষ্টি হোৱা লোকচানবোৰ সাধাৰণ মানুহে বহন কৰিব লগা হয়।
- **অসাধু আচৰণ ঃ** বহুসময়ত বিনিয়োগৰ ক্ষেত্ৰত ৰাজনৈতিক হেচাঁ আৰু ব্যক্তিগত স্বাৰ্থ পৰিলক্ষিত হয়। ঘোচখোৱা বা অসাধু চৰকাৰী বিষয়া, ৰাজনীতিবিদ আৰু বিত্ত যোগানধাৰী সকলৰ মাজত বুজাপৰা থকাটোও অস্বাভাৱিক নহয়।
- **নেতৃত্বৰ অভাব ঃ** ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ পৰিচালনা কাৰ্য্য সদায় জনসাধাৰণক কৈফিয়ৎ দিয়াৰ বাবে ভয়ত থাকিব লগা হয়। গতিকে এনে প্ৰতিষ্ঠানৰ পৰিচালনাৰ ক্ষেত্ৰত সঠিক

সময়ত সঠিক সিদ্ধান্ত লোৱাৰ বাবে নেতৃত্বৰ অভাব হোৱা দেখা যায়।

- **ব্যৱসায়িক অভিজ্ঞতাৰ অভাব ঃ** ব্যৱহাৰিক ক্ষেত্ৰত দেখা যায় যে কোম্পানী বিলাকৰ পৰিচালনাৰ দায়িত্ব এনে কিছুমান প্ৰশাসনিক বিষয়াৰ ওপৰত অৰ্পণ কৰা হয় যিসকলৰ ব্যৱসায় প্ৰতিষ্ঠানটোৰ বিত্তিগত দিশত পৰিচালনা কৰাৰ অভিজ্ঞতাৰ অভাব দেখা যায়। সেয়েহে সৰহভাগ ক্ষেত্ৰতে তেওঁলোকে প্ৰয়োজনীয় দক্ষতা দেখুৱাবলৈ অসমৰ্থ হয়।
- **পৰিচালনা আৰু নীতিবোৰৰ পৰিবৰ্তন ঃ** চৰকাৰৰ পৰিবৰ্তনৰ লগে লগে সাধাৰণতে এনে প্ৰতিষ্ঠানবোৰৰ নীতিবোৰ আৰু পৰিচালনাৰ ক্ষেত্ৰত পৰিবৰ্তন হৈ থকা দেখা যায়। নীতি নিয়ম আৰু পৰিচালনা প্ৰক্ৰিয়াৰ সঘনে হোৱা পৰিবৰ্তনৰ ফলত ব্যৱসায় প্ৰতিষ্ঠানবোৰত এক অস্বাস্থ্যকৰ পৰিস্থিতিৰ উদ্ভব হোৱা দেখা যায়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৪ ঃশুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) ভাৰতবৰ্ষত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰে অৰ্থসামাজিক আন্তঃগাঁথনি স্থাপনত বৰঙণি যোগায়। (শুদ্ধ / অশুদ্ধ)

(খ) ভাৰতবৰ্ষৰ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে অৰ্থব্যৱস্থাটোৰ ভাৰসাম্য উন্নয়নত সহায় কৰে। (শুদ্ধ / অশুদ্ধ)

প্ৰশ্ন ৫ ঃ ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে উন্নয়ন প্ৰক্ৰিয়াত কেনেদৰে বৰঙণি যোগায়? আলোচনা কৰক। (৩০ টা শব্দৰ ভিতৰত)

.....

.....

.....



১৩.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কেন্দ্ৰীয়, ৰাজ্য বা স্থানীয় চৰকাৰৰ দ্বাৰা পৰিচালিত আৰু নিয়ন্ত্ৰিত হোৱা ব্যৱসায়ীক গোট সমূহকে ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠান বুলি কোৱা হয়।
- ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানৰ কিছুমান বিশেষ বৈশিষ্ট্য আছে যেনে- এনে প্ৰতিষ্ঠানবোৰ চৰকাৰৰ মালিকানাত বা তত্বাবধানত থাকে, চৰকাৰে বিত্তৰ যোগান ধৰে, এইবোৰ প্ৰতিষ্ঠান লাভৰ অভিপ্ৰায়ত পৰিচালিত নহয়, এনে প্ৰতিষ্ঠানবোৰে পৰিবৰ্তন বিদ্যুৎ আৰু দূৰসংযোগ আদিৰ দৰে ৰাজহুৱা উপযোগিতা সেৱাবোৰৰ যোগান ধৰে।
- চৰকাৰী খণ্ডৰ প্ৰতিষ্ঠানবোৰ ভাৰতৰ অৰ্থনৈতিক ব্যৱস্থাৰ প্ৰধান ভেটি, উচ্চ হাৰৰ অৰ্থনৈতিক বিকাশৰ বাবে সমষ্টিগত অৰ্থনীতিৰ বহল লক্ষ্যবোৰত উপনীত হোৱাৰ উদ্দেশ্যেৰে এনে প্ৰতিষ্ঠানবোৰ স্থাপন কৰা হয়।
- চৰকাৰী খণ্ডৰ প্ৰতিষ্ঠানবোৰে বস্তুসামগ্ৰী আৰু সেৱা উৎপাদনৰ ক্ষেত্ৰত আত্ম নিৰ্ভৰশীল হোৱাত সহায় কৰে, বৈদেশিক বাণিজ্যৰ লেন-দেনৰ ক্ষেত্ৰত দীৰ্ঘকালীন ভাৰসমতা

লাভৰ ব্যৱস্থা কৰে, দামৰ স্থিৰতা সুনিশ্চিত কৰাৰ লগতে প্ৰয়োজনীয় সামগ্ৰীৰ দৰৰ সীমা নিৰ্দ্ধাৰণ কৰে, আয় আৰু সম্পদৰ পুনৰ বিতৰণৰ ক্ষেত্ৰত উন্নতি সাধন কৰে, আঞ্চলিক ভাৰসাম্যতা ৰক্ষা কৰে আৰু নিয়োগৰ সুযোগ সৃষ্টি কৰে।

- ভাৰত বৰ্ষত মূলধন নিবিড় খণ্ডৰ উন্নয়ন, কৃষিৰ উন্নয়ন, আঞ্চলিক ভাৰসাম্যতা ৰক্ষা কৰা, নিয়োগৰ সুযোগ আৰু নিয়োগ সৃষ্টি কৰা, অৰ্থনৈতিক ক্ষমতাৰ কেন্দ্ৰীভূত হোৱাত বাধা দিয়া, ৰপ্তানিৰ প্ৰসাৰ আৰু আমদানি প্ৰতিকল্পৰ ব্যৱস্থা কৰা, গৱেষণা আৰু উন্নয়নৰ ব্যৱস্থা কৰা আৰু সম্পদ আহৰণ কৰা ইত্যাদিবোৰৰ ক্ষেত্ৰত ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানে গুৰুত্বপূৰ্ণ ভুমিকা গ্ৰহণ কৰি আহিছে।
- ৰাজহুৱা খণ্ডৰ প্ৰতিষ্ঠানবোৰৰ বিভিন্ন প্ৰকাৰৰ অসুবিধা বা সমস্যাসমূহ হৈছে চৰকাৰী দায়বদ্ধতাৰ অভাব, পৰিচালন সঞ্চালক সকলৰ অভিজ্ঞতাৰ অভাব আৰু চৰকাৰে গ্ৰহন কৰা অৰ্থনৈতিক নীতিবোৰৰ সঘনে হোৱা পৰিবৰ্তন ইত্যাদি।

১৩.৮ অধিক জানিবৰ বাবে

১) Musgrave, R.A. and Musgrave, P. B. (2017). *Public Finance in Theory and Practice.* McGraw Hill Education.

২) Choudhury, R. K. and Chakraborty, R. C. (2016). *Public Finance and Fiscal Policy.* Ludhiana: Kalyani Publishers

১৩.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ ৰাজহুৱা প্ৰতিষ্ঠান আৰু ব্যক্তিগত প্ৰতিষ্ঠানৰ মাজত থকা পাৰ্থক্যসমূহৰ তুলনা তলত দিয়া ধৰণে কৰিব পৰা যায় ঃ

তুলনাৰ ভেটি	ব্যক্তিগত প্ৰতিষ্ঠান	ৰাজহুৱা প্ৰতিষ্ঠান
মূল উদ্দেশ্য	লাভৰ পৰিমান সৰ্ব্বাধিক কৰা	সামাজিক কল্যাণ আৰু ভাৰসাম্য অৰ্থনৈতিক উন্নয়ন সৰ্ব্বাধিক কৰা
মালিকানা বা গৰাকীস্বৰ্ত্ত	ব্যক্তিগত মালিকানাতে থাকে	চৰকাৰৰ মালিকানাত থাকে
মূলধনৰ উৎসবোৰ	ঋণ আৰু ব্যক্তিগত উৎসবোৰৰ পৰা মূলধন সংগ্ৰহ কৰে।	চৰকাৰী পুঁজিৰ পৰা মূলধন সংগ্ৰহ কৰাৰ লগতে সময়ে সময়ে অংশ পত্ৰ বিক্ৰীৰ ব্যৱস্থা কৰা হয়।

কার্য্যক্ষেত্র	বিনিয়োগৰ পৰা যথেষ্ট পৰিমাণে লাভ হ'ব পৰা ক্ষেত্রসমূহত কার্য্য কৰে।	মুলধন আৰু ৰাজহুৱা উপযোগিতা সেৱাৰ ক্ষেত্রত কার্য্য কৰে

৩ নং প্রশ্নৰ উত্তৰ ঃ চৰকাৰৰ বিভাগ একোটা হিচাপে চলোৱা ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানবোৰেই হৈছে বিভাগীয় প্রতিষ্ঠান। বিভাগীয় প্রতিষ্ঠানবোৰৰ কেইটামান উদাহৰণ হৈছে- ভাৰতীয় ৰেলপথ সেৱা, ভাৰত সঞ্চাৰ নিগম লিমিটেড্, ব্রহ্মপুত্র ক্রেকাৰ এণ্ড পলিমাৰ লিমিটেড আৰু অয়ল ইণ্ডিয়া লিমিটেড্ ইত্যাদি।

ৰেল সেৱা, ডাঁক সেৱা আৰু প্রচাৰ সেৱা ইত্যাদিৰ দৰে প্রয়োজনীয় সেৱাৰোৰৰ সুবিধা প্রদানৰ বাবে বিভাগীয় প্রতিষ্ঠানবোৰক ব্যৱহাৰ কৰা হয় ।

৪ নং প্রশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ

৫ নং প্রশ্নৰ উত্তৰ ঃ আর্থ-সামাজিক গাঁঠনিৰ নির্মাণৰ উদ্দেশ্যে ৰৰঙনি যোগোৱা ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানবোৰ হৈছে-ৰেল সেৱা, পথ পৰিবহন সেৱা, বিদ্যুৎ উৎপাদন, শিক্ষা আৰু স্বাস্থ্য সেৱা আদিৰ সুবিধা প্রদান কৰা আৰু এইবোৰ সেৱাক উন্নয়নৰ চকা বুলি গণ্য কৰা হয়।

১৩.১০ আৰ্হি প্রশ্ন

চমু প্রশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানৰ অর্থ লিখক ।

প্রশ্ন ২ ঃ 'ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানৰ উদ্দেশ্য বা লক্ষ্য সমূহ ব্যক্তিগত প্রতিষ্ঠানতকৈ পৃথক'- ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ ১৯৯১ চনৰ উদ্যোগিক নীতিত ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠান সম্পর্কে লোৱা প্রধান সিদ্ধান্তবোৰ উল্লেখ কৰক।

প্রশ্ন ৪ ঃ ভাৰতৰ ৰাজহুৱাখণ্ডৰ প্রতিষ্ঠানৰ ওপৰত এটা চমুটোকা লিখক।

ৰচনাধর্মী প্রশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ ঃ ভাৰতবর্ষত ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানৰ ভূমিকা আলোচনা কৰক।

প্রশ্ন ২ ঃ ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানৰ বিভিন্ন প্রকাৰবোৰৰ ব্যাখ্যা কৰক।

প্রশ্ন ৩ ঃ ভাৰতবর্ষত ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানৰ কার্য্যকাৰিতা সম্পর্কে ব্যাখ্যা কৰক।

প্রশ্ন ৪ ঃ ভাৰতবর্ষত ৰাজহুৱা খণ্ডৰ প্রতিষ্ঠানৰ ত্রুটী বা অসুবিধা সমূহ ব্যাখ্যা কৰক।

*** ***** ***

অধ্যায় ১৪ ঃ যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থা

অধ্যায় গাঁথনি

১৪.১ উদ্দেশ্য
১৪.২ পৰিচয়
১৪.৩ যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ ধাৰণা
১৪.৪ যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ নীতি
১৪.৫ যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাত আনুভূমিক আৰু অভিলম্বীয় সমতা
১৪.৬ আন্তঃ চৰকাৰী সম্পদ হস্তান্তৰৰ আহিলা
১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৪.৮ অধিক জানিবৰ বাবে
১৪.৯ অগ্রগতিৰ খতিয়ান
১৪.১০ আৰ্হি প্ৰশ্ন

১৪.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ ধাৰণা লাভ কৰিব
- যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ নীতিসমূহ উল্লেখ কৰিব পাৰিব
- যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাত আনুভূমিক আৰু অভিলম্বীয় সমতা সম্পৰ্কে ব্যাখ্যা কৰিব পাৰিব
- আন্তঃ চৰকাৰী সম্পদ হস্তান্তৰৰ আহিলাসমূহৰ ধাৰণা লাভ কৰিব।

১৪.২ পৰিচয়

যুক্তৰাষ্ট্ৰ এখন গঠিত হয় অংগৰাজ্যসমূহ একে লগ হোৱাৰ জৰিয়তে। যুক্তৰাষ্ট্ৰত কেন্দ্ৰীয় চৰকাৰ আৰু অংগৰাজ্য চৰকাৰৰ মাজত ৰাজনৈতিক ক্ষমতা ভাগ কৰা হয়। এক বিশেষ উদ্দেশ্যত একে লগ হোৱা সাৰ্বভৌম ৰাষ্ট্ৰসমূহৰ এক শিথিল সংস্থা (উদাহৰণস্বৰূপে, European Economic Union)ৰ পৰা কটকটীয়া একক চৰকাৰলৈকে (উদাহৰণস্বৰূপে, ইংলেণ্ড) যুক্তৰাষ্ট্ৰীয়তা প্ৰচলিত হ'ব পাৰে। কিন্তু প্ৰকৃত যুক্তৰাষ্ট্ৰ এই দুয়োটা প্ৰান্তৰ ভিতৰত থাকে। একক চৰকাৰ ব্যৱস্থাৰ দেশ এখনত বেছিভাগ ক্ষমতাই কেন্দ্ৰৰ হাতত ন্যস্ত থাকে। ইয়াৰ বিপৰীতে, যুক্তৰাষ্ট্ৰীয় চৰকাৰ ব্যৱস্থাৰ দেশ এখনত কেন্দ্ৰৰ হাতত কম পৰিমাণে ক্ষমতা কেন্দ্ৰীভূত হৈ থাকে।

১৪.৩ যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ ধাৰণা

ওপৰত উল্লেখ কৰাৰ দৰে যুক্তৰাষ্ট্ৰ গঠন হয় কেইবাখনো ৰাজ্য একেলগ হোৱাৰ দ্বাৰা। ইয়াত এখন কেন্দ্ৰীয় চৰকাৰ আৰু বিভিন্ন ৰাজ্য চৰকাৰ থাকে। যুক্তৰাষ্ট্ৰৰ ধৰণৰ ওপৰত নিৰ্ভৰ কৰি ৰাজনৈতিক আৰু ৰাজকোষীয় দায়িত্বসমূহ কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ মাজত বিভাজিত কৰা হয়।

ব্যৱহাৰিকভাৱে, সমগ্ৰ জাতিৰ সৈতে জড়িত কাৰ্যবোৰ কেন্দ্ৰৰ দ্বাৰা কৰা হয়। উদাহৰণস্বৰূপে— সুৰক্ষা, বৈদেশিক বিষয়, ইত্যাদিৰ দায়িত্ব কেন্দ্ৰৰ। ইয়াৰ উপৰিও যিবোৰ কাৰ্যত আন্তঃৰাজ্যিক সহযোগিতাৰ প্ৰয়োজন হয়, সেইবোৰ কেন্দ্ৰীয় চৰকাৰৰ হাতত ন্যস্ত কৰা হয়; উদাহৰণস্বৰূপে— দূৰ সংযোগ, ৰে'ল সেৱা, ইত্যাদি।

আনহাতে, যিবোৰ কাৰ্যাৱলী ৰাজ্যৰ হাততেই সীমাবদ্ধ, সেইবোৰ ৰাজ্য চৰকাৰৰ দায়িত্বত থাকে। উদাহৰণস্বৰূপে— কৃষি, শিক্ষা, জনস্বাস্থ্য, ইত্যাদি ৰাজ্যৰ পৰিসৰৰ ভিতৰত পৰে।

যুক্তৰাষ্ট্ৰৰ কাৰ্যবোৰ কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ভাগ কৰা হয়; সেই বাবে, তেনে দায়িত্ববোৰ পালন কৰাৰ বাবে দুয়োটা স্তৰৰ চৰকাৰকে পৰ্যাপ্ত আৰু গ্ৰহণযোগ্য সম্পদৰ উৎস হাতত থকাটো প্ৰয়োজনীয় হৈ পৰে। বিভিন্ন স্তৰৰ চৰকাৰৰ মাজত দেশৰ ৰাজহৰ অংশ ভাগ কৰাৰ বিষয়টোক ৰাজকোষীয় যুক্তৰাষ্ট্ৰ (fiscal federalism) বোলা হয়।

ৰাজকোষীয় যুক্তৰাষ্ট্ৰত দুটা বিষয়ৰ বিষয়ে আলোচনা কৰা হয়—

- বৈচিত্ৰৰ বিষয়, যি স্থানীয় আকাংক্ষা আৰু প্ৰয়োজন পূৰণৰ সৈতেও জড়িত,
- সম অধিকাৰৰ বিষয়, যি নিশ্চিত কৰে যে কোনো ৰাজ্য বা অঞ্চল যাতে অৱহেলিত নহয়।

সামৰণিত ক'ব পাৰি যে ৰাজকোষীয় যুক্তৰাষ্ট্ৰৰ প্ৰাথমিক বিষয় হ'ল— বিভিন্ন চৰকাৰৰ মাজত কাৰ্য আৰু সম্পদৰ উৎস ভগাই দিয়াটো। ইয়াৰ কাৰ্য পৰিসৰত অন্তৰ্ভুক্ত বিষয়সমূহ হ'ল—

- ৰাজকোষীয় অসমতা সমাধান কৰা,
- আন্তঃ চৰকাৰী বিবাদ মীমাংসা কৰা, আৰু
- আন্তঃ চৰকাৰী সম্পৰ্কৰ দ্ৰুত সমন্বয় সাধন।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ১ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

দেশীয় সুৰক্ষা ৰাজ্য চৰকাৰৰ অন্তৰ্গত এক বিষয়। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ২ ঃ ৰাজকোষীয় যুক্তৰাষ্ট্ৰ বুলিলে কি বুজায়? (৪০টা শব্দৰ ভিতৰত)

.....

.....
.....
.....

১৪.৪ যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ নীতি

যিকোনো যুক্তৰাষ্ট্ৰতে কেন্দ্ৰ আৰু অংগ ৰাজ্যসমূহৰ মাজত ইয়াৰ সংশ্লিষ্ট দায়িত্বৰ লগতে বিত্তীয় ক্ষমতাৰো স্পষ্ট ভাগ কৰা হয়। যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাৰ সুস্থ বিত্তীয় কার্যকলাপ বজাই ৰখাৰ বাবে কিছুমান নীতি পালন কৰিব লাগে। সেইবোৰ হ'ল—

- **স্বতন্ত্ৰতা ঃ** এই নীতি মতে, যুক্তৰাষ্ট্ৰৰ প্ৰতিখন অংগৰাজ্যৰ হাতত পৰ্যাপ্ত বিত্তীয় সম্পদ উপলব্ধ হ'ব লাগে, যাতে ই নিজৰ কার্যসমূহ সম্পাদন কৰিব পাৰে।
  ইয়াৰ উপৰিও চৰকাৰক কৰ আৰু চৰকাৰী ঋণৰ ৰূপত সংগ্ৰহৰ সুবিধা দিব লাগে, যাতে ই নিজৰ কার্যবোৰ চলাব পাৰে।
- **পৰ্যাপ্ততা আৰু স্থিতিস্থাপকতা ঃ** পৰ্যাপ্ততাৰ নীতি অনুসৰি, যুক্তৰাষ্ট্ৰৰ বিভিন্ন স্তৰৰ চৰকাৰৰ বাবে সম্পদ পৰ্যাপ্ত পৰিমাণৰ হ'ব লাগে, যাতে সিহঁতৰ কার্যাৱলী সন্তোষজনকভাৱে পালন কৰিব পাৰে। ইয়াৰ উপৰি স্থিতিস্থাপকতাৰ নীতি মতে অজ্ঞাত জৰুৰী অৱস্থাৰ সময়ত সম্পদৰ পৰিমাণ বৰ্দ্ধিত হিচাপত সংগ্ৰহ কৰিব পৰাকৈ অংগ চৰকাৰসমূহক নমনীয়তা প্ৰদান কৰিব লাগে।
- **প্ৰশাসনিক মিতব্যয়িতা আৰু দক্ষতা ঃ** যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ সফলতাৰ বাবে এটি অতি কৌশলপূৰ্ণ নীতি হ'ল প্ৰশাসনিক মিতব্যয়িতা আৰু দক্ষতা। এই নীতি অনুসৰি, চৰকাৰী যন্ত্ৰ সুদক্ষ ৰাজকোষীয় নীতিৰদ্বাৰা পৰিচালিত হ'ব লাগে, যি ৰঙাফিটাৰ মেৰপাকৰ পৰা মুক্ত আৰু নিৰপেক্ষ। ইয়াৰ উপৰিও অপচয়, সুৰুঙা আৰু দুৰ্নীতি ৰোধৰ প্ৰয়োজনীয়তা আছে।
- **একতা আৰু সমতা ঃ** একতা নীতিয়ে যুক্তৰাষ্ট্ৰৰ যিকোনো অংগৰাজ্যলৈ অবজ্ঞাহীনতাক বুজায়। এইদৰে, প্ৰত্যেক যুক্তৰাষ্ট্ৰকে বিত্তীয় অনুমোদনৰ ক্ষেত্ৰত সমানে গুৰুত্ব দিয়া উচিত। আনহাতে, সমতাৰ নীতিয়ে অভিমত প্ৰকাশ কৰে যে, যুক্তৰাষ্ট্ৰৰ উমৈহতীয়া বোজাসমূহ সমতাৰ ভিত্তিত বিবেচনা কৰা উচিত। এইদৰে, সামৰ্থ অনুসৰি অৰিহণা যোগাবলৈ অংগৰাজ্যসমূহক আহ্বান কৰা উচিত। অৰ্থাৎ বিভিন্ন ৰাজ্যই যিহেতু উন্নয়নৰ বিভিন্ন পৰ্যায়ত থাকে, ধনী ৰাজ্যবোৰে দুখীয়া ৰাজ্যৰ তুলনাত অধিক কৰ আগবঢ়োৱা উচিত।
- **দায়বদ্ধতা ঃ** দায়বদ্ধতাৰ নীতি অনুসৰি, যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাত পৰিচালিত সকলোবোৰ চৰকাৰেই তেওঁলোকৰ সংশ্লিষ্ট বিত্তীয় আয় আৰু ব্যয়ৰ ক্ষেত্ৰত দায়বদ্ধ হোৱা উচিত।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৩ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) যুক্তৰাষ্ট্ৰৰ প্ৰতিখন অংগৰাজ্যৰ চৰকাৰকে কৰ আৰোপ আৰু ঋণ লোৱাৰ দায়িত্ব ন্যস্ত কৰা উচিত, যাতে ই নিজৰ প্ৰয়োজনীয় সম্পদখিনি আহৰণ কৰিব পাৰে। (শুদ্ধ/অশুদ্ধ)

(খ) যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ পৰ্যাপ্ততা আৰু স্থিতিস্থাপকতা নীতি অনুসৰি, ৰাজ্য চৰকাৰে নিজৰ সমাৰ্থ অনুযায়ী সম্পদ সংগ্ৰহ কৰিব লাগে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৪ ঃ যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ নীতিসমূহ উল্লেখ কৰক। (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

১৪.৫ যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাত আনুভূমিক আৰু অভিলম্বীয় সমতা

যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ এটা অতি গুৰুত্বপূৰ্ণ সমস্যা হ'ল আনুভূমিক (horizontal) আৰু অভিলম্বীয় (vertical) ৰাজকোষীয় অসমতা। এনে অসমতাবোৰ কৰ বিভাজন আৰু সম্পদৰ যুক্তৰাষ্ট্ৰীয় হস্তান্তৰৰ দ্বাৰা দূৰ কৰিব বিচৰা হয়।

- **আনুভূমিক বিত্তীয় সমতা** (Horizontal fiscal balance) ঃ আনুভূমিক ৰাজকোষীয় সমতা (horizontal fiscal equity) মানে হ'ল সমান মানুহৰ বাবে সমান ব্যৱহাৰ। এইদৰে, বিভিন্ন ৰাজ্যত বাস কৰা দুজন ব্যক্তিৰ আয় যদি একে সমান হয়, আনুভূমিক ৰাজকোষীয় সমতা অনুসৰি, দুয়োখন যুক্তৰাষ্ট্ৰীয় ৰাজ্যৰ বাবে কৰৰ দায়বদ্ধতা সমান হোৱা প্ৰয়োজন। কিন্তু যদি আনুভূমিক ৰাজকোষীয় সমতা নাথাকে, তেনেহ'লে ধনী শ্ৰেণীৰ পৰা দুখীয়া শ্ৰেণীলৈ সম্পদ হস্তান্তৰৰ যোগেদি ইয়াক শুধৰাব পাৰি।

  ৰাজ্যসমূহৰ মাজৰ এনে ধৰণৰ অসমতাসমূহ দূৰ কৰিব বিচৰা সম্পদৰ হস্তান্তৰক 'বিত্তীয় অৱশিষ্ট' (fiscal residue) বোলা হয়। গতিকে ক'ব পাৰি যে, বিত্তীয় অৱশিষ্টৰ যোগেদি ৰাজ্যসমূহৰ মাজৰ জনমুৰি আয়ৰ ক্ষেত্ৰত সমতা স্থাপন কৰিব পাৰি। মাচ্‌গ্ৰেভ্‌ (Musgrave)এ এই ক্ষেত্ৰত কৈছে যে, এনে ধৰণৰ সমতা স্থাপনৰ বাবে **কৰৰ সুবিধা তত্ত্ব** (benefit principle of taxation)টিও ব্যৱহাৰ কৰিব পাৰি।
- **অভিলম্বীয় ৰাজকোষীয় সমতা** (Vertical fiscal balance) ঃ সামগ্ৰিকভাৱে, যুক্ত ৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ ৰাজহৰ উৎসটি স্থিতিস্থাপক, যাক প্ৰয়োজন সাপেক্ষে সম্প্ৰসাৰণ বা সংকোচন কৰিব পাৰি। ফলস্বৰূপে ইয়াৰ হাতত বাহি সম্পদ থাকি যায়। ইয়াৰ বিপৰীতে, অংগৰাজ্যসমূহৰ সম্পদৰ উৎস আপেক্ষিকভাৱে অস্থিতিস্থাপক; অৰ্থাৎ, ৰাজ্যবোৰ সম্পদ



কৰৰ সুবিধা তত্ত্বঃ কৰৰ এই নীতিটোৰ মতে কৰৰ বোজা আৰু এগৰাকী ব্যক্তিয়ে লাভ কৰা সুবিধা সমানুপাতিক হ'ব লাগে। এই সুবিধা ব্যক্তিয়ে ৰাজহুৱা ব্যয়ৰ পৰা লাভ কৰে

সংকটৰ সন্মুখীন হয়। এনে ব্যৱস্থাৰ ফলত যুক্তৰাষ্ট্ৰীয় ব্যৱস্থাটোত কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত অভিলম্বীয় অসমতাৰ সৃষ্টি হয়।

যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাই অভিলম্বীয় সহযোগিতা (vertical co-ordination) নামৰ এক প্ৰক্ৰিয়াৰ দ্বাৰা অভিলম্বীয় ৰাজকোষীয় সমতা পুনঃ প্ৰতিষ্ঠা কৰাৰ চেষ্টা কৰে; য'ত কেন্দ্ৰ আৰু ৰাজ্যসমূহৰ চৰকাৰী ব্যয়ৰ পৰ্যায় ইহঁতৰ বিত্তৰ যোগান ধৰা সম্পদৰ দ্বাৰা সমান কৰিব বিচৰা হয়।

যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাত অভিলম্বীয় ৰাজকোষীয় সমতা প্ৰতিষ্ঠাৰ বিভিন্ন পদ্ধতিবোৰ হ'ল—

- **কৰ বিভাজন** (Tax sharing) ঃ কৰ বিভাজনৰ মুখ্য উদ্দেশ্য হৈছে ৰাজ্য চৰকাৰসমূহে যাতে সম্পদৰ আহৰণ আৰু ব্যয়ৰ ঘাটি পূৰাব পাৰে। কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰ সমূহৰ মাজত এনে কৰ বিভাজনৰ প্ৰক্ৰিয়াটি সংবিধানত নিৰ্দ্ধাৰিত নীতি অনুযায়ী বা কোনো বিশেষজ্ঞ সমিতিয়ে আগবঢ়োৱা নীতিৰ আধাৰত পৰিচালিত হয়।
- **নিৰ্বাচিত অনুদানমূলক সাহায্য** (Selective grants-in-aid) ঃ অনুদানমূলক সাহায্যই কেন্দ্ৰৰ পৰা ৰাজ্যলৈ সম্পদ হস্তান্তৰক বুজায়, যাতে ৰাজ্যৰ ৰাজহ ঘাটিৰ জোৰা মাৰিব পাৰি নাইবা কেতবোৰ বিশেষ আঁচনি ৰূপায়ণ কৰিব পাৰি।

  উপৰ্যুক্ত ধাৰণা দুটিৰ উপৰিও আন কিছুমান আহিলা আছে; যিবোৰ সঘনাই ব্যৱহৃত নহয়। পৰৱৰ্ত্তী অনুচ্ছেদত উপৰ্যুক্ত ধাৰণা দুটিৰ লগতে ঋণ সম্পৰ্কে বহলাই আলোচনা কৰিম।

জানি থোৱা ভাল



কৰ ঋণ (Tax credit) ঃ অভিলম্বীয় বিত্তীয় সমতা স্থাপনৰ আন এক আহিলা হৈছে কৰ ঋণ। এই পদ্ধতিত, কৰৰ বিপৰীতে ঋণ অনুমোদন কৰা হয়; আৰু অনুমোদিত ঋণৰ সমানে আদায় দিবলগীয়া কৰৰ পৰিমাণখিনি হ্ৰাস কৰা হয়। বিভিন্ন ক্ষেত্ৰত এই কৰ ঋণ পদ্ধতিটো ব্যৱহাৰ কৰা হয়। যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাত এই ধাৰণাটো প্ৰয়োগ কৰা হয়— যেতিয়া এজন ব্যক্তিয়েই বিভিন্ন চৰকাৰক একেবিধ কৰ আদায় দিবলগীয়া হয়। যেনে ধৰা হওঁক, ৰাজ্য আৰু কেন্দ্ৰীয় চৰকাৰ উভয়ে সম্পত্তিৰ ওপৰত কৰ আৰোপ কৰিছে। আকৌ, ধৰা হওঁক, এজন ব্যক্তিয়ে তেওঁৰ সম্পত্তিৰ বাবদ ১৫০/-টকাৰ কেন্দ্ৰীয় কৰ পৰিশোধ কৰিব লাগে। কিন্তু, একেখিনি সম্পত্তিৰ বাবদ ৰাজ্য চৰকাৰক তেওঁ ইতিমধ্যে ১০০/- টকা পৰিশোধ কৰি থৈছে। এনেক্ষেত্ৰত, তেওঁ কেন্দ্ৰীয় চৰকাৰক ৫০/- টকাহে কৰ পৰিশোধ কৰিব। এনেধৰণৰ কৰে চৰকাৰসমূহৰ মাজত কৰ সংগ্ৰহৰ প্ৰতিযোগিতা নিৰ্মূল কৰে। একেসময়তে, ই কৰ সংগ্ৰহৰ পৰিমাণো বৃদ্ধি কৰে।



অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৫ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

কৰ বিভাজন আৰু সম্পদৰ হস্তান্তৰৰ যোগেদি ৰাজ্যসমূহৰ মাজৰ বিত্তীয় অসমতা দূৰ কৰিব পাৰি। (শুদ্ধ/অশুদ্ধ)

প্রশ্ন ৬ ঃ কৰ বিভাজন বুলিলে কি বুজায়? (৫০ টা শব্দৰ ভিতৰত)

.....

.....

.....

.....

১৪.৬ আন্তঃ চৰকাৰী সম্পদ হস্তান্তৰৰ আহিলা

যুক্তৰাষ্ট্ৰ এখনত আনুভূমিক আৰু অভিলম্বীয় অসমতা শুধৰোৱাৰ বাবে লোৱা এক কার্যকৰী আহিলা হ'ল আন্তঃ চৰকাৰী সম্পদ হস্তান্তৰ। যুক্তৰাষ্ট্ৰত অংগ ৰাজ্যসমূহক সম্পদ সংগ্রহৰ বাবে কেৱল মাত্র অস্থিতিস্থাপক ৰাজহৰ উৎসসমূহহে প্রদান কৰা হয় বাবে এইবোৰে পর্যাপ্ত সম্পদ সংগ্রহ কৰিবলৈ অসমর্থ। সেইবাবে, সম্পদ হস্তান্তৰৰ প্রয়োজনীয়তা আহি পৰে। সকলোবোৰ স্থিতিস্থাপক ৰাজহৰ উৎস কেন্দ্রীয় চৰকাৰৰ হাততে থাকে বাবে আন্তঃচৰকাৰী সম্পদ হস্তান্তৰ ব্যৱস্থাৰ জৰিয়তে কেন্দ্র চৰকাৰে সংগৃহীত ৰাজহৰ এটা অংশ ৰাজ্যসমূহলৈ হস্তান্তৰ কৰে। সাধাৰণতে, যুক্তৰাষ্ট্ৰ এখনত আন্তঃচৰকাৰী সম্পদ হস্তান্তৰৰ তিনিটা আহিলা আছে। সেইবোৰ হ'ল—

- কৰ বিভাজন,
- অনুদানমূলক সাহার্য, আৰু
- ঋণ।



জানি থোৱা ভাল

ভাৰতীয় সংবিধানত, যুক্তৰাষ্ট্ৰীয় তালিকাত কেন্দ্রীয় চৰকাৰৰ ক্ষমতা আৰু কার্যাৱলী আলোচনা কৰা হৈছে। আনহাতে, ৰাজ্যিক তালিকাত ৰাজ্যৰ ক্ষমতা আৰু কার্যাৱলী আলোচনা কৰা হৈছে। আকৌ, উমৈহতীয়া তালিকাত লিপিবদ্ধ কৰা হৈছে। কেন্দ্রীয় আৰু ৰাজ্য দুয়ো চৰকাৰৰ আইন প্রণয়ণ কৰিব পৰা বিষয়সমূহ উল্লেখ কৰা হৈছে।

- **কৰ বিভাজন** (Tax sharing) ঃ কৰ বিভাজন হ'ল এক ব্যৱস্থা, যাৰ দ্বাৰা কেন্দ্রীয় চৰকাৰে কৰ সংগ্রহ পৰিচালনা কৰে আৰু যাক পাছলৈ আংশিকভাৱে বা সম্পূর্ণৰূপে অংগৰাজ্যসমূহৰ মাজত বিতৰণ কৰা হয়। এইদৰে, কৰ বিভাজনত কেন্দ্রই কৰ আৰোপ আৰু সংগ্রহ কৰে। আৰু পাছলৈ এয়া সম্পূর্ণৰূপে বা আংশিকভাৱে অংগৰাজ্যসমূহৰ মাজত বিতৰণ কৰা হয়।

কৰ সংগ্ৰহৰ মিতব্যয়িতা, কৰ প্ৰশাসনৰ দক্ষতা, কৰ হাৰৰ একতা আৰু কৰ ফাঁকিৰ ৰোধ আদি কাৰণত কেন্দ্ৰীয় কৰ্তৃপক্ষৰ দ্বাৰা কৰ প্ৰশাসন আৰু কৰ সংগ্ৰহ কৰাটো যুক্তিসংগত। কেন্দ্ৰীয় চৰকাৰে কৰ বিভাজন দুই ধৰণে কৰিব পাৰে —

- কেন্দ্ৰীয় চৰকাৰে কৰ আৰোপ আৰু সংগ্ৰহ কৰিব পাৰে আৰু পাছলৈ ইয়াক ৰাজ্য চৰকাৰসমূহৰ সৈতে ভাগ কৰি লোৱা হয়।
- কেন্দ্ৰীয় চৰকাৰে কৰ আৰোপ আৰু সংগ্ৰহ কৰে, কিন্তু ই নিজৰ লগত নাৰাখে। ইয়াত, সমগ্ৰ আয় অংগ-ৰাজ্যসমূহৰ মাজত বিতৰণ কৰি দিয়া হয়।

- **অনুদানমূলক সাহায্য** (Grants-in-aid) ঃ অনুদানমূলক সাহায্যই কেন্দ্ৰৰ পৰা ৰাজ্যলৈ সম্পদ হস্তান্তৰক বুজায়, যাতে ৰাজ্যৰ ৰাজহ ঘাটিৰ জোৰা মাৰিব পাৰি নাইবা কেতবোৰ বিশেষ আঁচনি ৰূপায়ণ কৰিব পাৰি। অনুদানমূলক সাহায্য দুটা প্ৰাথমিক নীতিৰ ওপৰত মুকলি কৰি দিয়া হয়—
  - **ক্ষতিপূৰণ নীতি**
  - **আহৰণ নীতি**

ক্ষতিপূৰণ নীতি (Principle of compensation) অনুসৰি অনুদানমূলক সাহায্য দিয়া হয় আঞ্চলিক সমতা স্থাপনৰ বাবে, য'ত দুখীয়া অঞ্চললৈ সম্পদৰ হস্তান্তৰৰ নিৰ্দেশ কৰা হয়। এইদৰে, উন্নত অঞ্চলৰ পৰা (যাৰ ওপৰত কৰ আৰোপ কৰা হয়) অনুন্নত অঞ্চললৈ (যিয়ে সাহায্য লাভ কৰে) সম্পদ হস্তান্তৰ কৰা হয়।

আনহাতে, আহৰণ নীতি (Principle of derivation) অনুসৰি, ৰাজ্যৰ পৰা সংগ্ৰহ কৰা সকলো ৰাজহ অনুদানমূলক সাহায্যৰ ৰূপত ৰাজ্য সমূহক ঘূৰাই দিয়া হয়। এই ব্যৱস্থাটোৰ অন্তৰ্নিহিত কথাটি হ'ল— ৰাজ্য চৰকাৰে যিমান সংগ্ৰহ কৰিলেহেঁতেন, কেন্দ্ৰীয় চৰকাৰে তাতকৈ বেছি ৰাজহ সংগ্ৰহ নকৰে; তথাপিও ৰাজ্য চৰকাৰৰ তুলনাত ই কম ব্যয়ত কৰ সংগ্ৰহ কৰিব পাৰে। অনুদানমূলক সাহায্যৰ প্ৰকৃতি নিৰ্ধাৰণৰ ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰ এখনে দুয়োটা নীতিৰেই আশ্ৰয় লোৱা উচিত।

অনুদানমূলক সাহায্য তিনিটা গুৰুত্বপূৰ্ণ ৰূপত হ'ব পাৰে ঃ

- **ৰাজকোষীয় প্ৰয়োজন অনুদান** (fiscal need grant) ঃ ৰাজকোষীয় প্ৰয়োজন অনুদান ৰাজ্যৰ সামগ্ৰিক ৰাজহ ঘাটি শুধৰাবলৈ ব্যৱহাৰ কৰা হয়।
- **চৰ্তসাপেক্ষ অনুদান** (Conditional grant) ঃ বিশেষ প্ৰকল্প ৰূপায়ণৰ বাবে কেন্দ্ৰই ৰাজ্যসমূহক চৰ্ত সাপেক্ষ অনুদান আগবঢ়ায়। ইয়াত পুঁজি কেৱল বিশেষ প্ৰকল্পটোৰ বাবেহে ব্যৱহাৰ কৰিব পাৰি আৰু ইয়াক অন্য কাৰ্য বা শিতানলৈ হস্তান্তৰ কৰিব নোৱাৰি।
- **সমতুল্য অনুদান** (Matching grant) ঃ সমতুল্য অনুদান হ'ল এক বিশেষ ধৰণৰ চৰ্তসাপেক্ষ অনুদান, যিয়ে নিৰ্দেশ কৰে যে প্ৰকল্পত প্ৰয়োজন হোৱা মুঠ ব্যয়ৰ এটা শতাংশ ৰাজ্যৰ দ্বাৰা বহন কৰিব লাগিব আৰু ইয়াৰ বাকী অংশ কেন্দ্ৰীয় চৰকাৰে

বহন কৰে। এই ব্যৱস্থাত ৰাজ্যৰ সমতুল্য অংশ নিদিয়ালৈকে প্ৰকল্প ব্যয়ৰ কেন্দ্ৰৰ অংশখিনি মুকলি কৰি দিয়া নহয়।

- **ঋণ** (Loan) ঃ আন্তঃ চৰকাৰী সম্পদ হস্তান্তৰৰ আন এক অতি গুৰুত্বপূৰ্ণ আহিলা হ'ল ঋণ। ই কেন্দ্ৰীয় চৰকাৰৰ পুঁজিৰ দক্ষতাপূৰ্ণ ব্যৱহাৰৰ এক আহিলা হিচাবে আৰু ৰাজ্যৰ উন্নয়নমূলক বিনিয়োগৰ উৎস হিচাবে কাম কৰে।

  কেন্দ্ৰৰ পৰা লোৱা ঋণ সেইবোৰ প্ৰকল্পৰ বিত্ত যোগান ধৰা বাবে উপযোগী, যিবোৰ উৎপাদনমুখী আৰু পিছলৈ ই আয়ৰ পথ প্ৰশস্ত কৰে। এনে প্ৰকল্পসমূহৰ বিত্ত যোগানৰ বাবে ঋণৰ সুবিধাসমূহ হ'ল—

  - এনে ঋণ ৰাজ্যৰ বাবে এক বিনিয়োগ, যিয়ে অৰ্থনৈতিক উন্নয়নত অৰিহণা যোগায়।
  - এনে ঋণ যিহেতু সুদ সহ ঘূৰাই দিব লাগে, সেয়েহে ৰাজ্য চৰকাৰে পুঁজিৰ অধিক সদব্যৱহাৰত মনোযোগ দিয়ে।
  - ই কেন্দ্ৰীয় নাইবা ৰাজ্য কোনো চৰকাৰৰ ওপৰত বোজা আৰোপ নকৰে।
  - এনে ঋণ ৰেহাই হাৰত আগবঢ়োৱা হয় বাবে বিনিয়োগৰ ফলপ্ৰসূতাও অধিক হয়। কিন্তু উল্লেখ কৰিব লাগিব যে সকলো ধৰণৰ ঋণ কোনো প্ৰকল্প বা কোনো আঁচনিৰ বাবে নিৰ্দিষ্টকৈ আগবঢ়োৱা নহয়। কেতিয়াবা ৰাজহ ঘাটি পূৰণ নাইবা বিভিন্ন অজ্ঞাত ব্যয়ৰ বাবে ৰাজ্য চৰকাৰে কেন্দ্ৰৰ পৰা ঋণ লয়।



জানি থোৱা ভাল

কৰ ৰাজহ বিতৰণ আৰু ৰাজ্যসমূহলৈ অনুদানমূলক সাহায্য অনুমোদনৰ পৰামৰ্শ দিবলৈ সংবিধানৰ ২৮০ নং অনুচ্ছেদৰ অধীনত বিত্ত আয়োগ গঠন কৰা হয়।



অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৭ ঃ শুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক)আন্তঃ চৰকাৰী সম্পদ হস্তান্তৰ হ'ল চৰকাৰী ব্যয়ৰ এক আহিলা। (শুদ্ধ/অশুদ্ধ)

(খ) সমতুল্য অনুদান হ'ল এক বিশেষ ধৰণৰ চর্ত সাপেক্ষ অনুদান। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ৮ ঃ সমতুল্য অনুদান বুলিলে কি বুজায়? (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



১৪.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কেন্দ্ৰীয় চৰকাৰ আৰু অংগৰাজ্য চৰকাৰসমূহকলৈ যুক্তৰাষ্ট্ৰ গঠিত হয়।
- যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাই যুক্তৰাষ্ট্ৰীয় চৰকাৰৰ বিভিন্ন স্তৰত কার্যাৱলী আৰু বিত্তৰ উৎসসমূহৰ ভাগ ভাগ কৰি দিয়ে।
- যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ নীতিয়ে যুক্তৰাষ্ট্ৰৰ বিত্তীয় কার্যাৱলীৰ সুস্থ পৰিচালনা নির্দেশ কৰে।
- যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাই আনুভূমিক আৰু অভিলম্বীয় ৰাজকোষীয় সমতা আহৰণৰ উদ্দেশ্যে কাম কৰে।
- আন্তঃ চৰকাৰী সম্পদ হস্তান্তৰৰ তিনিটা আহিলা আছে ঃ
  - কৰ বিভাজন,
  - অনুদানমূলক সাহার্য আৰু
  - ঋণ।



১৪.৮ অধিক জানিবৰ বাবে

১) Bhatia, H. L. (2005) . *Public Finance.* New Delhi:Vikas Publishing House Pvt. Ltd.

২) Lekhi, R. K. (2001). *Public Finance and Fiscal Policy*. Ludhiana: Kalyani Publishers.

৩) Manker, V.G. and Sarma, L.S. (2001).*Public Finance: Theory and Practice.* Mumbai:Himalaya Publishing House.

৪) Prakash, O. (2008). *Public Economics:Theory and Practice.* Jalandhar:Vishal Publishing House.

অসমীয়া গ্ৰন্থ ঃ

১) ৰফিক আহমেদ, *ৰাজস্ব অর্থবিজ্ঞান*, যোৰহাট : ইউনিকা প্ৰকাশন।



১৪.৯ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ অশুদ্ধ।

২ নং প্ৰশ্নৰ উত্তৰ ঃ যুক্তৰাষ্ট্ৰৰ কার্যবোৰ কেন্দ্ৰ আৰু ৰাজ্যৰ মাজত ভাগ কৰা হয়; সেই বাবে, তেনে দায়িত্ববোৰ পালন কৰাৰ বাবে দুয়োটা স্তৰৰ চৰকাৰকে পর্যাপ্ত আৰু গ্ৰহণযোগ্য সম্পদৰ উৎস হাতত থকাটো প্ৰয়োজনীয় হৈ পৰে। বিভিন্ন স্তৰৰ চৰকাৰৰ মাজত দেশৰ ৰাজহৰ অংশ ভাগ কৰাৰ বিষয়টোক ৰাজকোষীয় যুক্তৰাষ্ট্ৰ (fiscal federalism) বোলা হয়।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ

৪ নং প্ৰশ্নৰ উত্তৰ ঃ যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ নীতিসমূহ হ'ল — স্বতন্ত্ৰতা, পৰ্যাপ্ততা আৰু স্থিতিস্থাপকতা, প্ৰশাসনিক মিতব্যয়িতা আৰু দক্ষতা, একতা আৰু সমতা আৰু দায়বদ্ধতা।

৫ নং প্ৰশ্নৰ উত্তৰ ঃ শুদ্ধ

৬ নং প্ৰশ্নৰ উত্তৰ ঃ কৰ বিভাজন হ'ল এক ব্যৱস্থা, যাৰ দ্বাৰা কেন্দ্ৰীয় চৰকাৰে কৰ সংগ্ৰহ পৰিচালনা কৰে আৰু যাক পাছলৈ আংশিকভাৱে বা সম্পূৰ্ণৰূপে অংগৰাজ্যসমূহৰ মাজত বিতৰণ কৰা হয়। এইদৰে, কৰ বিভাজনত কেন্দ্ৰই কৰ আৰোপ আৰু সংগ্ৰহ কৰে। আৰু পাছলৈ এয়া সম্পূৰ্ণৰূপে বা আংশিকভাৱে অংগৰাজ্যসমূহৰ মাজত বিতৰণ কৰা হয়।

৭ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ

৮ নং প্ৰশ্নৰ উত্তৰ ঃ সমতুল্য অনুদান হ'ল এক বিশেষ ধৰণৰ চৰ্তসাপেক্ষ অনুদান, যিয়ে নিৰ্দেশ কৰে যে প্ৰকল্পত প্ৰয়োজন হোৱা মুঠ ব্যয়ৰ এটা শতাংশ ৰাজ্যৰ দ্বাৰা বহন কৰিব লাগিব আৰু ইয়াৰ বাকী অংশ কেন্দ্ৰীয় চৰকাৰে বহন কৰে। এই ব্যৱস্থাত ৰাজ্যৰ সমতুল্য অংশ নিদিয়ালৈকে প্ৰকল্প ব্যয়ৰ কেন্দ্ৰৰ অংশখিনি মুকলি কৰি দিয়া নহয়।

১৪.১০ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ ধাৰণাটো ব্যাখ্যা কৰক।

প্ৰশ্ন ২ ঃ আনুভূমিক আৰু অভিলম্বীয় ৰাজকোষীয় সমতাৰ ধাৰণা ব্যাখ্যা কৰক।

প্ৰশ্ন ৩ ঃ চমুটোকা লিখক—

(ক) ৰাজকোষীয় প্ৰয়োজন অনুদান

(খ) চৰ্তসাপেক্ষ অনুদান

(গ) সমতুল্য অনুদান

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ ঃ যুক্তৰাষ্ট্ৰীয় বিত্ত ব্যৱস্থাৰ নীতিসমূহ বৰ্ণনা কৰক।

প্ৰশ্ন ২ ঃ আন্তঃ চৰকাৰী সম্পদ হস্তান্তৰ বুলিলে কি বুজায়? এনে হস্তান্তৰৰ আহিলাসমূহ বৰ্ণনা কৰক।

*** **** ***

অধ্যায় ১৫ ঃ ভাৰতৰ বিত্ত আয়োগ

অধ্যায় গাঁথনি

১৫.১ উদ্দেশ্য
১৫.২ পৰিচয়
১৫.৩ ভাৰতৰ বিত্ত আয়োগ
১৫.৪ ভাৰতৰ বিত্ত আয়োগৰ ভূমিকা আৰু দায়বদ্ধতা
১৫.৫ ভাৰতৰ চলিত বিত্ত আয়োগৰ পৰামৰ্শাৱলী
১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
১৫.৭ অধিক জানিবৰ বাবে
১৫.৮ অগ্ৰগতিৰ খতিয়ান
১৫.৯ আৰ্হি প্ৰশ্ন

১৫.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি —

- ভাৰতৰ বিত্ত আয়োগ সম্পৰ্কে জানিবলৈ সমৰ্থ হ'ব
- ভাৰতৰ বিত্ত আয়োগৰ ভূমিকা আৰু দায়বদ্ধতা ব্যাখ্যা কৰিব পাৰিব
- ভাৰতৰ চলিত বিত্ত আয়োগৰ পৰামৰ্শাবলী আলোচনা কৰিব পাৰিব।

১৫.২ পৰিচয়

ভাৰতৰ বিত্ত আয়োগ এটা সাংবিধানিক গোট বা অঙ্গ। কেন্দ্ৰীয় চৰকাৰে সংগ্ৰহ কৰা কৰ ৰাজহবোৰ ৰাজ্যবোৰলৈ বিতৰণ কৰাৰ কাৰণে আৰু ৰাজ্যবোৰৰ উন্নয়নমূলক কাৰ্য্যৰ বাবে অনুদান আগবঢ়াবৰ বাবে পৰামৰ্শ দিবৰ কাৰণে বিত্ত আয়োগ গঠন কৰা হৈছে। ভাৰতৰ বিত্ত আয়োগৰ প্ৰধান ভূমিকা হৈছে ৰাজ্যসমূহৰ মাজত কৰৰ অংশ আৰু অনুদান মূলক সাহায্য বিতৰণৰ বাবে নীতি নিৰ্দ্ধাৰণ কৰা।

এই অধ্যায়ত ভাৰতৰ বিত্ত আয়োগৰ ভূমিকা আৰু দায়বদ্ধতাৰ লগতে চলিত বিত্ত আয়োগৰ পৰামৰ্শাৱলী সম্পৰ্কে আলোচনা কৰা হৈছে।

১৫.৩ ভাৰতৰ বিত্ত আয়োগ

এই অধ্যায়টিৰ পৰিচয় অংশত উল্লেখ কৰাৰ দৰে ভাৰতৰ বিত্ত আয়োগ ইয়াৰ সংবিধানৰ দ্বাৰা স্বীকৃত এটা অঙ্গ। ভাৰতৰ ৰাজ্যসমূহলৈ কেন্দ্ৰীয় চৰকাৰে সংগ্ৰহ কৰা কৰ ৰাজহৰ অংশৰ বিতৰণ আৰু ৰাজ্যবোৰৰ উন্নয়নৰ বাবে সাহায্যমূলক অনুদান প্ৰদান কৰাৰ সম্পৰ্কত বিত্ত আয়োগে

পৰামর্শ আগবঢ়ায়। সাংবিধানিক নীতি অনুসৰি প্রতি পাঁচবছৰৰ মূৰে মূৰে আয়োগটোৰ অধ্যক্ষকে ধৰি অন্য সদস্যসকলক নিযুক্তি দিয়া হয়। ভাৰতত এতিয়ালৈকে চৈধ্য (১৪) খন বিত্ত আয়োগে পৰামর্শাৱলী আগবঢ়াইছে। ১৯৫১ চনৰ ২২ নৱেম্বৰ তাৰিখে ভাৰতৰ প্রথম বিত্ত আয়োগ গঠন কৰা হৈছিল। ভাৰতবর্ষৰ সংবিধানৰ ২৮০ নং অনুচ্ছেদ অনুসৰি ভাৰতৰ ৰাষ্ট্রপতিৰ দ্বাৰা এই আয়োগটো গঠন কৰা হৈছিল।

২০১৩ চনৰ ২ জানুৱাৰী তাৰিখে ভাৰতৰ চতুর্দ্দশ বিত্ত আয়োগ গঠন কৰা হৈছিল। ভাৰতৰ ৰিজার্ভ বেংকৰ প্রাক্তন গভর্ণৰ ৰাই .ভি. ৰেড্ডী (Y.V Reddy) চতুর্দ্দশ বিত্ত আয়োগৰ অধ্যক্ষ (Chairman) আছিল আৰু ইয়াৰ সদস্যসকল আছিল ক্রমে সুষমা নাথ (Sushma Nath), এম. গোবিন্দ ৰাও (M. Gobinda Rao), অভিজিত সেন (Abhijit Sen), সুদীপ্ত মুণ্ডলে (Sudipto Mundle) আৰু এ.এন. ঝা (A.N. Jha) । কৰৰ বিভাজন আৰু অন্যান্য ৰাজস্ব ব্যৱস্থা সম্পর্কে এই আয়োগৰ পৰামর্শাৱলী ২০১৫ চনৰ এপ্রিল মাহৰ পৰা ২০২০ চনৰ মার্চ মাহলৈ প্রযোজ্য হৈ আছে। ইয়াৰ পৰৱর্ত্তী বিত্ত আয়োগ অর্থাৎ ভাৰতৰ পঞ্চদশ বিত্ত আয়োগখন ২০১৭ চনৰ নৱেম্বৰ মাহত গঠন কৰা হৈছিল। যিহেতু এই আয়োগে এতিয়াও পৰামর্শাৱলী আগবঢ়োৱা নাই, সেয়েহে আমি ভাৰতৰ চতুর্দ্দশ বিত্ত আয়োগৰ পৰামর্শাৱলীহে ইয়াতে আলোচনা কৰিম।

১৫.৪ ভাৰতৰ বিত্ত আয়োগৰ ভূমিকা আৰু দায়বদ্ধতা

প্রত্যেক পাঁচবছৰৰ বাবে ৰাজ্যবোৰলৈ কৰৰ বিভাজন আৰু সাহার্য্য মূলক অনুদানৰ ব্যৱস্থা কৰিবলৈ নীতি নির্দ্ধাৰণ কৰাতো ভাৰতৰ বিত্ত আয়োগৰ কর্ত্তব্য। ভাৰতৰ বিত্ত আয়োগৰ ভূমিকা আৰু দায়বদ্ধতাৰ বিষয়ে তলত সংক্ষেপে আলোচনা কৰা হ'ল-

- ভাৰতৰ বিত্ত আয়োগৰ এটা গুৰুত্বপূর্ণ কাম হৈছে- ৰাজ্য চৰকাৰ আৰু কেন্দ্রীয় চৰকাৰৰ মাজত বিভাজ্য কৰবোৰ ভগোৱাৰ ক্ষেত্রত ই এটা প্রধান আহিলা হিচাপে কাম কৰে। কেন্দ্রীয় চৰকাৰে সংগ্রহ কৰা কৰবোৰৰ অংগ ৰাজ্যবোৰৰ ক্ষেত্রত বিতৰণৰ বাবে বিত্ত আয়োগে নীতি নির্দ্ধাৰণ কৰে।
- ভাৰতৰ ৰাজ্যসমূহৰ সংগৃহীত ৰাজহৰ পৰা গঠিত হোৱা একত্রিত পুঁজি (Consolidated fund) ৰ পৰা ৰাজ্যসমূহলৈ আগবঢ়োৱা সাহার্য্যমূলক অনুদানৰ সম্পর্কে এই আয়োগে নীতি নির্দ্ধাৰণ কৰে। ভাৰতৰ বিত্ত আয়োগৰ এইটো এটা গুৰুত্বপূর্ণ কাম বুলি বিবেচনা কৰা হয়।
- সুস্থ বিত্ত ব্যৱস্থা এটা বাহাল ৰখাৰ স্বার্থত ৰাষ্ট্রপতিয়ে আয়োগলৈ আগবঢ়োৱা যিকোনো বিষয় বিবেচনা সহকাৰে চোৱাটোও আয়োগৰ এটা প্রধান দ্বায়বদ্ধতা।
- বিত্ত আয়োগে আয় কৰৰ পৰা সংগৃহীত ৰাজহ কেন্দ্র আৰু ৰাজ্যবোৰৰ মাজত বিতৰণ কৰে। কিন্তু কেন্দ্রীয় চৰকাৰৰ দ্বাৰা আদায় দিয়া ধনৰ ওপৰত লগোৱা কৰবোৰ মাত্র কেন্দ্রীয় শাসিত অঞ্চলৰ বাবে ধার্য্য কৰা থাকে।

১৫.৫ ভাৰতৰ চলিত বিত্ত আয়োগৰ পৰামৰ্শাৱলী

বিত্তীয় বৰ্ষ ২০২০ চনৰ ১ এপ্ৰিল তাৰিখৰ পৰা পাঁচ বছৰৰ বাবে কাৰ্য্যকৰী হোৱাকৈ কৰৰ বিভাজন আৰু অন্যান্য ৰাজস্ব বিষয়ে পৰামৰ্শ দিবলৈ ভাৰতৰ পঞ্চদশ বিত্ত আয়োগ ২০১৭ চনৰ নবেম্বৰ মাহত গঠন কৰা হয়। নন্দ কিশোৰ সিং দেৱ (Nand Kishore Singh)ক পঞ্চদশ বিত্ত আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়। এই আয়োগৰ দুজন পূৰ্ণকালীন সদস্য ক্ৰমে শক্তিকান্ত দাস (Shaktikanta Das) আৰু অনুপ সিংহ (Anoop Singh)ৰ ওপৰিও দুজন অংশকালীন সদস্য হৈছে- ৰমেশ চান্দ (Ramesh Chand) আৰু অশোক লাহিড়ী (Ashok Lahiri)। এই আয়োগৰ প্ৰধান কাম হৈছে যুক্ত ৰাষ্ট্ৰীয় সহযোগিতা শক্তিশালী কৰা, চৰকাৰী ব্যয়ৰ গুণগত মানদণ্ড উন্নত কৰা আৰু ৰাজস্ব বিষয়ক স্থিৰতা লাভ কৰা ।

পঞ্চদশ বিত্ত আয়োগৰ প্ৰধান উদ্দেশ্য হৈছে ১ এপ্ৰিল ২০২০ চনৰ পৰা আৰম্ভ কৰি পাঁচটা বিত্তীয় (বা ৰাজহ) বৰ্ষৰ বাবে কৰৰ বিভাজন আৰু অন্যান্য ৰাজস্ব বিষয়ৰ পৰামৰ্শ দিয়া। সামগ্ৰী আৰু সেৱা কৰ (GST) ব্যৱস্থা প্ৰয়োগ কৰাৰ কাৰণে কেন্দ্ৰ আৰু ৰাজ্যৰ পৰা কৰ সম্পৰ্কীয় ক্ষমতা কিছুমান কাঢ়ি আনি নতুনকৈ গঠন কৰা GST কাউন্সিলক প্ৰয়োগ কৰাত আয়োগৰ কামত জটিলতা আহি পৰিছে।

পৰামৰ্শাৱলী আগবঢ়োৱাৰ ক্ষেত্ৰত পঞ্চদশ বিত্ত আয়োগে বিবেচনা কৰিব লগীয়া বিষয় আৰু প্ৰসঙ্গ সন্দৰ্ভত থকা চৰ্তসমূহ তলত উল্লেখ কৰা হ'ল -

- কৰৰ যোগেদি সংগৃহীত শুদ্ধ ৰাজহ কেন্দ্ৰ আৰু ৰাজ্যবোৰৰ মাজত বিতৰণ কৰোতে সংবিধানৰ ১ নং অধ্যায়ৰ XII অংশত উল্লেখ থকাৰ দৰে ৰাজ্যবোৰৰ মাজত কৰৰ পৰা হোৱা আয়ৰ ভাগ বণ্টন (allocation) কৰা হয়।
- আয়োগটোৱে কেন্দ্ৰ আৰু ৰাজ্যবোৰৰ সাম্প্ৰতিক বিত্তীয় স্থিতি, বিত্তীয় ঘাটি, ঋণৰ স্তৰ, নগদ লেন-দেনৰ হিচাপ আৰু ৰাজহ শৃঙ্খলৰ পুনৰ নিৰীক্ষণ কৰিব আৰু সুস্থ সবল ৰাজস্ব ব্যৱস্থা পৰিচালনাৰ বাবে ৰাজস্ব একত্ৰীকৰণৰ প্ৰদৰ্শন কৰিব।
- পৰামৰ্শবোৰ দিওতে আয়োগটোৱে অন্যান্য বিচাৰ্য্য বিষয়বোৰৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিব লাগিব যেনে-
    - ২০২০ চনৰ ১ এপ্ৰিলৰ পৰা আৰম্ভ কৰি ৫ বছৰৰ বাবে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰ বোৰৰ সম্পদৰাজি কৰ আৰু অনাকৰ ৰাজহৰ স্তৰৰ ওপৰত ভিত্তি কৰি ২০২৪-২৫ চনৰ ভিতৰত গোট খাব লাগিব। কৰ আৰু অনাকৰ ৰাজহ সন্দৰ্ভত আয়োগটোৱে সিহঁতৰ সাম্ভাব্য আৰু ৰাজস্ব সামৰ্থ্য (Potential and fiscal capacity) ও বিবেচনা কৰিব।
    - কেন্দ্ৰীয় চৰকাৰৰ সম্পদৰ প্ৰতি চাহিদা বিশেষকৈ প্ৰতিৰক্ষা, আভ্যন্তৰীণ নিৰাপত্তা, আন্তঃগাঁঠনি, ৰেলৱে, জলবায়ু পৰিবৰ্তন, বিধানমণ্ডল নোহোৱা কেন্দ্ৰীয় শাসিত অঞ্চলবোৰক দিয়া প্ৰতিশ্ৰুতি পূৰণ আৰু অঙ্গীকাৰ কৰা অন্যান্য ব্যয় আৰু দেনাৰ

বাবে উদ্ভৱ হয়।

- ৰাজ্য চৰকাৰ বোৰৰ সম্পদৰ চাহিদা বিশেষকৈ আৰ্থ সামাজিক উন্নয়নৰ বাবে কৰা খৰচ, জটিল আন্তঃ গাঁঠনি পৰিসম্পদৰ ৰক্ষনাবেক্ষণৰ বাবে হোৱা ব্যয়, সুষম আঞ্চলিক উন্নয়ন আৰু তেওঁলোকে যোগান ধৰা ৰাজহুৱা উপযোগিতা সেৱাৰ ওপৰত ঋণ আৰু দেনাৰ প্ৰভাৱৰ পৰা উদ্ভৱ হয়।
- চতুৰ্দ্দশ বিত্ত আয়োগৰ পৰামৰ্শ অনুসৰি ৰাজ্য বিলাকলৈ কৰ বিভাজনৰ অংশ বৰ্দ্ধিত কৰাৰ লগতে জাতীয় উন্নয়ন আঁচনি আৰু নতুন ভাৰতবৰ্ষ ২০২২ আঁচনিৰ যুগ্ম প্ৰভাব কেন্দ্ৰীয় চৰকাৰৰ ৰাজস্ব অৱস্থাৰ ওপৰত প্ৰতিফলিত হৈছে।
- GST ৰ প্ৰভাবকে ধৰি পাঁচ বছৰলৈ ৰাজহৰ ক্ষেত্ৰত হ'ব পৰা সাম্ভাৱ্য লোকচানৰ ক্ষতি পূৰণ আৰু কেতবোৰ উপকৰৰ বিলুপ্তিকৰণ আদিয়ে কেন্দ্ৰ আৰু ৰাজ্যৰ বিত্ত ব্যৱস্থাৰ ক্ষেত্ৰত কিছুমান গঠনগত সংস্কাৰ ও পৰিবৰ্তন সাধন কৰা আৰু ক্ষতি পূৰণৰ ব্যৱস্থা কৰাতো নিৰ্দ্দেশ কৰিছিল।
- সংবিধানৰ ২৯৩ (৩) অনুচ্ছেদৰ সন্মতি সাপেক্ষে ভাৰত চৰকাৰে ৰাজ্য চৰকাৰৰ ওপৰত চৰ্ত আৰোপ কৰিব পাৰিব।

- তলত উল্লেখ কৰা ক্ষেত্ৰসমূহৰ বাবে ৰাজ্য চৰকাৰবোৰক কাৰ্য্য সম্পাদনৰ মাপ নিৰ্ণয়কাৰী দক্ষতাৰ ভিত্তিত চৰকাৰীভাৱে উদ্‌গনি (Incentives) আগবঢ়াবলৈ আয়োগে বিবেচনা কৰে-
  - GSTৰ অধীনত কৰৰ জালৰ পৰিসৰ সম্প্ৰসাৰণ আৰু গম্ভীৰ কৰিবৰ বাবে ৰাজ্য বোৰে কৰা প্ৰচেষ্টাবোৰ।
  - জনসংখ্যা বৃদ্ধিৰ হাৰ সলনি কৰিবৰ বাবে লোৱা প্ৰচেষ্টাবোৰ আৰু এই ক্ষেত্ৰত লাভ কৰা অগ্ৰগতি।
  - ভাৰত চৰকাৰৰ ফ্লেগ্‌চিপ আঁচনি (Flagship schemes), দুৰ্য্যোগ প্ৰতিৰোধৰ আন্তঃগাঁথনি নিৰ্মাণ, বহনক্ষম উন্নয়নৰ লক্ষ্য আৰু ব্যয়ৰ গুণগত মান নিৰ্ধাৰণ আদিৰ ক্ষেত্ৰত লাভ কৰা সফলতা।
  - মূলধন ব্যয়ৰ ক্ষেত্ৰত লাভ কৰা অগ্ৰগতি, শক্তি খণ্ডৰ লোকচান দুৰীকৰণ আৰু ভৱিষ্যতে আয় বৃদ্ধিৰ আঁচনি উদ্ভাৱন কৰাৰ ক্ষেত্ৰত কৰা ব্যয়ৰ মান উন্নত কৰা।
  - কৰ আৰু অনাকৰ ৰাজহ বৃদ্ধিৰ ক্ষেত্ৰত লাভ কৰা অগ্ৰগতি, প্ৰত্যক্ষ সুবিধাৰ হস্তান্তৰ আৰু চৰকাৰী বিত্ত পৰিচালনা পদ্ধতি (Direct Benefit Transfer and Public Finance Management System) গ্ৰহণ কৰি সঞ্চয় বৃদ্ধি কৰা, ডিজিটেল অৰ্থ ব্যৱস্থাৰ উন্নতি কৰি চৰকাৰ আৰু সুবিধা গ্ৰহণকাৰীৰ মাজত থকা অৱকাশ দুৰ কৰা।
  - ব্যৱসায় সহজসাধ্য কৰি তোলাৰ ক্ষেত্ৰত অগ্ৰগতি লাভ কৰাৰ বাবে প্ৰাসংগিক নীতি নিয়মৰ পৰিবৰ্তন সাধন কৰা আৰু শ্ৰম নিবিড় উন্নয়নৰ উৎকৰ্ষ সাধন কৰা।

- গুণসম্পন্ন মানৰ সম্পদকে ধৰি মূল সেৱা (Basic service) বোৰ আগবঢ়াবৰ বাবে স্থানীয় সংস্থা (স্থানীয় চৰকাৰৰ সংস্থা) বোৰলৈ সাহায্যমূলক অনুদানৰ ব্যৱস্থা কৰা আৰু সেৱা বোৰৰ যোগানৰ ক্ষেত্ৰত কার্য সম্পাদন অনুদান পদ্ধতি (Performance grant system) প্ৰয়োগ কৰা।
- জনহিতকৰ কামৰ বাবে কৰা ব্যয়ৰ নিয়ন্ত্ৰণ বা অভাৱ দূৰ কৰা।
- অনাময় ব্যৱস্থাৰ অগ্ৰগতি সাধন, গোটা আৱৰ্জনাৰ পৰিচালনা আৰু মুক্ত মলত্যাগৰ (Open defection) অন্ত পেলাবলৈ আচৰণগত পৰিবৰ্তন অনা।

- বিত্ত আয়োগটোৱে পৰামৰ্শৱলী নিৰ্দ্দেশ কৰোতে ২০১১ চনৰ জনসংখ্যাৰ তথ্য ব্যৱহাৰ কৰিব।
- বৰ্ত্তমান প্ৰাকৃতিক দূর্য্যোগ ব্যৱস্থাপনাৰ ক্ষেত্ৰত আয়োগটোৱে ২০০৫ চনৰ প্ৰাকৃতিক দূর্য্যোগ ব্যৱস্থাপনা আইনৰ অধীনত গঠন কৰা পূঁজিৰ পুনৰ নিৰীক্ষণ কৰি প্ৰয়োজনীয় ব্যৱস্থা গ্ৰহণ কৰিব।
- এই আয়োগটোৱে কি কি বিষয়ৰ ওপৰত ভিত্তি কৰি প্ৰতিখন ৰাজ্যৰ বাবে ৰাজহ আৰু ব্যয়ৰ আনুমানিক হিচাপ প্ৰস্তুত কৰিছে তাৰ নিৰ্দেশ দিব।
- এপ্ৰিল ২০২০ চনৰ পৰা পাঁচবছৰৰ কার্য্যকাল সামৰি কার্য্যকৰী হোৱাকৈ আয়োগটোৱে ২০১৯ চনৰ ৩০ অক্টোবৰ তাৰিখৰ ভিতৰত তেওঁলোকৰ প্ৰতিবেদন প্ৰস্তুত কৰি উলিয়াব।

চতুৰ্দ্দশ বিত্ত আয়োগৰ প্ৰধান পৰামৰ্শাৱলীবোৰ : চতুৰ্দ্দশ বিত্ত আয়োগে আগবঢ়োৱা প্ৰধান পৰামৰ্শাৱলীসমূহ তলত আলোচনা কৰা হৈছে-

- চতুৰ্দ্দশ বিত্ত আয়োগে কৰ বিভাজনৰ অংশ বিভাজ্য কৰৰ ৪২ শতাংশলৈ বৃদ্ধি কৰিবলৈ সিদ্ধান্ত লয়।
- ৰাজ্যবিলাকৰ ক্ষেত্ৰত সর্ব্বনিম্ন অনুমোদিত বিভাজনৰ সন্দর্ভত তেওঁলোকে সহমত হ'ব পৰা নাই।
- তেওঁলোকক জনসংখ্যাৰ যিটো তাৰিখৰ ওপৰত ভিত্তি কৰিব দিয়া হৈছে সেইটো সুবিধাজনক নহয়, কিন্তু উল্লেখ চর্ত অনুসৰি (ToR) এটা বান্ধি দিয়াৰ কাৰণে ১৯৭১ চনৰ জনসংখ্যাৰ তথ্যৰ ওপৰত ১৭.৫ শতাংশ গুৰুত্ব প্ৰদান কৰিছে। এই ব্যৱস্থা কার্য্যকাৰী কৰাৰ ওপৰত ভিত্তি কৰি তেওঁলোকৰ মতে ২০১১ চনৰ লোকপিয়লৰ তথ্যৰ ওপৰত গুৰুত্ব দিলেহে ১৯৭১ চনৰ পৰা প্ৰব্ৰজন আৰু বয়স ভিত্তিক জনসংখ্যাৰ গাঁথনিত হোৱা পৰিবর্তনবোৰ অন্তর্ভূক্ত হ'ব। সেয়েহে তেওঁলোকে ২০১১ চনৰ জনসংখ্যাৰ ওপৰত ১০ শতাংশ গুৰুত্ব অর্পণ কৰিছে।
- ক্ষেত্ৰ নির্দ্ধাৰণৰ ক্ষেত্ৰত তেওঁলোকে দ্বাদশ বিত্ত আয়োগক অনুসৰণ কৰিছে আৰু সৰু ৰাজ্যবোৰৰ ক্ষেত্ৰত নিম্নতম সীমা (Floor Limit) ২ শতাংশ ধৰি ১৫ শতাংশ ভাৰ অর্পণ কৰিছে।

- চতুর্দ্দশ বিত্ত আয়োগে বিশ্বাস কৰে যে বৃহৎ বনাঞ্চল সমূহ পাৰিপার্শ্বিকতা ৰক্ষাৰ ক্ষেত্রত যথেষ্ট উপকাৰী হ'লেও এই ক্ষেত্রত সুযোগ ব্যয়ৰ প্রশ্নৰ উদ্ভৱ হয় যিহেতু বৃহৎ ভূমিখণ্ড আন অর্থনৈতিক কার্য্যৰ বাবে ব্যৱহাৰ কৰিব পৰা নাযায় আৰু ই ৰাজস্ব অসামর্থ্যতাৰ এটা নির্দ্দেশক হিচাপে কাম কৰে; এই আটাইবোৰ কথা চালি জাৰি চাই তেওঁলোকে অধিকৃত বনাঞ্চলৰ ওপৰত ৭.৫ শতাংশ ভাৰ অর্পন কৰিছে।
- আয়ৰ পার্থক্যৰ ভিত্তিত ৰাজ্যবোৰৰ ৰাজস্ব সামর্থ্য প্রতিনিধিত্ব কৰাৰ পূর্ব্বৰ প্রক্রিয়াটোকে বাহাল ৰাখিবলৈ বিত্ত আয়োগটোৱে পৰামর্শ দিয়াৰ লগতে তাৰ ওপৰত ৫০ শতাংশ ভাৰ অর্পণ কৰে। দ্বাদশ বিত্ত আয়োগৰ পৰামর্শ অনুসৰিহে তেওঁলোকে আয়ৰ পার্থক্য (Income distance) হিচাপ কৰাৰ সিদ্ধান্ত লয়।
- জম্মু কাশ্মীৰত যিহেতু সেৱা কৰ লগোৱা হোৱা নাই, গতিকে সেৱা কৰৰ পৰা হোৱা আয়ৰ ভাগ এই খন ৰাজ্যক দিয়া নহ'ব।
- প্রাসংগিক (বা সম্পর্কিত) বিধি অনুসৰি স্থানীয় সংস্থাবোৰৰ বাবে ধার্য্য কৰি দিয়া কামবোৰৰ ভিতৰত কেৱল মূল সেৱাবোৰৰ ক্ষেত্রতহে অনুদানবোৰ খৰচ কৰিবলৈ স্থানীয় সংস্থাবোৰক আয়োগে পৰামর্শ আগবঢ়ায়।
- আয়োগটোৱে স্থানীয় সংস্থাবোৰে প্রস্তুত কৰা তেওঁলোকৰ হিচাপৰ বহীত কৰ আৰু অনাকৰ ৰাজহুৰ পৰা নিজাববীয়াকৈ উপার্জন কৰা আয়ৰ পৰিমান, তেওঁলোকৰ বাবে ধার্য্য কৰ বিভাজ্যবোৰ, ৰাজ্যৰ পৰা পোৱা অনুদান, বিত্ত আয়োগৰ পৰা পোৱা অনুদান আৰু কেন্দ্রীয় আৰু ৰাজ্যবোৰে তেওঁলোকৰ বাবে ধার্য্য কৰি দিয়া এজেন্সী কার্য্য (Agency function) বোৰৰ বাবে লাভ কৰা অনুদানৰ পৰিমান ইত্যাদি স্পষ্টভাৱে দেখুৱাই দিয়া উচিত বুলি পৰামর্শ আগবঢ়ায়।
- এই আয়োগে ৰাজ্য বিলাকলৈ অনুদান বিতৰণৰ ক্ষেত্রত ২০১১ চনৰ জনসংখ্যাৰ তথ্যৰ ওপৰত ৯০ শতাংশ আৰু ৰাজ্যবোৰৰ আয়তনৰ ওপৰত ১০ শতাংশ গুৰুত্ব দিবলৈ পৰামর্শ দিয়ে। ২০১১ চনৰ লোকপিয়লৰ তথ্যৰ ওপৰত ভিত্তি কৰি প্রত্যেক ৰাজ্যলৈ আগবঢ়োৱা অনুদান দুটা ভাগত অর্থাৎ নিয়মমতে গঠন হোৱা গাঁও পঞ্চায়তবোৰ আৰু পৌৰ সভাবোৰক ভাগ কৰি দিবলৈ পৰামর্শ দিয়ে (অনুমোদন জনায়)।
- বছৰি জনমুৰি ৪৮৮ টকা হিচাপে ধৰি তেওঁলোকে ২০১৫-২০ বর্ষ সময়ছোৱাৰ বাবে হিচাপ কৰি উলিওৱা মুঠ অনুদানৰ পৰিমান হৈছে ২,৮৭৪৩৬ কোটি টকা। ইয়াৰে ২০০,২৯২.২০ কোটি টকা পঞ্চায়তবোৰলৈ আৰু ৮৭,১৪৩.৮১ কোটি টকা পৌৰসভাবোৰলৈ অনুমোদন কৰা হয়।
- আয়োগে অনুদানবোৰ দুই প্রকাৰে নিয়মিতভাৱে গঠন হোৱা গাঁও পঞ্চায়ত আৰু পৌৰসভাবোৰলৈ অনুমোদন কৰে- ক) মূল অনুদান (Basic grants) আৰু (খ) কার্য্য সম্পাদন অনুদান (Performance grants)। গাঁও পঞ্চায়তবোৰক দিয়া মূল অনুদান আৰু কার্য্য সম্পাদনৰ অনুপাত ৯০ঃ১০ শতাংশ আৰু পৌৰসভাবোৰক দিয়া মূল অনুদান

আৰু কার্য্য সম্পাদনৰ অনুপাত ৮০ঃ২০ শতাংশ হব লাগিব বুলি আয়োগটোৱে অনুমোদন জনায়।

- চতুর্দ্দশ বিত্ত আয়োগৰ অনুমোদন অনুসৰি স্থানীয় সংস্থাবোৰৰ আন স্তৰবোৰলৈ কোনো অংশ নৰখাকৈ আটাইখিনি অনুদান গাঁও পঞ্চায়তবোৰক দিয়া উচিত, যিহেতু মূল সেৱাবোৰ আগবঢ়োৱাৰ ক্ষেত্রত গাঁও পঞ্চায়তবোৰেহে প্রত্যক্ষভাৱে দায়বদ্ধ হোৱা দেখা যায়। আন স্তৰৰ স্থানীয় সংস্থাবোৰৰ প্রয়োজন পূৰাবৰ বাবে ৰাজ্য চৰকাৰবোৰ যত্নপৰ হ'ব বুলি অয়োগটোৱে আশা প্রকাশ কৰে।
- গাঁও পঞ্চায়তবোৰলৈ আগবঢ়োৱা নির্দিষ্ট পৰিমানৰ অনুদান নিজা নিজা ৰাজ্যিক বিত্ত আয়োগ বোৰে সম্পদ বিতৰণৰ বাবে ধার্য্য কৰা সূত্র অনুসৰি বিতৰণ কৰা হ'ব।
- নগৰৰ স্থানীয় সংস্থাবোৰলৈ আগবঢ়োৱা মূল অনুদান তৰপীয়া ভিত্তিত ভাগ কৰি প্রত্যেক তৰপত যেনে-পৌৰ নিগম, পৌৰসভা আৰু নগৰ পঞ্চায়ত (নগৰৰ স্থানীয় সংস্থাবোৰৰ স্তৰ বা তৰপ) বোৰৰ মাজত ৰাজ্যিক বিত্ত নিগমবোৰে ধার্য্য কৰি দিয়া সূত্র অনুসৰি বিতৰণ কৰা হ'ব। নতুনকৈ গঠন হোৱা ৰাজ্যিক বিত্ত নিগমবোৰৰ বিতৰণৰ সূত্র ৰাজ্য চৰকাৰবোৰে অনুমোদনৰ বাবে গ্রহণযোগ্য বুলি ধৰি লৈ প্রয়োগ কৰা উচিত।
- ৰাজ্যিক বিত্ত নিগমৰ কোনো সূত্র নাপালে (নাথাকিলে) ওপৰত নির্দিষ্ট কৰি দিয়াৰ দৰে প্রত্যেক গাঁও পঞ্চায়তৰ অংশ ২০১১ চনৰ জনসংখ্যাৰ ওপৰত ৯০ শতাংশ আৰু পঞ্চায়তৰ কার্য্যক্ষেত্র পৰিসৰৰ ওপৰত ১০ শতাংশ গুৰুত্ব আৰোপ কৰি বিতৰণ কৰা উচিত হ'ব বুলি তেওঁলোকে অনুমোদন জনায়। নগৰ অঞ্চলৰ স্থানীয় সংস্থাবোৰৰ তিনিটা তৰপৰ ক্ষেত্রটো ২০১১ চনৰ জনসংখ্যাৰ ওপৰত ৯০ শতাংশ আৰু সংস্থাবোৰৰ অধীনস্থ ক্ষেত্রৰ আয়তনৰ ওপৰত ১০ শতাংশ গুৰুত্ব অর্পণ কৰি অর্থাৎ ৯০ঃ১০ অনুপাতত অনুদানৰ পৰিমান ধার্য্য কৰিবলৈ আয়োগটোৱে অনুমোদন জনায়।
- কার্য্য সম্পাদন অনুদান (Performance grants) ৰ বাবে যোগ্য হবৰ কাৰণে গাঁও পঞ্চায়তবোৰে কার্য্য সম্পাদন অনুদানৰ বাবে আবেদন কৰা সময়ৰ দুবছৰ আগৰ এটা বছৰৰ পৰীক্ষিত হিচাপ জমা দিব লাগিব।
- যোগ্য গাঁও পঞ্চায়তবোৰক তেওঁলোকৰ প্রাপ্য অংশ দিয়াৰ পিছত কার্য্য সম্পাদন অনুদানৰ বাবে নির্ধাৰিত পুঁজিৰ অৱশিষ্ট অংশ যোগ্য বুলি বিবেচিত গাঁও পঞ্চায়তবোৰৰ মাজত সমানে ভগাই দিবলৈ আয়োগটোৱে অনুমোদন জনায়।
- চর্তুর্দ্দশ বিত্ত আয়োগে অনুমোদন কৰা অনুদান প্রত্যেক বছৰে জুন আৰু অক্টোবৰ মাহত দুটা কিস্তিত মোকলাই দিয়া হ'ব। ইয়াৰ ফলত স্থানীয় সংস্থাবোৰলৈ সময়মতে পুঁজিৰ প্রবাহ ঘটিব আৰু ই তেওঁলোকৰ কামবোৰ ভালদৰে পৰিকল্পনা আৰু কার্য্যকৰী কৰাত সহায় কৰিব। মূল অনুদানৰ ৫০ শতাংশ ৰাজ্যখনক প্রথম কিস্তি হিচাপে মোকলাই দিবলৈ আয়োগে পৰামর্শ দিয়ে। মূল অনুদানৰ অৱশিষ্ট অংশ আৰু পূর্ণকার্য্যক্ষম অনুদান দ্বিতীয় কিস্তি হিচাপে মোকলাই দিবলৈ আয়োগে অনুমোদন জনায়। কেন্দ্রীয় চৰকাৰৰ পৰা আহি

অনুদানৰ ধন জমা হোৱাৰ পিছত ৰাজ্যবোৰে ১৫ দিনৰ ভিতৰত সেই অনুদানৰ ধন গাঁও পঞ্চায়ত আৰু পৌৰসভাক মোকলাই দিয়া উচিত। যদিহে তেনে কৰাত পলম হয়, তেনেহলে ৰাজ্য চৰকাৰবোৰে নিজৰ হাতৰ পৰা সুদ সহ কিস্তিৰ ধন মোকলাই দিব লাগিব।

- এই পুঁজিৰ ধন প্ৰয়োগ কৰাৰ ক্ষেত্ৰত অনিয়ম সংঘটিত হলে বিহিত ব্যৱস্থা সুনিশ্চিত কৰাটো উচিত হব বুলি আয়োগে পৰামৰ্শ আগবঢ়ায়।
- তেওঁলোকৰ পৰামৰ্শ অনুসৰি ৰাজ্যিক চৰকাৰবোৰে ৰাজ্যিক বিত্তীয় নিগমবোৰক শক্তিশালী কৰা উচিত।
- সম্পত্তি কৰ ধাৰ্য্য কৰাটো সুবিধাজনক কৰিবলৈ আৰু এই ক্ষেত্ৰত ৰেহাই দিয়াৰ পৰিমান সৰ্বনিম্ন কৰিবলৈ প্ৰচলিত নীতি নিয়মবোৰ পুনৰ নিৰীক্ষণ আৰু বিশ্লেষণ কৰিবলৈ তেওঁলোকে পৰামৰ্শ আগবঢ়ায়।
- বিজ্ঞাপন সংক্ৰান্তীয় কৰ ধাৰ্য্য কৰিবলৈ আৰু এইটো উৎসৰ পৰা নিজৰ ৰাজহ সংগ্ৰহ কৰাৰ বাবে স্থানীয় সংস্থাবোৰক ক্ষমতা দিবলৈ পদক্ষেপ লোৱাৰ বাবে পৰামৰ্শ দিয়াৰ অৰ্থে ৰাজ্য চৰকাৰবোৰে বিবেচনা কৰিব পাৰে বুলিও আয়োগে অনুমোদন জনায়।
- আমোদকৰৰ গঠন প্ৰক্ৰিয়াটো পুনৰ নিৰীক্ষণ কৰা আৰু নতুন নতুন আমোদ প্ৰমোদ কৰ ব্যৱস্থা এইবিধ কৰৰ ভিতৰত অন্তৰ্ভুক্ত কৰি ইয়াৰ পৰিসৰ বৃদ্ধি কৰিবলৈ আয়োগে ৰাজ্যবোৰক পৰামৰ্শ দিয়ে।
- বিত্তিগত কৰৰ সৰ্বোচ্চ সীমা বছৰি ২,৫০০ টকাৰ পৰা ১২,০০০ টকালৈ বৃদ্ধি কৰিবলৈ আয়োগটোৱে অনুমোদন জনায়।
- নিৰ্বাচিত বিষয়ৰ ওপৰত উপকৰ (Cess) ধাৰ্য্য কৰাৰ জৰিয়তে ৰাষ্ট্ৰীয় দুৰ্য্যোগ সাহায্য পুঁজি (NDRF) ৰ বাবে অৰ্থসংগ্ৰহৰ প্ৰচলিত ব্যৱস্থাটো যদি কিবা কাৰণত বন্ধ হৈ যায় বা ভৱিষ্যতে সেই উপকৰবোৰ GST ৰ অৰ্ন্তভূক্ত হৈ পৰে, তেনে ক্ষেত্ৰত কেন্দ্ৰীয় চৰকাৰে NDRF ৰ বাবে পুঁজি সংগ্ৰহৰ এটা নিশ্চিত উৎস সুনিশ্চিত কৰাৰ বাবে বিবেচনা কৰিব পাৰে।
- কেন্দ্ৰীয় চৰকাৰৰ পৰা অহা ৯০ শতাংশ অনুদানৰ লগত আয়োগৰ পুৰস্কাৰ কাল (Award Period) ৰ ভিতৰত ৰাজ্যবোৰক ৰাজ্যিক দুৰ্য্যোগ প্ৰতিৰোধ পুঁজিলৈ ১০ শতাংশ অনুদান বৰঙনি হিচাপে আগবঢ়াবলৈ আয়োগে পৰামৰ্শ দিয়ে।
- জিলাভিত্তিক দুৰ্য্যোগ প্ৰতিৰোধ পুঁজি গঠনৰ ক্ষেত্ৰত ৰাজ্য চৰকাৰবোৰক প্ৰাধান্য দিবলৈ ত্ৰয়োদশ বিত্ত আয়োগে আগবঢ়োৱা পৰামৰ্শৰ প্ৰতি চলিত আয়োগটোৱে সন্মতি প্ৰদান কৰে।
- চতুৰ্দ্দশ বিত্ত আয়োগে মুঠ ৰাজহ ঘাটি অনুদান হিচাপে ১,৯৪,৮২১ কোটি টকা ১১ খন ৰাজ্যলৈ পুৰস্কাৰ কালৰ ভিতৰত আগবঢ়াবলৈ অনুমোদন জনায়।



চিন্তা-চৰ্চা কৰক ১৫.১

ভাৰতৰ আন্তঃৰাজ্যিক হস্তান্তৰকৰণৰ ক্ষেত্ৰত বিত্ত আয়োগৰ গুৰুত্ব বিশ্লেষণ কৰক।

.....

.....

.....

.....

.....



অগ্ৰগতিৰ নিৰীক্ষণ

প্ৰশ্ন ১ ঃশুদ্ধ নে অশুদ্ধ উল্লেখ কৰক ঃ

(ক) কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্যিক চৰকাৰ সমূহৰ মাজত বিভাজন কৰিব লগীয়া কৰ ৰাজহ সমূহ ভগাই দিয়াৰ এক আহিলা হিচাপে কাৰ্য্য সম্পাদন কৰাটো হ'ল ভাৰতৰ বিত্ত আয়োগৰ এটা গুৰুত্বপূৰ্ণ কাম। (শুদ্ধ/অশুদ্ধ)

(খ) নন্দ কিশোৰ সিং হ'ল ভাৰতৰ পঞ্চদশ বিত্ত আয়োগৰ অধ্যক্ষ।(শুদ্ধ/অশুদ্ধ)

(গ) ভাৰতৰ বিত্ত আয়োগে ইয়াৰ ৰাজ্যসমূহক কেন্দ্ৰীয় একত্ৰিত ৰাজহ পুঁজিৰ পৰা অৰ্থ সাহায্য প্ৰদান কৰা কাৰ্য্য পৰিচালনা কৰাৰ বাবে প্ৰয়োজন হোৱা নীতি সমূহ নিৰূপণ কৰে। (শুদ্ধ/অশুদ্ধ)

প্ৰশ্ন ২ ঃ ভাৰতৰ বিত্ত আয়োগৰ প্ৰধান ভূমিকা সম্পৰ্কে উল্লেখ কৰক। (২০ টা শব্দৰ ভিতৰত)

.....

.....

প্ৰশ্ন ৩ ঃ ভাৰতৰ চতুৰ্দ্দশ বিত্ত আয়োগে আগবঢ়োৱা যিকোনো দুটা পৰামৰ্শ চমুকৈ উল্লেখ কৰক। (৪০টা শব্দৰ ভিতৰত)

.....

.....

.....

.....



১৫.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- কেন্দ্ৰীয় চৰকাৰে সংগ্ৰহ কৰা কৰ ৰাজহবোৰৰ পৰা ৰাজ্যবোৰলৈ দিব লগা অংশৰ নিৰ্দ্ধাৰণ আৰু ৰাজ্যবোৰৰ উন্নয়নমূলক কাৰ্য্যসমূহৰ বাবে অনুদান দিয়াৰ বাবে পৰামৰ্শ দিবলৈ

ভাৰতৰ বিত্ত আয়োগটো গঠন কৰা হৈছে।

- কেন্দ্রীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰবোৰৰ মাজত থকা বিত্তীয় সম্পৰ্কৰ ওপৰত আলোপাত কৰাটোৱে বিত্ত আয়োগৰ প্রধান কাম।
- ভাৰতৰ বৃত্ত আয়োগে ইয়াৰ ৰাজ্য চৰকাৰ সমূহক কৰ হস্তান্তৰকৰণ আৰু সাহার্য্যমূলক অনুদান আগবঢ়োৱা বাবে এই চৰকাৰ সমূহে সম্পূর্ণ বিত্তিয় স্বাধীনতা উপভোগ কৰে।
- ভাৰতৰ বিত্ত আয়োগে দিয়া পৰামর্শ অনুসৰি আয়কৰ বিভাজন আৰু সাহার্যমূলক অনুদানৰ ক্ষেত্রত ৰাজ্য চৰকাৰৰ অংশ নির্দ্ধাৰণ কৰে। ভাৰতত বর্ত্তমান কার্য্যকৰী হৈ থকা বিত্ত আয়োগটো হৈছে পঞ্চদশ বিত্ত আয়োগ। কৰৰ বিভাজন আৰু আন আন ৰাজস্ব বিষয়ত পাঁচটা ৰাজস্ব বর্ষৰ বাবে পৰামর্শ দিবলৈ এই বিত্ত আয়োগটো ২০১৭ চনৰ নৱেম্বৰ মাহত গঠন কৰা হয়। নন্দ কিশোৰ সিঙক পঞ্চদশ বিত্ত আয়োগৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া হয়।
- চতুর্দ্দশ বিত্ত আয়োগে কেন্দ্রীয় বিভাজ্যৰ দিশত ৰাজ্যবোৰৰ অংশ নজৰ বিহীন ভাবে ৩২ শতাংশৰ পৰা ৪২ শতাংশলৈ বৃদ্ধি কৰে। অভিলম্বীয় বিভাজ্যৰ ক্ষেত্রত এইটো এতিয়ালৈ সর্ব্ববৃহৎ দৃষ্টান্ত বুলি ক'ব পৰা যায়। ইয়াৰ আগৰ দুটা বিত্ত আয়োগ যেনে দ্বাদশ বিত্ত আয়োগ (২০০৫ ৰ পৰা ২০১০ লৈ) আৰু ত্রয়োদশ বিত্ত আয়োগ (২০১০ ৰ পৰা ২০১৫ লৈ) কেন্দ্রীয় কৰ বিভাজ্যৰ দিশত ৰাজ্যৰ অংশ ক্রমে ৩০.৫ শতাংশ (১ শতাংশ বৃদ্ধি) আৰু ৩২ শতাংশ (১.৫ শতাংশ বৃদ্ধি) কৰিবলৈ পৰামর্শ দিছিল।
- চতুর্দ্দশ বিত্ত আয়োগটোৱে ৰাজ্যবোৰৰ মাজত হোৱা বিভাজ্যৰ দিশত ৰাজ্যবোৰৰ অংশ বিতৰণৰ সম্পর্কত এটা আনুভূমিক সূত্রৰ প্রস্তাৱ আগবঢ়াইছে। চলকবোৰৰ অন্তর্ভূক্তকৰণ, বহিস্কৰণ আৰু এইবোৰৰ গুৰুত্ব বা ভাৰ প্রদান (Weight) আদিৰ ক্ষেত্রত পৰিবর্তন সংঘটিত হৈছে। ত্রয়োদশ বিত্ত আয়োগৰ তুলনাত চতুর্দ্দশ বিত্ত আয়োগে দুটা নতুন চলক অন্তর্ভূক্ত কৰিছে- ২০১১ চনৰ জনসংখ্যা আৰু বনাঞ্চলৰ পৰিমাণ। কিন্তু ৰাজহ শৃঙ্খলৰ চলকটো বাদ দিছে।
- গাওঁ আৰু নগৰাঞ্চল তথা স্থানীয় প্রশাসনলৈ দিয়া অনুদানকে ধৰি, কার্য্যকাৰী অনুদান (Performance grant) ৰ লগতে দুর্য্যোগ সম্বন্ধীয় সাহার্য আৰু ৰাজহ ঘাটি আদিৰ ক্ষেত্রত সাল সলনি ঘটিছে। ২০১৫-২০২০ চনৰ কালত সম্পদ হস্তান্তৰৰ পৰিমাণ আনুমানিক মুঠ ৫.৩ লাখ কোটি টকা।

১৫.৭ অধিক জানিবৰ বাবে

১) Sury, M.M. (2017). *Finance Commission and Fiscal Federalism in India*. Indian Tax Foundation.

২) Musgrave, R.A. and Musgrave, P. B. (2017). *Public Finance in Theory and Practice.* McGraw Hill Education.

৩) Choudhury, R. K. and Chakraborty, R. C. (2016). *Public Finance and Fiscal Policy.* Ludhiana:Kalyani Publishers.

১৫.৮ অগ্ৰগতিৰ খতিয়ান

১ নং প্ৰশ্নৰ উত্তৰ ঃ (ক) শুদ্ধ (খ) শুদ্ধ(গ) শুদ্ধ

২ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ বিত্ত আয়োগৰ প্ৰধান ভূমিকা হৈছে ৰাজ্যসমূহৰ মাজত কৰৰ অংশ আৰু অনুদান মূলক সাহায্য বিতৰণৰ বাবে নীতি নিৰ্দ্ধাৰণ কৰা।

৩ নং প্ৰশ্নৰ উত্তৰ ঃ ভাৰতৰ চতুৰ্দ্দশ বিত্ত আয়োগে আগবঢ়োৱা দুটা পৰামৰ্শ তলত উল্লেখ কৰা হৈছে-

- চতুৰ্দ্দশ বিত্ত আয়োগে কৰ বিভাজনৰ অংশ বিভাজ্য কৰৰ ৪২ শতাংশলৈ বৃদ্ধি কৰিবলৈ সিদ্ধান্ত লয়।
- ৰাজ্যবিলাকৰ ক্ষেত্ৰত সৰ্ব্বনিম্ন অনুমোদিত বিভাজনৰ সন্দৰ্ভত তেওঁলোকে সহমত হ'ব পৰা নাই।

১৫.৯ আৰ্হি প্ৰশ্ন

চমু প্ৰশ্ন (১৫০টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ বিত্ত আয়োগৰ সংজ্ঞা আগবঢ়াওক।

২ নং প্ৰশ্ন ঃ ভাৰতৰ পঞ্চদশ বিত্ত আয়োগ কেতিয়া গঠন কৰা হৈছিল?

৩ নং প্ৰশ্ন ঃ ভাৰতৰ পঞ্চদশ বিত্ত আয়োগৰ ওপৰত এটা চমুটোকা লিখক।

৪ নং প্ৰশ্ন ঃ ভাৰতৰ চতুৰ্দ্দশ বিত্ত আয়োগ সম্পৰ্কে চমুকৈ ব্যাখ্যা আগবঢ়াওক।

ৰচনাধৰ্মী প্ৰশ্ন (৩০০-৫০০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

১ নং প্ৰশ্ন ঃ ভাৰতৰ পঞ্চদশ বিত্ত আয়োগৰ সাধাৰণ প্ৰসঙ্গৰ ধাৰণা উল্লেখ কৰক।

২ নং প্ৰশ্ন ঃ ভাৰতৰ বিত্ত আয়োগৰ ভূমিকা আৰু দায়বদ্ধতাবোৰ আলোচনা কৰক।

৩ নং প্ৰশ্ন ঃ ভাৰতৰ চতুৰ্দ্দশ বিত্ত আয়োগৰ পৰামৰ্শাৱলীবোৰ আলোচনা কৰক।

৪ নং প্ৰশ্ন ঃ "কেন্দ্ৰীয় চৰকাৰ আৰু ৰাজ্য চৰকাৰ বোৰৰ মাজত থকা বিত্তীয় সম্পৰ্কৰ ওপৰত আলোকপাত কৰাটোৱেই হৈছে বিত্ত আয়োগৰ মূল লক্ষ্য।"- ভাৰতবৰ্ষৰ বিত্ত আয়োগৰ সন্দৰ্ভত সিদ্ধান্তটো ব্যাখ্যা কৰক।

*** **** ***

REFERENCES (For all units of the Course)

ইংৰাজী গ্ৰন্থ ঃ

1. Basotia, G. R. (2005). *Public Finance.* Jaipur: Shree Niwas Publications.
2. Bhatia, H. L. (2012). *Public Finance.* New Delhi: Vikas Publishing House Pvt. Ltd.
3. Choudhury, R. K and Chakraborty, R. C. (2016). *Public Finance and Fiscal Policy.* Ludhiana:Kalyani Publishers.
4. Jhingan, M. L. (2013). *Money Banking, International Trade and Public Finance.* New Delhi: Vrinda Publications.
5. Lekhi, R. K. (2002). *Public Finance.* Ludhiana: *Kalyani Publishers.*
6. Lekhi, R. K. (2006). *Public Finance and Fiscal policy.* Ludhiana:Kalyani Publishers.
7. Menkar and Sarma. (2001). *Public Finance:Theory and Practice.* Mumbai:Himalaya Publishing House, 5th Edition.
8. Mithani, D. M. (2001). *Money, Banking, International Trade and Public Finance.* Mumbai:Himalaya Publishing House.
9. Musgrave, R.A. and Musgrave, P. B. (2017). *Public Finance in Theory and Practice.* McGraw Hill Education.
10. Prakash, O. (2008). *Public Economics:Theory and Practice.* Jalandhar:Vishal publishing Co, Ist Edition.
11. Paul, R. R. (2009). *Money, Banking and Public Finance.* Ludhiana: Kalyani Publisher.
12. Singh, S. K. (2010). *Public finance in theory and practice.* New Delhi: S. Chand and Company Limited.
13. Sury, M.M. (2017). *Finance Commission and Fiscal Federalism in India*. Indian Tax Foundation.

কাকতৰ নাম ঃ
পাঠ্যবিষয়ৰ কোড (সাংকেতিক সংখ্যা) ঃ

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ (CIQA)

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

নগৰ কাৰ্যালয়, হাউছফেড কমপ্লেক্স, গুৱাহাটী-০৬

পাঠ্যবিষয় সন্দৰ্ভত শিক্ষাৰ্থীৰ সঁহাৰি

প্ৰিয় শিক্ষাৰ্থী,

ওপৰত উল্লেখ কৰা পাঠ্যবিষয়টোৰ সন্দৰ্ভত আপোনাৰ বহুমূলীয়া মতামত আৰু মন্তব্য বিচৰা হৈছে। আপোনাৰ সঁহাৰিয়ে আমাক ভৱিষ্যৎ স্ব-শিক্ষণ সামগ্ৰীবোৰৰ মান উন্নত কৰাত সহায় কৰিব। অনুগ্ৰহ কৰি তলৰ প্ৰবিৱৰণবোৰৰ বিপৰীতে আপোনাৰ মতামত উপযুক্তভাৱে প্ৰতিফলিত কৰা বিকল্পটোত চিন দিয়ক। মন্তব্যৰ সৈতে সম্পূৰ্ণ সঁহাৰি জনোৱাৰ পাছত পৃষ্ঠাটো ফালি তলৰ ঠিকনাত ডাকযোগে প্ৰেৰণ কৰে যেন।

সঞ্চালক,

আভ্যন্তৰীণ গুণগত আশ্বাসন কেন্দ্ৰ, কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়
হাউছফেড কমপ্লেক্স, দিছপুৰ, গুৱাহাটী-০৬
ই-মেইল ঠিকনা ঃ ciqa@kkhsou.in

১) পাঠ্যবিষয়ৰ অন্তৰ্ভুক্ত অধ্যায়বোৰ পঢ়িবলৈ আপুনি আনুমানিকভাৱে কিমান ঘণ্টা ব্যয় কৰিলে? ☐

২) খণ্ডটো অধ্যয়ন কৰাৰ অন্তত তলৰ প্ৰবিৱৰণবোৰ সন্দৰ্ভত আপোনাৰ মতামত ব্যাখ্যা কৰক (✓ চিন দিয়ক)

ক্ৰমাংক	প্ৰবিৱৰণ	দৃঢ়ভাৱে একমত	একমত	একমতো নহয় অসন্মতো নহয়	অসন্মত	দৃঢ়ভাৱে অসন্মত
i)	পাঠ্যবিষয়ৰ স্ব- শিক্ষণ সামগ্ৰীবোৰে প্ৰতিটো অধ্যায়ৰ আৰম্ভণিতে ধাৰ্য কৰি লোৱা শিক্ষণ উদ্দেশ্যবোৰ পূৰণ কৰিব পাৰিছে					
ii)	স্ব- শিক্ষণ সামগ্ৰীত সন্নিৱিষ্ট অধ্যায়বোৰে মোৰ শৈক্ষিক প্ৰয়োজনীয়তা আৰু প্ৰত্যাশা পূৰণ কৰিব পাৰিছে					
iii)	অধ্যায় লেখক/লেখিকাসকলৰ পাঠ্যবিষয়ত সন্নিৱিষ্ট পাঠসমূহৰ উত্তম জ্ঞান আছে					
iv)	অধ্যায়বোৰত সন্নিৱিষ্ট পাঠবোৰৰ ভাষা আৰু বিষয়বস্তু মই সহজে বুজি পোৱা ধৰণে উপস্থাপন কৰা হৈছে					
v)	অধ্যায়বোৰত কাৰ্যকলাপত ভাগ ল'ব পৰাকৈ/অনুশীলনীত অংশগ্ৰহণ কৰিব পৰাকৈ পৰ্যাপ্ত সুযোগ আছে					
vi)	ধাৰণাবোৰ স্পষ্ট কৰিবলৈ পৰ্যাপ্ত চিত্ৰ (ৰেখাচিত্ৰ, তালিকা ইত্যাদি) সংলগ্ন কৰা হৈছে					
vii)	পাঠবোৰত সন্নিৱিষ্ট বিষয়বস্তুসমূহ চিত্তাকৰ্ষক, প্ৰাসংগিক আৰু শেহতীয়া তথ্যভিত্তিক					
viii)	'অগ্ৰগতি নিৰীক্ষণ' শিতানৰ প্ৰশ্নবোৰ যথেষ্ট উপযোগী					
ix)	'আৰ্হি প্ৰশ্ন' আৰু 'অগ্ৰগতিৰ খতিয়ান' শিতান দুটাই মোক যথেষ্ট উপকৃত কৰিছে					

অতিৰিক্ত মন্তব্য (অনুগ্ৰহ কৰি মুকলিমূৰীয়াকৈ মতামত আগবঢ়াওক) ঃ

১) আপোনাৰ মতে স্ব-শিক্ষণ সামগ্ৰীবোৰৰ কোনকেইটা দিশ সবাতোকৈ ফলপ্ৰসূ হৈছে?

---

২) স্ব-শিক্ষণ সামগ্ৰীবোৰৰ সামগ্ৰিক গুণ উন্নত কৰিবলৈ কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়ে কেনেধৰণৰ পৰিৱৰ্তন/উন্নতি সাধন কৰিব পাৰে বুলি আপুনি ভাবে?

প্ৰ-পত্ৰ পূৰাবলৈ সময় উলিওৱাৰ বাবে আপোনাক ধন্যবাদ জনালোঁ।